# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãõhai | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# সূচী


| বিষয় | পিঠি |
|---|---|
| সম্পাদকৰ চৰা | ২২৫ |
| আত্ম-বিচাৰ | ২২৮ |
| মুক্তামালা | ২৩৬ |
| সোণোৱাল জাতি | ২৩৮ |
| কৃষ্ণাবৰ বৰুৱাৰ সাঁৱৰণি | ২৪০ |
| গুটিদিয়েক চিন্তাৰ টৌ | ২৪৩ |
| জীৱন-মুক্তা | ২৫৯ |
| নাম-মালিকা | ২৬২ |
| পগলা | ২৭৪ |
| মৃত্যুৰ অৰ্থ | ২৮০ |

# সম্পাদকৰ চৰা।

যোৱা মাহৰ চৰাত আমি কৈছিলোঁ যে শুচি অশুচি ওখ চাপৰ কুলৰ বিচাৰ পাতি একে দেশৰ একে জাতিৰ মানুহক ফঁহিয়াই বেলেগ কৰাটো দেশহিতৈষীতা নহয়। আমি আকৌ ডাঠি কওঁ যে এই কথা ঠিক। যোৱা বাৰত আমি আমাৰ দেশৰ কছাৰী আৰু বলেৰে কছাৰী পাতিৰ খোজা মোগোৱাল ভাই সকলৰ কথা কৈছিলোঁ। আমাৰ আন আন জাতৰ মানুহৰ সম্পৰ্কেও সেই কথা খাটে। উদাহৰণ স্বৰূপে ধৰা।—আহোমসকল আগেয়ে যি আছিল আছিল; তাৰ পিছত অন্ততঃ জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ দিনৰ পৰাই তেওঁলোকে হিন্দুৰ আচাৰ ব্যৱহাৰ ৰীতি নীতি ধৰি নৈষ্ঠিক হিন্দু হৈ হিন্দুৰ ভিতৰত সোমাই হিন্দুৰ এটা প্ৰধান অঙ্গস্বৰূপ হল। এনে আহোম হিন্দুক আমি আমাৰে এডোখৰ লাগতিয়াল অঙ্গ বুলি নধৰি তেওঁলোকৰ প্ৰতি মিছা ঘিণ প্ৰকাশ কৰি চলিলে আমি আমাৰ নিজৰ ভৰিতে নিজে বৰকুঠাৰ মৰাৰ নিচিনা নহয় নে? হিন্দু আহোমক আন হিন্দুৱে অন্যাহকত ঘিণ কৰা দেখি বহুত হিন্দু আহোমে খং আৰু বেজাৰত বামুণীয়া ক্ৰিয়া-কাণ্ড আৰু বামুণ পুৰোহিত পৰিত্যাগ কৰি তেওঁলোকৰ পুৰণি আগৰ ৰীতি নীতি আৰু ধৰ্ম্ম কৰ্ম্মলৈ যাবলৈ সজ্জা কৰা আমি দেখিছোঁ। আমাৰ মনেৰে আহোমসকলক এনে কাৰ্য্যৰ বাবে দায় দিব নোৱাৰি। ছাটোক লাথি মাৰিলে ছাটোৱেও লাথি মাৰে। তেম-চিং "পবিত্ৰ" হিন্দুৱে যেনে আৰ্জ্জিছে, তেনে ফল ভুঞ্জিনই। তেওঁলোকে হিন্দু সমাজৰ মিছা ওখ জাতৰ কাকিনী-তামোলৰ আগত উঠি থাকোঁতেই তাৰ গুৰিত যে বৰ-কুঠাৰৰ কোব পৰিছে, সেইটোলৈ তেওঁলোকে চকু দিয়াই নাই।

* *

আমি জানো এঠাইত এজন বামুণ গোসাঁই নাৱত থাকোঁতে নাৱৰ ওচৰলৈ তেওঁৰ আহোম শিচ এজন যোৱাত তেওঁৰ বোমল-চাউলৰ কেচা জলপান ছুৱা হৈছিল! ইয়াতকৈ বিকৃত মনৰ কাৰ্য্য আৰু কি হব পাৰে? গুৰু শিষ্যৰ

সম্বন্ধ পিতা পুত্ৰৰ সম্বন্ধ। সকলো হিন্দু শাস্ত্ৰই এই কথা কয়। পিতা পুত্ৰৰ ভিতৰত এনে ঘৃণাৰ ভাব থাকিলে সেইটো সম্বন্ধৰ জনম-জাতি কি কোনবাই কব পাৰে যদি কওক, আমি হলে নোৱাৰোঁ। এনেকুৱা কাৰ্য্যৰ দ্বাৰাই এইটো প্ৰমাণ নহয় জানো যে আমাৰ দেশৰ গুৰু গোসাঁইসকলে আন জাতৰ মানুহক শিষ্য কৰে কেৱল সিঁহতৰপৰা দুৰণীয়া সেৱা আৰু ওচৰীয়া ধন বস্তু পাবলৈ, শিষ্যক ধৰম জ্ঞান দি উদ্ধাৰিবলৈ নহয়। আমি কিন্তু নিৰ্ভয়ে কব পাৰোঁ যে আচল হিন্দু শাস্ত্ৰই দিয়া ধৰমৰ এই ব্যৱস্থা নহয়। এনে কাৰ্য্যই "ধৰম" দিওঁতাসকলে ধৰমৰ নামত অধৰম প্ৰচাৰ কৰাটো হে দেখুৱায়। যদি আমাৰ বামুণ কায়স্থ গোসাঁইসকল ইমানেই নমো-নমো, তেন্তে তেওঁলোকে অকল বামুণ কায়স্থকে শিষ্য কৰি হাত সাৰটি বহি নাথাকি আন জাতলৈ হাত মেলে কিয়? তেওঁলোকে যদি মহাপুৰুষ শঙ্কৰ মাধৱ দামোদৰৰ প্ৰচাৰিত ধৰ্ম্মক শিষ্যক বিলাইছে, তেন্তে আমি খুটি পুতি কব পাৰোঁ যে মহাপুৰুষসকলৰ ধৰ্ম্ম তেওঁলোকে পোৱা নাই, পাইছে যদিও সি তেওঁলোকৰ পেৰাৰ খোলনিৰ ভিতৰতে মামৰে ধৰি পৰি আছে, তেওঁলোকৰ ওচৰলৈ সেই ধৰ্ম্ম লভিবলৈ যোৱাসকলে তাৰ ফুটা কড়ি এটাও তেওঁলোকৰপৰা পোৱা নাই। উদাৰ মহানুভৱ শঙ্কৰদেৱে হৰিৰ নামৰ মোণ্য পেৰাৰ মুখ জাতি-বৰ্ণ-নিৰ্ব্বিশেষে সকলোলৈকে মুকলি কৰি দিছিল; হৰিনামৰ হাট পাতি সেই নামৰ বেহা কৰি সকলোকে বৈকুণ্ঠলৈ যাবলৈ সুবিধা কৰি দিছিল। গাৰো, ভোট, যৱন, নগা, কছাৰী আদি সকলোকে শঙ্কৰদেৱ মাধৱদেৱ দামোদৰদেৱে ধৰ্ম্ম বিলাই দিছিল। এনে ধৰ্ম্ম তেওঁলোকৰ উত্তৰাধিকাৰীসকলৰ হাতত পৰি এতিয়া ধন-খটা কল হল, তালুকদাৰীৰ আমৰ-ফলি হল, জমিদাৰীৰ দলিল-দস্তাবিজ হল, হাতীৰ হাওদা, ঘোঁৰাৰ জিন, শৰাইৰ সোণৰ চুলা, বানৰাটিৰ এঠা দৈ আৰু সোন্দাকল হল!

* *

কিন্তু আমি কওঁ,—এনে নেথাকে। আমি হয়তো মৰি যাম, দেখিবলৈ নেপাওঁ, কিন্তু এইটো ঠিক, "এইসা নাহি ৰহেগা"। সত্যৰ জয়, সত্য ধৰ্ম্মৰ জয়, অসত্যৰ পৰাজয়, পলম হলেও, হবই হব। আমাৰ মহাপুৰুষসকলৰ প্ৰচাৰিত ধৰ্ম্ম উদাৰ, সাগৰ-সঙ্কাশ; চিকটাসকল সেই ধৰ্ম্মৰ দাতাকৰ্ণ যে হবই নোৱাৰে, তাৰ কাণে হাত মেলিবলৈকো তেওঁলোকৰ অধিকাৰ নাই।



"বৈকুণ্ঠ প্ৰকাশে হৰিনাম ৰসে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলে,
বহে ব্ৰহ্মাণ্ড ভেদি॥"

এনে ধৰ্ম্মৰ নদী আসাম জুৰি বৈ গৈছে, সেই নদীৰ চলে পাৰ ভাঙ্গি আসাম গোটেইখন বুৰাই লৈ গৈছে, এনে স্থলত বামুণ, শূদিৰ, কছাৰী, আহোম, যৱন, গাৰো, ভোট! আহাঁ তোমালোক, আহা ভাইহঁত, আমি একেলগে সেই ধৰ্ম্মৰ অমৃতপীযুষ পান কৰি ক্ষুদ্ৰৰ নীচত্ব পৰিহাৰ কৰি ঈশ্বৰৰ ৰাজ্যত সমান হৈ সমান অধিকাৰৰ দাবি কৰি সেই অধিকাৰ লৈ বৈকুণ্ঠলৈ যাওঁহঁক। সঙ্কীৰ্ণতা দূৰ দূৰ! নীচতা দূৰ দূৰ! ঘৃণা "অহৰ্ণামলৈ যা"! আমি মহাপুৰুষৰ ধৰ্ম্মক ধৰি ঈশ্বৰক জানি সমান হৈ একে জাতিৰ একে আসনৰ অধিকাৰী হৈছো, ভয় কি?

*

আমাৰ আহোমসকলকো আমি কওঁ, তেওঁলোকৰ দিনকলে হিন্দুধৰ্ম্ম হিন্দুৰ আচাৰ ব্যৱহাৰ এৰিব খুজিছে, তেওঁলোকে সমীচীন কাৰ্য্য কৰা নাই। তেওঁলোকক বিপোৱা বামুণ বা আন "ওখ জাতৰ" মানুহ কেইজনেই তেওঁলোকৰ হৰ্ত্তা-কৰ্ত্তা-বিধাতা নহয়। সেইকেইজনে জাতৰ ঠেক বিলৰ ভিতৰত লুটিয়া-লুটি কৰি থাকোঁতেই তাৰ পানী যে ঘোলা হৈ লাহে লাহে শুকাই যাব লাগিছে সেইটো সেইকেইজনৰ চেতন হোৱা নাই। চোৱাঁহঁক, শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিয়া বৈকুণ্ঠৰ প্ৰেম অমৃতৰ নদীয়ে সিকালৰপৰা সকলোকে বুৰাই আনন্দময় জাত দি একে কৰি আনিব লাগিছে। মহাপুৰুষৰ উদাৰ শিক্ষা বিশাল আনন্দ-সাগৰত মজি আমাৰ আহোম ভাইসকলে অসমীয়া জাতিৰ সাৰ্ব্বভৌম জাতীয় মন্দিৰত কৰাল দিয়া হে যুগুত। ভয় কি? চিন্তা কি? তেওঁলোক হিন্দুৰো হিন্দু, শ্ৰেষ্ঠৰো শ্ৰেষ্ঠ, ব্ৰাহ্মণৰো অগ্ৰগণ্য হব। যি বামুণীয়া সঙ্কীৰ্ণ ভাবাপন্ন গোসাঁয়ে তেওঁলোকক হীন বিবেচনা কৰিবলৈ যায় সেই ঠেক মনৰ গোসাঁই গুৰুক তেওঁলোকে পৰিত্যাগ কৰি মহাপুৰুষসকলৰ উদাৰ ধৰ্ম্ম আশ্ৰয় কৰি থাকি "হৰিৰ কথাত ৰসিক" হৈ বৰেণ্য হিন্দুৰ আসন গ্ৰহণ কৰি থাকক। পুৰণি মৃত আহোম ৰীতি নীতি বা ধৰ্ম্ম প্ৰণালীলৈ

যাবলৈ তেওঁলোকে বৃথা চেষ্টা কৰি সময় আৰু ক্ষমতাৰ অসাৰ্থক ব্যৱহাৰ কৰাটো উচিত নহয়। একেবাৰেই যদি যোৱা কোনো বস্তুৰেই এই সংসাৰত আকৌ প্ৰাণ নেপায়; তাত বলেৰে প্ৰাণ দিবলৈ গলে, সি যে নিৰ্জীৱেই, তাৰ শৱ বা ছকাৰপৰা আন কিবা এটা হে হোৱাৰ সম্ভৱ। মহাপুৰুষৰ ধৰ্ম্মৰ সমাজত মহাপুৰুষে বামুণ, শূদিৰ, কোচ, কেওট, কলিতা, সকলো বৈষ্ণৱকে জাতত সমান কৰি গৈছে; সেই কালত ৰাজ-বংশী আহোমসকলক আমি তাত বিশেষকৈ সোমোৱাৰ কাৰণ আন একো নহয়, মাত্ৰ আহোমসকলৰ নিজৰ পুৰণি ধৰ্ম্ম আৰু ৰীতি নীতিৰ প্ৰতি নিষ্ঠা আৰু নিজক ৰজাৰ জাতৰ বুলি এটা গৌৰৱৰ ভাব তেওঁলোকৰ মনত সদায় জাগ্ৰত থকা আৰু তাৰ উপৰিও তেওঁলোকৰ কাণত ৰাজসিক ব্ৰাহ্মণসকলৰ বেছি ফুচ্‌ফুচনি; এই কেইটাহে কাৰণ।

---

## আত্ম-বিচাৰ।

"একমেবাদ্বিতীয়ং ব্ৰহ্ম।"

এই যে গভীৰ ৰহস্যপূৰ্ণ আত্মা, ইয়াক বৰ্ণাবলৈ কবিৰ অতুল বৰ্ণনা শক্তি নাইকিয়া হয়; ঐতিহাসিকৰ সাধ্য নাই যে আত্মাৰ প্ৰকৃতিৰ বিৱৰণ দিয়ে। আত্মা অমৰ, আত্মাত স্বৰ্গীয় জ্যোতিৰ বিকাশ,—ইয়াকেহে মাথোন মানৱ-জ্ঞানে চুকি পাইছে। আত্মাৰ ওচৰত সকলো বিষয়েই চিৰপৰিচিত, কোনো এক বিশেষ স্থানত আত্মা বিদ্বিত হবৰ পাত্ৰ নহয়। আত্মাতকৈ মহৎ একো নাই, আত্মাই নিজৰ স্বভাৱ-জাত ৰাজ্যত ৰাজত্ব কৰিব লাগিছে; ই অসীম শূন্যতকৈও অধিক বিস্তৃত, অনন্তকালতকৈও অধিক পুৰাতন, আশাৰ সমান বিস্তীৰ্ণ, আৰু প্ৰেম যেন বৰমূলীয়া আৰু আটকীয়া। ভীৰুতা আৰু ভয় আত্মাই অতিকৈ ঘিণায়; আত্মাৰ সোণোৱালী সাজযোৰ পিন্ধি বিশ্বপ্ৰেমৰ মাজেদি বিশ্বশক্তিৰ ওচৰ চাপিবলৈ বাহিৰ ওলালে আত্মা লুকায়, আত্মা তেনে প্ৰকৃতিৰ কাৰণে হোৱা নাই।

ব্ৰহ্মই আত্মা। "এতদ্‌ ব্ৰহ্মৈতমিতঃ প্ৰেত্যাভিসম্ভবিতাস্মীতি" অৰ্থাৎ যি কৰ্ম্ম আৰম্ভ কৰিলোঁ তাৰ ফলভোগ কৰি বাসনাত বান্ধ খাই থকা এই শৰীৰ এৰাৰ পাছে পাছে ব্ৰহ্মত লীন হ'ম।



আত্মা বৰ্ণনা আদিৰ অতীত, আত্মা কাৰো দৃষ্টিগোচৰ নহয়, তত্ৰাচ আত্মা সৰ্ব্বত্ৰ বিৰাজমান। যি হ'ক, আত্মা দৃষ্টিগোচৰ নহয়, ই ধ্ৰুৱ সত্য। কিন্তু এই আত্মাত বাক্য মানুহৰ চিৰ-সঙ্গী কোন? আধ্যাত্মিক বস্তু চিত্তৰ সাহায্যৰ বিনে দেখা নেযায়; ঈশ্বৰৰ ৰূপ চাবলৈ দৈহিক চকু নেমেলি মানস-চকু আৰু ভক্তিৰ চকু মেলাহে যুগুত। তেতিয়া দৰ্শন আৰু অনুভৱ দুয়োটা ঘটে; নিজৰ আত্মাৰ দৰে ঈশ্বৰৰ আত্মাতো ঈশ্বৰপ্ৰাণসকলৰ ঠাই আছে। ইয়াৰ কাৰণ কি? উত্তৰত কোৱা যাওক, মন আৰু হৃদি এই দুয়োটাতে সেই অসীম অনন্ত মূৰ্ত্তি বিৰাজ কৰিছে।

ঈশ্বৰ যি জীৱও সি। এই বিষয়ত গীতাই প্ৰধানতম প্ৰমাণ। গীতা,—

সৰ্ব্বোপনিষদো গাৱো দোগ্ধা গোপাল নন্দনঃ।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ॥

গীতাৰ উদ্দেশ্য, জীৱত্ব আৰু ব্ৰহ্মত্বৰ ঐক্য প্ৰতিপাদন। পোনতে জীৱত্ব প্ৰতিপাদন, দ্বিতীয়ত ব্ৰহ্মত্ব প্ৰতিপাদন আৰু শেষত জীৱত্ব আৰু ব্ৰহ্মত্বৰ ঐক্য প্ৰতিপাদন,—এই কেইটাই গীতাৰ লক্ষণস্বৰূপ উদ্দেশ্য। ঈশ্বৰ আৰু ঈশ্বৰ সৃষ্ট প্ৰাণিসমূহৰ এক ভাব তত্ত্বজ্ঞানখনি গীতাই প্ৰমাণ কৰিছে। জগতৰ সিদ্ধান্ত যে,—

যথা নদ্যঃ স্যন্দমানাঃ সমুদ্ৰে
অস্তং গচ্ছন্তি নামৰূপে বিহায়
তথা বিদ্বান্ নামৰূপাদ্বিমুক্তঃ
পৰাৎপৰং পুৰুষমুপৈতি দিব্যম্।

জ্ঞান বেলি ভৰা, এই বিশাল ধৰণী আৰু প্ৰকৃতিৰ প্ৰত্যেক বিস্ময়জনক দৃশ্য সম্পৰ্কে একোটা একোটা ধাৰণাই মন অধিকাৰ কৰি পেলালে, সকলোটিৰে পিতা সৃষ্টিকৰ্ত্তাৰ বুদ্ধি আৰু ক্ষমতাৰ বিষয়ে যি অনুমান হয়, সি যে কিমান বিস্তীৰ্ণ আৰু অসীম অনন্ত তাক সহজে বুজিব পাৰি। তেনেহলে প্ৰকৃতি-তত্ত্ব আবিষ্কাৰ কৰিবলৈকে মানৱ-সৃষ্টি নে? ঈশ্বৰসৃষ্ট পদাৰ্থ সমূহ আৰু স্বয়ং ঈশ্বৰ,—ইয়াৰ ভিতৰত কোন অধিক বিবেচনাৰ যোগ্য? ই এক

বিষম সমস্যা! ঈশ্বৰৰ কাৰ্য্য সমূহৰ প্ৰথম দৰ্শনত আমাৰ যি জ্ঞান ওপজে সি সেই একে কাৰ্য্য সমূহৰেপৰা ওলোৱা ঈশ্বৰৰ অস্তিত্ব আৰু তেওঁৰ নিৰ্ভুল বিচাৰ বিষয়ক জ্ঞানতকৈ শতগুণে নীহ। স্বীকাৰ কৰিব লগা হৈছে, সৃষ্টিকৰ্ত্তা নথকা হ'লে এই সৃষ্টি-দৃশ্যৰ অকণো আদৰ নেথাকিলহেঁতেন। "এই শোভা-ময় বিস্ময়জনক জগতৰ কোনো অধিকাৰী নাই,—এনে সিদ্ধান্তত উপস্থিত হোৱা সম্ভৱপৰ হোৱা হ'লে জগতৰ গতি কি হ'লহেঁতেন তাক সহজে বুজিব পাৰি; এনে হোৱাহ'লে জগতবাসীৰ অৱস্থা অকল মৰণৰ সমান হ'লহেঁতেন এনে নহয় তাতোকৈও শোচনীয় হ'লহেঁতেন। ঈশ্বৰ আৰু ইয়াতকৈও বেছি সুখকৰ আন এখন জগতত আমাৰ ভবিষ্যৎ বসতি আছে বুলি বিশ্বাস নেথাকিলে জীৱন ধৰাৰ লোভ নাই। জুইক পানী বুলিব পাৰি, পূবক পশ্চিম বুলিব পাৰি, কিন্তু বিশ্বজগত ঈশ্বৰ-বিহীন বুলি কবলৈ সাহস নহয়। "জ্যোতি", "সত্ব" "সত্তা" থকা ঠাইত জ্ঞানৰ চৰমোৎকৰ্ষ আৰু অবিৰাম উদাৰতা থকা অসম্ভৱ বুলি যাৰ বিশ্বাস, নিজৰ মোহৰ বাবে তেওঁ পুতৌ আৰু তাৰ লগতে উপহাসৰো পাত্ৰ। জ্ঞান উপাৰ্জ্জন কৰা আৰু নিজৰ মন নীতি অনুসৰি চলোৱা উক্ত সন্মানৰ যোগ্য, কিন্তু আচল সত্য আৰু সত্বগুণ স্বৰূপ এক পৰমব্ৰহ্ম আছে বুলি জনাটো তাতোকৈও বেছি সন্মান, আদৰ, প্ৰীতি আৰু শ্ৰদ্ধাৰ বিষয়। সৃষ্টিৰ এই দৃশ্যসমূহ এনেয়ে মূল্যবান, তাতে কল্পনা-মন্দিৰত সৃষ্টিকৰ্ত্তাৰে সৈতে একেলগে ঠাই পালে তাৰ জেউতি দুগুণে চৰে। মুঠতে ঈশ্বৰ আৰু আৰু প্ৰকৃতিৰ প্ৰতি সন্তানৰ মাজত এক নিত্য সম্বন্ধ মূলবদ্ধ হৈ আছে।

কথা প্ৰসঙ্গত এতিয়া কোৱা য'ক ঈশ্বৰ-চিন্তাৰে পিঠি দি ভাপসাৰীত উঠি লব মৰাতো বৈজ্ঞানিকসকলৰ শোভা নেপায়। বিজ্ঞান লাগুটিত ভৰ দি যায়; কবিতা পাখিত ভৰ দিয়া সৰাপী চৰাই। যেয়ে যেনেকৈ গ'ল লাগে, শেহত কিন্তু একে গিৰি-গুহাতে দুয়ো পৰেগৈ। কবিতা-বিজ্ঞানৰ এই সন্ধি স্থলত দৰ্শনৰ আবিৰ্ভাৱ। সি যি নহ'ক, পৰিণামত কবিতা বিজ্ঞান একে ঠাইতে লীন হয় গৈ, সেই ঠাই কি আৰু ক'ত?

জগৎ মায়াময়। বাধ্য হৈ সকলোৰে এই সত্য মানিব লাগিব। প্ৰত্যেকটো সাংসাৰিক কামতে এই সত্যৰ অসংখ্য দৃষ্টান্ত অদি আছে; তাৰ ফল ভোগ অৱশ্য-কৰ্ত্তব্য। কিন্তু এনে এটা বস্তু আছে, যি মায়াৰ অধীন নহয়। আত্মাই



সেই স্বতন্ত্ৰ বস্তু। আত্মা মায়াময় হ'ব নোৱাৰে,—যি এই সিদ্ধান্ত নেমানে, প্ৰতিবাদ কৰোঁতে ওলাই পৰে যে, সিদ্ধান্ত নিভুৰ্ল, 'প্ৰতিবাদ' ভ্ৰান্তিমূলক। ওপৰত কৈ অহা হৈছে, জীৱত্ব আৰু ব্ৰহ্মত্বৰ ঐক্য প্ৰতিপাদন কৰাই "গীতা"ৰ উদ্দেশ্য, কিন্তু জীৱাত্মা আৰু পৰমাত্মাৰ সম্বন্ধ কি? জীৱ ব্ৰহ্মৰ অংশ হব নোৱাৰে কাৰণ ব্ৰহ্ম অংশহীন, অসীম আৰু অনন্ত কোনো অংশ থাকিলেও সি হয় কাল-পৰম্পৰা নহয় ব্যৱধান-সমক্ৰিয়া। ব্ৰহ্ম একমেৱা-দ্বিতীয়ম্, অনুভৱৰ দ্বাৰাই উপলব্ধি হয়, কাজেই জীৱ আৰু ব্ৰহ্ম পৃথক্ নহয়। জীৱ ব্ৰহ্মৰ ৰূপান্তৰো নহয়, কাৰণ ব্ৰহ্ম পৰিবৰ্ত্তনশীল নহয়। তেনে হলে ব্ৰহ্মৰ লগত জীৱৰ সম্বন্ধ কি? মহাত্মা শঙ্কৰাচাৰ্য্যই কৈ গৈছে জীৱ পূৰ্ব্বোক্ত এবিধো নহয় যেতিয়া, ই পূৰ্ণ ব্ৰহ্ম। প্ৰকৃততে যদি আমাৰ এই আত্মা ব্ৰহ্মৰ অংশ নহয়, পূৰ্ণ ব্ৰহ্ম, তেনেহলে ব্ৰহ্মৰ সৰ্ব্বব্যাপকত্ব, নিত্যতা, সৰ্ব্বশক্তিময় আৰু বৈজ্ঞানিক মতে দেশ-কাল-হেতুৰ পৰা মুক্তি আদি সকলোবিলাক গুণ আমাৰে; "অহং ব্ৰহ্ম অস্মি"ময়ে ব্ৰহ্ম, কাজেই মই সৰ্ব্বব্যাপী, নিত্য আৰু সৰ্ব্বশক্তিমান অৰ্থাৎ মোৰ কাৰ্য্যকৰী শক্তি হেতুত্বৰ ( Causality ) দ্বাৰা সীমাবদ্ধ নহয়। কাঠত যেনেকৈ জুই লুকাই আছে, তেনেকৈ এই দিব্য গুণ-গ্ৰাম মোৰ গাত লুকাই আছে, মুক্তিৰ পাছত হে তাৰ বিকাশ হ'ব। প্ৰশ্ন হ'ব পাৰে মোৰ দিব্য প্ৰকৃতি লুকাই থকাৰ কাৰণ কি? কাৰণ "উপাধি"। উপাধি কি? উপাধি হৈছে, মন, ইন্দ্ৰিয়, পঞ্চভূতাত্মক প্ৰাণ আৰু সূক্ষ্ম শৰীৰ; মুঠতে মনোবিজ্ঞানৰ আচ্‌বাব গোটেইটো, কৰ্ম্মৰে সৈতে এটা জন্মৰপৰা আন এটা জন্মলৈ বদলি হোৱা এক প্ৰতিনিধি লগত লৈ ই মোৰ আত্মাৰ সঙ্গ লৈছে; আত্মাই দেহ-সজা সলাই ফুৰোঁতেও সি লগতে আছে। ফটিকত ৰং লগালে যেনেকৈ সেই ৰঙে একো বিকাৰ ঘটাব নোৱাৰে তেনেকৈ আত্মাৰ লগত ফুৰে যদিও সি আত্মাক দূষিত কৰিব নোৱাৰে। কিন্তু এই উপাধিবিলাকৰ উৎপত্তি ক'ৰ পৰা? অৱশ্যে সিইঁত মায়াৰে এভাগ। মায়াৰ নিচিনাকৈ সিহঁত আমাৰ স্বাভাবিক "অবিদ্যা" বা "অজ্ঞানৰ" ওপৰত সংস্থাপিত। এই অবিদ্যা এক বিৰোধী শক্তি, আমাক স্বৰ্গলাভৰপৰা বঞ্চিত কৰিবৰ ক্ষমতা ইয়াঁৰ আছে। কিন্তু অজ্ঞান, পাপ আৰু দুখৰ আদি কাৰণ এই অবিদ্যাটো ক'ৰপৰা আহিল? শত শত দাৰ্শনিকৰ অধ্যৱসায়ৰ বলত, অনেক যুক্তি তৰ্কৰ পাছত থিৰাং হ'ল—

এই প্ৰশ্ন অগ্ৰাহ্য। অবিদ্যাৰ উৎপত্তিস্থান নাই, তাৰ কাৰণ নাই, যিহেতু, কাৰণ-নিৰ্দ্দেশক শক্তি—ইটোৱে সেইটো সিটোৰ সম্বন্ধ লগাই—সংসাৰ যিমান দূৰ গৈছে সিমান দূৰলৈকে হে গৈছে, সি সংসাৰ বা তাৰ লক্ষণ অবিদ্যা অতিক্ৰম কৰি যাব নোৱাৰে।

দেহ আৰু আত্মা এই দুইৰ ভিতৰতো এটা সম্বন্ধ আছে। সেই বুলি দেহ আত্মা বা আত্মা দেহ নহয়, এই বিষয়ে তলত কোৱা হ'ল। দেহ আৰু আত্মাৰ সম্বন্ধটো কোনো মতেহে অনুমান কৰিব পাৰি। জীৱেই পূৰ্ণ ব্ৰহ্ম, কাজেই মানুহৰ জীৱনত ব্ৰহ্মত্বৰ চাব আছে। কিন্তু সেই মানুহে দেখোন আকৌ ধূলিত বাগৰ দিয়ে! সুস্থ হৈ থাকিবলৈ পালে শৰীৰ বিদ্ৰোহী হৈ উঠে, আকৌ কি আচৰিত! অৱশ হৈ থাকিলে মানুহো সহানুভূতিৰে অৱশ হৈ পৰে। এই শৰীৰ মানুহৰ মৰমৰ সঙ্গী, আকৌ প্ৰকাৰান্তৰে ই পৰম শত্ৰু। ই মানুহক জয়াতুৰ কৰি তোলা এটা বন্দিশাল, আকৌ ই এটা মানুহৰ সহযোগী অংশীদাৰো! অপৰিমিত বিলাস ভোগৰ দ্বাৰাই শৰীৰ দুৰ্ব্বল কৰিলে কোনো মহৎ কাৰ্য্য কৰিবৰ কাৰণে শক্তি নেথাকে। আকৌ তাক টোপ পৰিব নিদিয়াকৈ তুলিলে সে সংযমৰ বাহিৰ হৈ যায়, দুৰ্ব্বিনাৰ তাক বান্ধত পেলোৱা টান হয়। এই শৰীৰেই মানুহক পৃথিৱীৰে সৈতে লগ লগাই বান্ধি থৈছে, সেই বান্ধ মোকোলাবলৈ মানুহ সম্পূৰ্ণ অক্ষম আৰু এই শৰীৰেই মানুহক পৰমেশ্বৰক লক্ষ্য কৰি উন্নতি কৰাত বাধা দি আছে, যদিও তেনে কৰাই জীৱনৰ সৰ্ব্বপ্ৰধান উদ্দেশ্য। শৰীৰ, মানুহে সদাই আদৰ মৰম কৰি থকা এবিধ শত্ৰু। শৰীৰ এটা বিশ্বাসঘাতক বন্ধু, সি বিশ্বাসৰ স্থল নহয়। শৰীৰলৈ মানুহৰ বৰ ভয়ো তথাপি তালৈ অতুল স্নেহ। সন্ধি আৰু ভেদৰ কি অপূৰ্ব্ব সঙ্গতি! কি উদ্দেশ্যেৰে কি গুপ্ত প্ৰকৃতিৰে মানৱ জীৱনত এই সন্ধি ভেদৰ অৱতাৰণা কৰা হৈছে? এক প্ৰকাৰে ভাবি চালে দেখা যায় যে, ঈশ্বৰে মানৱ জাতিৰ গৰ্ব্ব চূৰ্ণ কৰিবলৈকে এনে কৰিছে। ইয়াকে নকৰা হ'লে সেই গৰ্ব্বই মানুহক মতালেহেঁতেন যে, ঈশ্বৰ-সৃষ্টি বুলি গৰ্ব্বতে ওকণি মানুহে ভুলাই সেই একে ঈশ্বৰকে নিজৰে সৈতে সমান ভাবি সম্পূৰ্ণ অৱজ্ঞা কৰিলেহেঁতেন! মানুহ যে ঈশ্বৰাধীন আৰু ঈশ্বৰেই যে অশুভ আশঙ্কা কৰি এই দুৰ্ব্বলতা উপস্থিত কৰিছে—এই সত্যৰ উপলব্ধি কৰোৱাই শৰীৰৰ এনে অৱস্থা কৰাৰ উদ্দেশ্য। এই দুৰ্ব্বলতা দেখি বুজা যায়



ঈশ্বৰে নীচতাৰে মহত্ব জুখিব লাগিছে। বিকাৰে দেহ বা আত্মা যেই সেই এটাৰ ফাললৈ টান লোৱায়, সেই বিকাৰ অনুসৰি ঈশ্বৰে মানুহক জীৱন আৰু মৰণৰ সন্ধি স্থলত ধৰি আছে। ফলত এনে হৈছে যে, আত্মাৰ গুণোৎকৰ্ষৰ প্ৰভাৱত মানুহৰ হৃদয়ত গৰ্ব্বৰ আবিৰ্ভাৱ হয় কিন্তু দেহ সম্বন্ধীয় অনৱচ্ছিন্ন ছিদ্ৰবিলাকে সেই গৰ্ব্ব চূৰ্ণ কৰে।

আত্মা আৰু দেহৰ এটা সম্বন্ধ আছে হয়, কিন্তু প্ৰশ্ন হব পাৰে, আত্মা আৰু দেহ ভিন্ন নে অভিন্ন? হিন্দুৰ ষড়্দৰ্শন, বৌদ্ধ দৰ্শন আদি সকলোৰে একমত যে আত্মা অমৰ, নিত্য; আত্মা আৰু দেহ ভিন্ন বস্তু। কিন্তু চাৰ্ব্বাক লোকায়তিক আদি এই মতৰ বিৰোধী। তেওঁবিলাকৰ যুক্তি এই যে,—

"যেনেকৈ কোনো উদ্ভিদত মাদকতা শক্তি লুকাই থাকে আৰু সেই উদ্ভিদৰ পৰা মদ কৰিলে সেই শক্তিৰ বিকাশ হয়, তেনেকৈ বাহিক বস্তুত চৈতন্য লুকাই থাকে যদিও বস্তুৰ গঢ় আদিলেহে সি প্ৰকাশ পায়। কাজেই, স্বৰ্গগামী বা মুক্ত হ'ব পৰা শৰীৰৰ পৰা ভিন্ন আত্মা বুলি কোনো বস্তু নাই। বস্তুৰ অনুপস্থিতিত, থকা বা নথকা, যিবিলাক গুণ আছে সেইবিলাকেই হৈছে প্ৰকৃত গুণ। এই হিচাপে তাপ আৰু পোহৰ জুইৰ গুণ। এতিয়া দেখা গ'ল যে, অনুভৱশক্তি, স্মৰণশক্তি আদি যিবিলাক গুণ আত্মাৰ বুলি বহুতৰ বিশ্বাস, সেই সকলোবিলাক শৰীৰত হে পোৱা যায়, অশৰীৰী অৱস্থাত পোৱা নেযায়। সুতৰাং এইবিলাক কোনো ইন্দ্ৰিয়ৰ অগোচৰ বস্তুৰ গুণ নহয়, শৰীৰৰ হে।"

জগৎপূজ্য শঙ্কৰাচাৰ্য্যই এই মত খণ্ডন কৰিবাৰ চেষ্টা কৰিছে—

"শৰীৰ থাকে মানেহে থাকিব"—ইয়াকে কাৰণস্বৰূপে ধৰি যদি আত্মাৰ গুণখিনি শৰীৰৰ গুণ বুলি ধৰা যায়, তেনে হলে শৰীৰৰ অস্তিত্ব কালত নথকা বাবে সেই গুণখিনি শৰীৰৰ নহয়। এনে সিদ্ধান্তত উপনীত হ'ব নোৱাৰাৰ অৰ্থ কি? গঢ় আদি গুণ যথাৰ্থতে শৰীৰৰ, সি শৰীৰ থাকে মানেহে থাকিব, কিন্তু মৰণৰ পাছত প্ৰাণভূত বুজিবোৱা শৰীৰত নেথাকে। তদুপৰি গঢ় আদি গুণ ইন্দ্ৰিয়গোচৰ, কিন্তু আত্মাৰ গুণ অনুভৱ, স্মৰণশক্তি আদি; এইবিলাক গুণ যাৰ আত্মা তাৰ বাহিৰে আন সকলোৰে অজ্ঞাত। শৰীৰতহে যে এই গুণবিলাক আছে, সেইটো বেছ সন্দেহ কৰিব পাৰি। কিন্তু শৰীৰ নিপাত হ'লে এই গুণবিলাক যে আনটোলৈ বহনি নহ'ব, সেই বিষয়ে নিশ্চিত হ'ব পাৰি

কিদৰে? এনে হোৱাৰ অনুমাত্ৰ সম্ভাৱনাও চাৰ্ব্বাক মতৰ (materialism) খণ্ডনকাৰী। চাৰ্ব্বাকমতাৱলম্বীয়েও বোধ কৰোঁ স্বীকাৰ কৰিব যে স্থূল আৰু জড় পদাৰ্থৰ জ্ঞানেই আত্মজ্ঞান বা চৈতন্য। সেয়ে হ'লে আৰু স্বীকাৰ কৰিব লাগিব যে, যি হেতু স্থূল আৰু জড় পদাৰ্থ চেতন, চেতনা সিইতৰ গুণ হ'ব নোৱাৰে। তুয়ো জুই পোৱা আৰু নাচনিয়াৰে নিজৰ কাণৰ ওপৰত নচা অসম্ভৱ, ঠিক সেইদৰে স্থূলে স্থূল অনুভৱ কৰাও সম্পূৰ্ণ অসম্ভৱ। পড় আদিয়ে নিজক বা আন কোনো গুণক নিজৰ আধাৰ কৰি ল'ব নোৱাৰে। এতেকে, যিহেতু চেতনাই বাহ্যিক আৰু আন্তৰিক দুয়ো বিধকে নিজৰ আধাৰ কৰি লৈছে, সি বাস্তৱ গুণ হ'ব নোৱাৰে। জড় আৰু চেতনাৰ প্ৰভেদ স্বীকাৰ কৰিলে চেতনাৰ স্বতন্ত্ৰতাকো স্বীকাৰ কৰিব লাগিব। তদুপৰি চেতনাৰ পৰিবৰ্ত্তনশীল ঘটনাৰ মাজতো যি এটা অপূৰ্ব্ব সামঞ্জস্য আছে সি চেতনাৰ নিত্যত্ব প্ৰমাণ কৰিব লাগিছে। সৰ্ব্বজ্ঞ আত্মা আনুক্ৰমিক দুটা অৱস্থাত একে দৰে থাকে, এই কাৰণেই স্মৰণ আদি মানসিক অৱস্থা ঘটে। যেনে "মই ইয়াক আগেয়ে দেখিছিলোঁ," এই জ্ঞানত সাৰ্ব্বভৌম পৰিদৰ্শক আৰু সৰ্ব্বজ্ঞ আত্মা একেটা বুলি ধৰা যায়। শৰীৰ থকাতে প্ৰত্যক্ষ জ্ঞান থাকে এতেকে ই শৰীৰৰ গুণ,—এই যুক্তি খণ্ডন কৰা হৈছে। এই যুক্তি গ্ৰহণ কৰিবলৈ হ'লে প্ৰত্যক্ষ জ্ঞান চাকিটোৰো গুণ বুলিব লাগিব, কাৰণ চাকিটো আগত থাকিলেও তো আমাৰ প্ৰত্যক্ষ জ্ঞান হয়। চাকি আদিৰ নিচিনাকৈ আমাৰ শৰীৰটো প্ৰত্যক্ষজ্ঞানৰ এটা যন্ত্ৰ মাথোন। এক প্ৰকাৰে চাবলৈ গ'লে, ইয়াক প্ৰত্যক্ষজ্ঞানৰ যন্ত্ৰ বুলিবও নোৱাৰি, কাৰণ সপোনত যেতিয়া শৰীৰ অৱশ হৈ থাকে তেতিয়াও আমাৰ এনিব প্ৰত্যক্ষজ্ঞান হয়। এতিয়া দেখা গ'ল আত্মা আৰু শৰীৰ যে এক বস্তু নহয়, ই ধ্ৰুৱ সত্য।"

ইয়াত লগতে আৰু গোটাদিয়েক মত আছে। কোনোৱে 'আত্মা বৈ জায়তে পুত্ৰঃ" শ্ৰুতিৰ এই প্ৰমাণ দি কয় যে, পুত্ৰই বাহ্যিক আত্মা। আত্মা আৰু পুত্ৰ সমান মৰমৰ ভাগী।

কাৰো কাৰো মতে ইন্দ্ৰিয় সমষ্টিয়েই আত্মা। "তেহপ্ৰাণাঃ প্ৰজাপতিং সমেত্য ব্ৰূয়ুঃ"—শ্ৰুতিৰ প্ৰমাণ। যি স্থলত ইন্দ্ৰিয় নেথাকিলে শৰীৰ নিশ্চল হয়, চকু আদি নেথাকিলে মানুহ কণা হয়, তেনে স্থলত ইন্দ্ৰিয় সমষ্টিয়েই আত্মা, শৰীৰ আত্মা নহয়।



এই দৰে কোনোৱে প্ৰাণ, কোনোৱে মন, কোনোৱে বিজ্ঞান, কোনোৱে অজ্ঞান, আৰু কোনোৱে শূন্যক আত্মা বোলে। এই মতাৱলম্বীসকলে পৰস্পৰৰ মত খণ্ডন কৰিবলৈ গৈ ইয়াকেহে মাথোন বুজাইছে যে পুত্ৰ, ইন্দ্ৰিয়সমষ্টি আদিৰ কেৱেঁই আত্মা নহয়; তেওঁবিলাকৰ নিজৰেই মত ভ্ৰমাত্মক। প্ৰত্যেক শৰীৰতে থকা পৰমাত্মা স্থূল হ'ব নোৱাৰে, ইন্দ্ৰিয়, প্ৰাণ, মন, কৰ্ত্তা আদি একো নহয়। আত্মা "চৈতন্যং চিন্মাত্ৰং সং"। পুত্ৰাদি সকলো জড়, জড় বস্তু নিজে প্ৰকাশিত হ'ব নোৱাৰে, চৈতন্যই জড় বস্তুৰ প্ৰকাশক। চৈতন্যৰ দ্বাৰাই যি প্ৰকাশিত, সি নিত্য নহয়। কাজেই, পুত্ৰাদি আত্মা হ'ব নোৱাৰে কাৰণ অনিত্য। শ্ৰুতিতে,—

"তত্ত্বাসকং নিত্যশুদ্ধবুদ্ধমুক্তসত্যস্বভাবং
প্ৰত্যক্ চৈতন্যমেৱাত্ম তত্ত্বম্।"

আৰো কোৱা যাওক এই আত্মাৰ তত্ত্ব বিচাৰি পোৱা মানুহৰ সাধ্যাতীত, যদিও আত্মাৰ বিষয়ে শত শত ভাবৰ উদ্ভাৱন কৰিব পাৰি। বিশাল সুবিস্তীৰ্ণ সমুদ্ৰ সাঁতুৰি পাৰ হ'বলৈ গৈ, মহাসাগৰৰ প্ৰশান্ত লহৰী লীলা দেখি মনক তৃপ্ত দিয়া যেনে, আত্মাৰ তত্ত্ব বিচাৰি শেহত অভেদ্য ৰহস্য দেখি কৌতুকত অধীৰ হোৱা তেনে। আত্মা অবৰ্ণনীয়,

"ন ইতি, ন ইতি"
"কাস্তোহয়মাত্মা"।
"আশ্চৰ্য্যৱৎ পশ্যতি কশ্চিদেন
মাশ্চৰ্য্যৱৎ ৱদতি তথৈৱ চান্যঃ।
আশ্চৰ্য্যৱৎ চৈনমন্যঃ শৃণোতি
শ্ৰুত্বাপ্যেনং ৱেদ ন চৈৱ কশ্চিৎ॥"

এই সংসাৰ সুন্দৰ, কিন্তু সঁচা নহয়, সত্য আছে ব্ৰহ্মত; সেই ব্ৰহ্মই আত্ম-স্বৰূপে আমাৰে সৈতে বান্ধ খাই আছে, সৰ্ব্বোৎকৃষ্ট জ্ঞান "অহং ব্ৰহ্ম অস্মি" মোক্ষদায়ক নহয়, মোক্ষস্বৰূপ।

আত্মাৰ অতৰ্ক মহিমা। আত্মা সম্পৰ্কে অগণন ভাব প্ৰকাশ কৰি অন্ত কৰিব নোৱাৰি। জগত ব্ৰহ্মময়, ব্ৰহ্মজ্ঞান হ'লে,

"ভিদ্যতে হৃদয়গ্ৰন্থিঃ
ছিদ্যন্তে সৰ্ব্বসংশয়াঃ।
ক্ষীয়ন্তে চাস্য কৰ্ম্মাণি
তস্মিন্ দৃষ্টে পৰাবৰে।"

ব্ৰহ্মজ্ঞানৰ অতুল প্ৰভাৱত এটি মাথোন মন্ত্ৰই জগত জুৰিব, মিল ভাব উথলি পৰিব, সেই শুভক্ষণত সংসাৰ পোহৰ হৈ উঠিব। হিংসা দ্বেষ ভাব এৰি, ভিন ভাব এৰি, কৰ্ম্মফললৈ আওকাণ কৰি জগতবাসী আগবাঢ়ি যাব, অগ্নি-পৰীক্ষাত জীৱন গঢ়িত হ'ব। গ্ৰহে উপগ্ৰহে, পৰ্ব্বতৰ গুহাই গুহাই দিশ ভুবনত ধীৰ গম্ভীৰ সুৰেৰে প্ৰতিধ্বনিত হ'ব—

"উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধত।"

উপসংহাৰ।

এতিয়া, আহা চিৰ নবীন! আহা চিৰ-সুমধুৰ! উজ্জ্বল! কোমল! আমি তোমাৰ বিশ্বৰূপ চাই, তোমাৰ চৰণ তলত লুটি খাই পৰি আবেগ-ভৰত গাওঁ—

"য আত্মদা বলদা যস্য বিশ্ব
উপাসতে প্ৰশিষং যস্য দেবাঃ।
যস্য ছায়ামৃতং যস্য মৃত্যুঃ
কস্মৈ দেবায় হবিষা বিধেম॥"

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

---

# মুক্তামালা।

২১। ভৱিষ্যত জীৱনৰ শিক্ষক পৰম।
আছে আৰ কোন গত জীৱনৰ সম॥

২২। অতি সঁচা কথা জানা বেদৰ বচন।
কৰ্ম্মফল অনুযায়ী আমাৰ জীৱন॥
দুষ্কৃতিৰপৰা ভোগে বেজাৰ ও দুখ।
সুকৃতিৰপৰা লভে আনন্দ ও সুখ॥



২৩। আজিৰ দিনটো জানা সৰ্ব্বস্ব তোমাৰ।
শক্তি মতে কৰা তাৰ সজ ব্যৱহাৰ॥

২৪। যি কাল গৈছোতে আমি দিওঁ দলিয়াই।
ওলোটাই অনা তাক কোনো বুধি নাই।

২৫। আৰ্জ্জিছা যি জীৱনত অভিজ্ঞতা-ফল।
কৰা তাক উন্নতিৰ বাটৰ সম্বল॥

২৬। সাজপাৰে মানুহৰ শৰীৰ শুৱায়।
ব্যক্তি ছাটি কিন্তু তাক বান্ধে বন্দী প্ৰায়॥

২৭। কামনাৰ তৃপ্তিত সুখ নাই নাই।
কমোৱা কামনা যদি সুখ মাগে ভাই॥

২৮। যাৰ আছে তেজত ভাঁজ।
তাৰ আছে কিহৰ লাজ॥

২৯। খাবৰ নিমিত্তে নিজি খাবা জীৱনলৈ।

৩০। জয় পৰাজয় দুয়ো চেষ্টাৰ সন্ততি।
চেষ্টাৰ প্ৰকৃতি কিন্তু সদাই উন্নতি॥

৩১। লক্ষ্যহীন জীৱন সদাই দুখময়॥

৩২। বিবেকেই জীৱনৰ গুপ্ত আদালত॥

৩৩। পপীয়াক দণ্ডিবৰ ঈশ্বৰৰ ভাৰ।
মোকে দিছে তুলি ভবা কিনো মূৰ্খ ভাৱ॥

৩৪। নিজ হিত এৰি পৰ হিতক আচৰে।
তেনে মহাপুৰুষকে লোকে পূজা কৰে॥

৩৫। বেয়াৰপৰাই যেনে ভাল বাজ হয়।
অজ্ঞানৰপৰা তেনে জ্ঞানৰ উদয়॥

৩৬। যি মানুহে সিঁচি ফুৰে বেলিৰ পোহৰ।
নেথাকে কদাপি তেওঁ ছায়াৰ ভিতৰ॥

৩৭। যদি হে ৰাখিব খোজা জীয়াই সমাজ।
তেনে নিতে কৰা সকলোৰে হিত কাজ॥

৩৮। যিসকলেই ঈশ্বৰৰ পৈণত ছাত্ৰ।
তেওঁৰে পৰীক্ষা লয় কঠিন পাঠৰ॥
৩৯। সমজুৱা ৰংৰূপ সাদিনতকৈ।
এঘণ্টা নিষ্ঠান কাল যেছি কাতুৰৈ॥
৪০। চিৰিকটিটিকো প্ৰভু আধাৰ যোগায়।
গিবুলি নিদিয়ে কিন্তু বাহতে সুমাই॥
৪১। অৰ্থই সামৰ্থ আনে ই কথা স্বৰূপ।
নিধনো যে কম ৰোগী ইটিও স্বৰূপ॥
৪২। যিসকলেই সজাগৰে থাকে চেপ চাই।
সিসকলেই জীৱনত সাদাই উধায়॥

শ্ৰীহেমচন্দ্ৰ গোস্বামী।

---

# সোণোৱাল জাতি।

সোণোৱাল পৃথক জাতি বুলি কোনো চেন্সচ্ ৰেপৰ্টত উল্লেখ নাই। ইয়াৰ দ্বাৰাই এনে অনুমান কৰিব পাৰি যে, এই জাতিক কছাৰীৰ ভিতৰত সুমুৱাই লোৱা হৈছে। কোনো কোনো লোকে কয় যে, সোণোৱাল পৃথক জাতি নহয়; তেওঁবিলাক কছাৰীয়েই। কেৱল ৰজাৰ দিনত তেওঁবিলাকক সোণ-ধুপা কামত লগোৱা বাবে তেওঁবিলাকে সোণোৱাল নাম পালে। প্ৰকৃততে এওঁবিলাক পূৰ্ব্বৰ কছাৰ হয়নে নহয়, ভাবিবৰ কিছু কাৰণ উপস্থিত হৈছে। দৰং, কামৰূপ, কাছাৰ প্ৰভৃতি দেশৰ কছাৰী, ডিমাছাৰ লগত এওঁবিলাকক ধোলা কিমান সঙ্গত তাক ভাবিব লাগে। কাছাৰৰ ডিমাচা, কামৰূপ দৰং জিলাৰ কছাৰীবিলাকে এতিয়াও মদ, গাহৰি, কুকুৰা খায় আৰু পোহে। সেই বিলাকৰ প্ৰায়খিনিৰ আচাৰ-ব্যৱহাৰ, থকা-মেলা, কাপোৰ-কানি অপৰিষ্কাৰ। সোণোৱালবিলাকৰ আচাৰ-ব্যৱহাৰ, ঘৰ-দুৱাৰ, কাপোৰ-কানি পিন্ধা আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা দেখিলে, এওঁবিলাকক সিবিলাকৰ লগত ধোলা ঘৰ বেঙাৰৰ কথা। এইদৰেও কোনোজনে তৰ্ক কৰিব পাৰে যে, উজনি অঞ্চলৰ কছাৰী



বিলাকে হিন্দু গোঁসাইত শৰণ ভজন লোৱাত তেওঁবিলাকৰ খোৱা লোৱা, কাপোৰ-কানি লোৱা প্ৰভৃতিত উন্নতি আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা হৈছে। কিন্তু এইটো আচৰিত কথা যে, যিবিলাক জাতিয়ে তেওঁবিলাকতকৈ পূৰ্ব্বেই শৰণ ভজন লৈছিল আৰু কি আগৰ যিবিলাকে আৰ্য্য জাতি বুলি পৰিচয় দিয়ে বা যি-বিলাক আগধৰি হিন্দু হল তেওঁবিলাকৰ আচাৰ নীতি, পৰিষ্কাৰ পৰিচ্ছন্নতা এওঁবিলাকতকৈ অধিক কম। এই লেখকে আজি প্ৰায় ১০ বছৰ লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাৰ কলং, গাগলডুবি, হেচামৰা, পথালিপাম, বাটৰলীয়া, মলনিপাম, খোৱাং, সনিয়া, পানীডিহিং, ঘৰবন্দি, আমিৰা, মানকটা, টেঙাখাট, আগুণ, ৰতনপুৰ, জয়পুৰ, ঢলা, প্ৰায় সকলো সোণোৱাল গাওঁ দেখিছে, তেওঁ প্ৰায় কোনো সোণোৱালৰ মতা বা মাইকীক কি ঘৰত কি পথত অপৰিষ্কাৰ কাপোৰ-কানি লোৱা লগা পোৱা নাই। ভাল, আচাৰ, নীতি, সৰলতা, সৎ স্বভাৱৰ নিমিত্তে এওঁবিলাক প্ৰসিদ্ধ। যদি আসামত একতা কোনো জাতিৰ ভিতৰত আছে তেন্তে ডাঠি কব পাৰি যে, এওঁবিলাকৰ ভিতৰতেই আছে। এতেকে এওঁবিলাক যে, পাছত হিন্দু হৈ এনে সৎস্বভাৱী আৰু নীতি আচাৰী হৈছে তেনে বুলিব নোৱাৰি। ইয়াৰ দ্বাৰাই জানিব পাৰি যে, এওঁবিলাক এসময়ত স্বতন্ত্ৰ জাতি আছিল। কিম্বদন্তি আছে যে, এওঁবিলাক আদিত সদিয়াৰ ফালে আছিল। এওঁবিলাক শাক্ত আছিল। তাম্ৰেশ্বৰী দেৱী পূজক থকাই সম্ভৱ। এওঁবিলাকৰ ভিতৰত মানুহক সেই তাম্ৰেশ্বৰী দেৱালয়ত বলি দিছিল। তাৰ এখেল মানুহ দুলীয়াকে আছিল, সিহঁতক ডেকাৰ ঘৰ বুলিছিল। এতিয়াও ডেকা খেলৰ মানুহ আছে। সিহঁতৰ এই এটা ক্ষমতা আছিল যে, যাৰে ছোৱালী সিহঁতে বিয়া কৰিব খোজে, সেই ছোৱালী সেইজন ডেকাক দিবলৈ বাধ্য। কোনো আপত্তি নুশুনিছিল। এওঁবিলাকে পূৰ্ব্বে উত্তৰি লৈ মৰাৰ পিণ্ড দিছিল আৰু ১২ দিনতেই এওঁলোকৰ অশৌচ অন্ত হৈছিল। পিণ্ড-ভাতেৰে দিছিল। এইবিলাক কাৰ্য্যৰ দ্বাৰাই স্বভাৱতঃ জানিব পাৰি যে এই জাতি পৃথক জাতি। সম্ভৱতঃ তেওঁবিলাক এসময়ত ক্ষত্ৰিয় আছিল, পৰশু-ৰামৰ ভয়ত ভাগেমান ক্ষত্ৰিয় পলাই আহি অনাৰ্য্য জাতিৰ ভিতৰত সোমাবহি আৰু সেই অনাৰ্য্য জাতিৰ স্ত্ৰী গ্ৰহণ কৰি তেওঁবিলাকৰ ক্ষত্ৰিয় নাম লোপ পালে। আৰু তাৰ পাছত তেওঁবিলাকক যাৰে যি ইচ্ছা সেই নাম দিলে। সোণোৱালৰ

কুলতিলক শ্ৰীযুত শিৱৰাম মৌজাদাৰ, শ্ৰীযুত হৰিবৰ দাস প্ৰথম শ্ৰেণীৰ পুঃ ইঃ, শ্ৰীযুত বাণাৰাম দাস ফাৰ্ম্ম চুপাৰিন্টেনডেণ্ট প্ৰভৃতিৰ সৎস্বভাৱ, সংউদাৰ আচাৰ ব্যৱহাৰ, ৰীতি, নীতি, পৰিষ্কাৰ, পৰিচ্ছন্নতা প্ৰভৃতি দেখিলে এই জাতিক দৰং কামৰূপৰ কছাৰী আৰু কাছাৰৰ ডিমাচাবিলাকৰ লগত লগ লগোৱা বৰ বেজাৰৰ কথা হয়।

এইবিলাক কথা প্ৰকাশ কৰা এই লোকৰ অভিপ্ৰায় এইয়ে যে, ভৱিষ্যৎ চেন্সচ্‌ কৰিবৰ সময়ত গৱৰ্ণমেণ্টে যেন এইবিলাক কথালৈ অলপ মন কৰে। ২৬।২।১৪।

"চিৰ প্ৰবাসী।"

---

# কৃপাবৰ বৰুৱাৰ সামৰণি।

বাঁহীৰ সম্পাদক দেও,

তোমাৰ নো হৈছে কি হে, তুমি যে ইমানকৈ ধৰ্ম্ম ধৰ্ম্ম কৰি চিঞঁৰি মৰিছা? তুমি বলিয়া হবা লৈ নে কি হে? বাঁহীখনত খালি ধৰ্ম্ম, খালি ধৰ্ম্ম, খালি ধৰ্ম্ম! তুমি পাহৰিছা যে বাঁহী ব্ৰহ্মণীৰ ধৰ্ম্মৰ কাকত "তত্ত্ববোধিনী পত্ৰিকা"ৰ নিচিনা নহয়। তুমি যে ইমানকৈ ধৰ্ম্মৰ ঢোল বজাইছা, তুমি ভাবিছা নে কি যে তুমিয়েই হে ধাৰ্ম্মিকৰ শীৰ্ষ-পাটী আৰু আনবোৰ একেবাৰেই অধাৰ্ম্মিকৰ কোট্‌ কোৰা-কাইট? ফোঁপোলা নহলে ঢোল নাবাজে তুমি জানা নে? মূলা মাটিৰ তলত হে বাঢ়ে, আৰু ঢোল বাহিৰত হে বাজে। আৰু তোমাক আমি নিচিনো হবলা? মূৰত টিকনিৰ কণ মৰিল; ভৰি ঠেঙাই ঢাকিলে; গা কোটে, ডিঙি টাই-টনাই, মূৰ চাহাবী টুপিৰ আগিয়ে আৱৰি ধৰেছে; মেজত আহাৰ, হোটেলত বিহাৰ, আৰু তুমি হলা ধৰ্ম্মৰ ধ্বজা-বাহা, আৰু আমি হলোঁ অধাৰ্ম্মিকৰ চূড়ামণি! শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱৰ কথা তুমি আমাৰ কানৰ কণামূৰ কৰি তোমাকে সবাৰ লাগিছা। আমাৰ শঙ্কৰদেৱ আমাৰ দামোদৰদেৱ আজি চাৰি পাঁচশ বছৰ আমাৰ মাজতে আছে, তেওঁলোকক আমি চিনি নেপালোঁ আৰু তুমিহে কলিকতাত থাকি বৰপেট জোকাৰি টিলিকি বজাই আমাক তেওঁলোকক চিনাবলৈ আহিছা? তুমি যেনেকৈ চেঁকেউ-কেঁকেউ কৰি আছা, ঠিক একো একোবাৰ আমাৰ মনত খেলায় যে, হয় তোমাৰ ঘৰৰ পানীপাচত



জুই লাগিল, নহয় তুমি ভঁৰালৰপৰা ধানৰ ডাঙৰি উলিয়াই দিবলৈ যাওঁতে তোমাক বৰলে কামুৰিলে।

তুমি আমাৰ গোসাঁই মহন্ত ভকত সকলোকে গালি-শপনি পাৰি দেশত সিহঁতকৈয়ে স্থলস্থূল লগাব লাগিছা নো কিয় হে? এনেবোৰ কথা ভাল নহয় একা। এবাৰ তুমি সামৰিক-আসামৰ মাত লৈ যিহকে মন যায় তাকে বাঁহীত লেখি দেশত তল-ওপৰ লগালা, যত অনৰ্থ তোমাকে কৰিলা; তাৰ জীন আজিলৈকে মৰা নাই; সেই খণ্ডতে আজিও আমাৰ প্ৰধান প্ৰধান লেখকসকলে চকুক ইহঁতনমলৈ পৰিত্যাগ কৰি চপুলে চাবলৈ ধৰিছে, মহৰ গাখীৰ গাৰ্ড়াত এৰি দি গৈ মুইহঁত গাখীৰত ধৰিছে, পুৰণি ভাষা শিকিবলৈ কুটা ডিঙি এৰি ন মাত লোকক শিকাইছে, আৰু সেই মাতে উদ্ভালি কৰি তেওঁলোকক উদাই লৈ গৈ যেতিয়া বগৰিজ্ঞত পেলাই দিলে তেতিয়া তেওঁলোকে আনপৰা কানা মুইহঁত শিতত ভৰি দি নামি আহি পুৰণি ভূমি আই-মাতৃত ভৰি দিছে। আৰু দাৰ ওপৰত বিহ-কোৱা:—আঠুৱাৰ তলত সোমোৱাওঁ বুলি প্ৰতিজ্ঞা কৰি সেই খণ্ডতে তেওঁলোকে কটা মৰিব ভৰি তাৰ তলত ওই দেশৰ মানে বোন্দা-মহৰ কামোৰ খন খাই মেলেৰিয়া জ্বৰত তুমি মৰিব লাগিছে, তথাপি তোমাৰ আক্কেল নহল।

দেশত ইমানবিলাক কথা লেখিবলৈ আছে, তুমি সেইবোৰ লেখিবলৈ বিচাৰি নোপোৱা হবলা? তুমি বেয়া নেপাবা দেই, তোমাক শোধোঁ চোন কোৱাঁ, তুমি অন্ধ নে কন্ধ? অন্ধৰ চকু নাই, কন্ধৰ মুখ নাই। আৰু তোমাৰো এই দুটাৰ এটাও থকা যেন নালাগে।

আজিকালি আসাম দেশত কাঁহচাপি সভা হৈছে, তাৰ বিষয়ে লেখোঁগ এটা কথাও তুমি লেখা আমি দেখা নাই। তুমি কবা হয়তো, politics ৰাজনীতিৰ সম্বন্ধে কথা তুমি তোমাৰ কাকতত লেখা নিয়ম বিৰুদ্ধ। কিন্তু আমাৰ দেশৰ ডাঙৰীয়াসকলৰ ভু-বাতৰি তোমাৰ কাকতত ওলালেও কিবা তোমাৰ কাকত ছুৱা যাব নে? ইয়াৰ ভিতৰতে কেইজন মেম্বৰৰ পানীলগা জ্বৰ হৈ গল, কেইজনৰ পেটত আমাশয় কৰি থাকে, কেইজনৰ কীয়েক আইদেৱ বোপাদেৱৰ নিয়া হৈ গল বা যাওঁ যাওঁ হৈছে, তাৰ বিষয়ে তোমাৰ কাগৰ আগেদি ওলালে কাগৰ দেখোন জাত যাব নেপায়। সিদিনা এজন মেম্বৰ এখৰ গাড়ীত

উঠি গৈছিল! কবলৈ আৰম্ভ কৰা গদি যায়, বাটতে গাড়ীৰ চকৰি ভাগি তেওঁৰ মাটিত ভুমুকি মাৰি পৰিল! তেওঁতে তেওঁৰ প্ৰাইভেট চেক্ৰেটৰীৰ নামে না হওঁতে তেওঁৰ ঘৰলৈ টেলিগ্ৰাফ কৰালে,—"Great accident, fallen from Bullock cart, got damaged all the body; infrom public." "দেশৰ দুৰ্দশাৰ এনেকৈ খবৰও তোমাৰ কাৰণত আমি নেদেখিলোঁ।! অথচ দেশত হুলস্থুল! আৰু এটা উদাহৰণ দিওঁ তোমাৰ কাণ আছে যদি শুনা। এজন দেশৰ ডাক-আগ্ৰাওত "কোট হাজিৰি" দাবলৈ বাহীতে খানচামাই অৰ্থাৎ কণী নভম্বটেবৰে গোট কণীটো গোটে গোটে কণীৰ বাটিত তুলি তেওঁৰ আগত দিছিল। তেওঁতে আগ দিনা সভাত ৰাজনীতিৰ কেওঁআৰলৰা ভোটা প্ৰশ্নৰ দুখ কাটিছিল, সেই দিনিয়ে সেই দুখাও তেওঁৰ মুখতো উপত হৈ আছিল। কণী তেওঁ কৰবাত আমি তেওঁৰ আগত দেখাৰতে, খওে তেওঁৰ মুখৰ চুলিৰ আগ পাকেলে। (পাৰ দেখায় ভালো?) তেওঁতে দমুখমাত উঠি খানচামাক ওনালে "এইটা কৰকে আঠা নাহে হামনু দিয়া?" খানচামাই কলে "হুজুৰ এইটা সেলেমু তোমাৰ জাত।" এই কথা শুনি তেওঁতে আহাৰ খোৱাৰ চাল [illegible] [illegible] [illegible] তোমাৰ মত নযায়? ইয়াতে চুটকা ৰূপ দি তোমাৰ কাকত অসনী। মানুহে মন পাৱে, নকলে তোমাৰ "খোঁচা" হয়। শুনিছোঁ তোমাৰ কাকতৰ গ্ৰাহকৰ চাৰি শ জনে তোমাৰ কাকত এৰিলে। বাকী দেৱাৰিলাকেও কি গুণত দাঁত ওলাই আছে কব নোৱাৰিলোঁ,—তেওঁলোকৰ, হয়, তোমাৰ দিহিনা দুৰ্ভাগ্যৰ দুখাভাগ কিলে খাই উটুটনীয়া হৈ আছে, নহয়, তেওঁলোকৰ বুদ্ধিৰ ঢুকা উদ।

আৰু কেতিয়াৰ কিমান বিষয় আছে তাক কি কবা। তোমাৰ বাঁহীৰ ৫ বছৰ হল, আমাৰ অসচ্চৰিত্ৰ দেশীয়কে এই পাঁচ বছৰত পাঁচোটা সভালৰা পালে,—অৱশ্যে ক্ৰমান্বয়ে;—তাৰ এটাৰ কথাও দেখোন তোমাৰ কাকতত উঠিল? ইয়াৰ মানে? আমাৰ উজ্জ্বল বস্তু "বাইচ্‌মেনৰ" নামেকে দুৰ্দ্দশাগ্ৰস্ত কোনো পৰ দীঘাৰ চমন পদাৰ্থৰ মাজতে আছে তেৰাং তেওঁক শমনে পালে



তেনে ঘটনা ঘটাত আমাৰ "বাইচ্‌মেনৰ" কত আন্দোলন, কত সেজাই। দেশৰ কত গণ্য মান্য লোকে কান-সংলগ্নীয়া শোক প্ৰকাশ কৰি সেই আন্দোলনত যোগ দিলে; তথাপি তোমাৰ সাৰ-শব্দ নাই, 'যদীন দিনাত দিলা দিতাক যথং' যেন হৈ তুমি শুই থাকিলা; তেওঁৰ শোকত তোমাৰ শোক যোগ দি তেওঁৰ কৰা দূৰত থাওক তুমি বিয়োগ কৰি "কটা" হৈ কৰিলা আৰু তেওঁৰ পিছ কৰৰ জীৱন চৰিত্ৰ যে তোমাৰ কাকতত নোলালেই, দূৰৰণৰা তুমি কিচকাহিটিং হে কৰিলা! এনেকোৱা তোমাৰ দস্তুৰ! এনেকুৱা তুমি! তোমাক আকৌ বাইচৰ সহানুভূতি লাগে? মোৰ মনেৰে সহানুভূতিৰ বদলি তোমালৈ অসমীয়া বাইজে তেমাঁঠোৰা এটি বড়িয়াকৈ চাচি-কাটি পঠিয়াই দিলে হে ঠিক হব।

আৰু কত খবৰ। কত খবৰ! বিচাৰিলেই পোৱা যায়। কোনো হে ভাবক ভাই, ভাবিলে হে খবৰ-বাতৰি পায়। সিদিনা কেম্পাঙ্গত চোৰে সিন্ধি দিছিল, তাৰ খবৰ তোমাৰ কাকতত নাই। আৰু নাথাকেও, দেখিলোঁ তৰি বাঁহী কাকতৰ গ্ৰাহকে বাঁহীৰ কাকতত সিদ্ধি দি এৰাবখন বাঁহী উলিয়াই নলয়। শুনিছো, অনেকে সেইদৰে আনিছে; গতিকে এইবাৰ তোমাৰ চেতন হলেও হব পাৰে। দেশত কত ডাঙৰ মানুহৰ দল আহিল আহিছে, সেইবোৰৰ খবৰ তু তোমাৰ কাকতত নাই, আজি তিনি-চাৰি শ বছৰীয়া পুৰণি পাগ-মিঠে খাই গাওঁৰ খোৱা উৰাগাৰ ভকতৰ খবৰ কবা!

এতেকে তোমাক কি কবিম কি নকবিম, মই বিতুষ্টিত পৰিছো। কিন্তু এটা কথা ঠিক, ইয়ানতো যদি তুমি আমাৰ কথামতে নচলা, তেন্তে তোমাক দৰি খোৱা এটাও খুঁজাই দৈ দৈ দিয়াগো মোগলি ঘৰত সোমাই দৈ কাহিন লে। তেতিয়া বন-মোনা হৈ বনে বনে ঘুৰা, অথবা বিৰাজ-তপস্বী হৈ বৃন্দাবনৰ নগা পিতি কোঁট দেখা দৈ বৃন্দাবনলৈ যোৱা যোৱা, আমাৰ হানি নাই।

শ্ৰীদুৰ্গাৰৰ।

---

# গুটিদিয়েক চিন্তাৰ ঢৌ।

( ২০ )

আন এটি প্ৰকৃতিৰ বিধান দেখা যায় যে জীব-জগতৰ খোৱা বস্তু কি তাক দৰ্ক বিচাৰ কৰি দেখিলে জীৱ বা জীৱবৰণৰা উৎপন্ন হোৱা বস্তুতকৈ আন একো

নাই। চেতনে চেতনকেই বা তাৰপৰা উৎপন্ন হোৱা বস্তুকেই হে আহাৰ কৰে। শৰীৰ থোৱা প্ৰাণী মাত্ৰকেই প্ৰাণীৰ সত (শৰীৰ) খাই গুৰিতে জীয়াই থাকে। যি নিৰামিষ খায় তলকি দেখিলে, আন প্ৰকাৰে সিও সামিষকেই খায়। পৃথিবীত মঙহ খোৱা বাঁহ খোৱা দুবিধ জন্তু বাস কৰে। দেখিবলৈ গলে যি জন্তুৱে বাঁহ খায় সিও জীৱকেই আহাৰ কৰে। কোনো কোনো জন্তুৱে বাঁহ-ফল মূল আৰু মঙহ দুই বিধকেই আহাৰ কৰে। মানুহো সেই দুই বিধ আহাৰী Omnivorous জন্তু। মঙহ খাই যিবিলাক জীৱ জন্তু জীয়াই থাকে সেইবিলাকেই হিংস্ৰক জন্তু। দেখা যায় মঙহ খোৱা জন্তু বিলাকেই জন্তুৰ দেশৰ ৰজা। সিহঁত বৰ বলী আৰু প্ৰতাপী, কিন্তু সিহঁত প্ৰাণী-জগতৰ ধ্বংসৰ কাৰণ। উভ-আহাৰী জন্তুৰ প্ৰকৃতি পঢ়ি চালে ইয়াকেই দেখা যায় যে সিহঁতে প্ৰাণী হিংসা কৰিবলৈ বৰকৈ বিচাৰ কৰি নুফুৰে আৰু চলত পালেও নেৰে। মানুহৰ ভিতৰত দেখা যায় যিবিলাক মানুহে বেছিকৈ মঙহ খায় সেইবিলাক প্ৰায় বৰ সাহসী আৰু যুদ্ধপ্ৰিয়। এই ভাৰতবৰ্ষত ৰাজপাটত বহা জাতিবিলাকৰ গুৰিৰেপৰা তেওঁবিলাকৰ বুৰঞ্জী পিটিকি পঢ়ি চালে দেখা যায় সকলোবিলাকেই মঙহ খোৱা জাতি। ভাৰতৰ হিন্দু আৰ্য্য বিলাক মুচলমান ইংৰাজৰ দৰে মঙহ খোৱা জাতি আছিল। বৰ্ত্তমান সভ্য জগতৰ ফালে চাই পঠালেও আজিকালি দিনৰ যিবিলাক জ্ঞানে বলে বীৰ্য্যে ধনে মানে সভ্য জাতি সকলোবিলাকেই মঙহ খোৱা বা সামিষ আহাৰী জাতি। আগৰপৰা গুৰিলৈ বিচাৰ কৰি দেখিলে সামিষ আহাৰেই হে গীতাৰ ৰাজসিক আহাৰ। এই ৰাজসিক আহাৰেই হৈছে ক্ষত্ৰিয়ৰ আহাৰ। এই ৰাজসিক আহাৰকেই তন্ত্ৰশাস্ত্ৰ মতে তান্ত্ৰিক আহাৰ বোলা যায়। তান্ত্ৰিক আহাৰে যেই সেই মানুহক বা জাতিক শাক্ত কৰে। কোনো জাতি যদি শক্তিমন্ত বা শাক্ত নহয়, সাত্ত্বিক আহাৰ খাই কেৱল বৈষ্ণৱ বা সন্ন্যাসী হৈ পৰে সেই জাতিক আন শাক্ত জাতিয়ে অধীন কৰি ৰখাটো অনিবাৰ্য্য। এতিয়াও দেখি আছোঁ সন্ন্যাসীৰ বা সংসাৰক অসাৰ মানি নিৰ্ব্বাণ মুক্তিৰ বাটৰ সিপুৰীলৈ মুকলি কৰাৰ অৰ্থে ভিক্ষাৰী হৈ তপস্যা কৰাকেই সাৰ মত জনা জাতিৰ অধঃপতন জলজলীয়াকৈ ওলাই আছে। ভাৰত মহাৰাজ্যৰ হিন্দুবিলাকে, কৰিয়া দেশৰ আৰু তিব্বতৰ লামা সকলেই তাৰ প্ৰমাণ দেখুৱাই আছে। ঈশ্বৰৰ এনে



বিধান মানি চলিবলৈ হলে যি কোনো জাতিয়েই শাক্ত আৰু বৈষ্ণৱ দুইটি গুণকেই একেলগে মিলাই জোখত ৰখা বৰকৈ প্ৰয়োজন যে তাক কোনে ভুল বলিব পাৰে? প্ৰকৃত শক্তি পূজা কৰি সেইটি জাতিয়েই শাক্ত হয় যিটি জাতিয়ে ভিতৰৰ বাহিৰৰ দুই ফালৰ শত্ৰুকেই দমিব পাৰে। শাক্ত আৰু বৈষ্ণৱ দুয়ো এক। শক্তিক মেলিব পৰা আৰু সামৰিব পৰা দুইও পিনে যি মানুহ বা জাতি সমৰ্থবান হয় সেই মানুহ বা জাতিয়েই হে ঘোৰ শাক্ত। আগেয়ে বামুণৰ গাত ভাৰতবৰ্ষৰ আৰ্য্যজাতিৰ ভিতৰত দুইটি গুণ থকা গতিকে তেওঁবিলাক বৰ পূজনীয় আছিল। শাক্ত আৰ বৈষ্ণৱ দুইটি গুণকেই বামুণে সমানভাৱে ৰখা বলকেই ব্ৰহ্মতেজ বোলে। ভাৰতৰ আৰ্য্যজাতি বামুণৰ গাত যেতিয়া এই ব্ৰহ্মতেজ ফুটি উঠিছিল মুঠতে কবলৈ গলে যেতিয়া বামুণ এপোনে মহা যোগী, মহা তপস্বী, মহা দাৰ্শনিক আৰু জ্ঞানত ত্ৰিকালজ্ঞ আছিল, আন পিনে, সেই কালত স্বাৰ্থবিহীন ঘোৰসংসাৰী আছিল। নিজ দেশক আৰু জাতিক সেৱা কৰাই বামুণৰ ৰাই ধৰ্ম্ম আছিল। নিজ দেশৰ স্বাধীনতা দৈত্য দানৱৰ হাতৰপৰা ৰক্ষা কৰাৰ অৰ্থে দধিচি ঋষিয়ে নিজৰ প্ৰাণকেই তুচ্ছ কৰি অস্ত্ৰ নিৰ্ম্মাণৰ কাৰণে নিজ অস্থিকেই দান কৰিছিল। দেশৰ নিমিত্তে জাতিৰ নিমিত্তে জীৱনক ত্যাগ কৰাৰ কি মূল্য তাক চামুৰাই বংশী জাপানীবিলাকৰ দৰে তেতিয়াৰ দিনত আৰ্য্য বামুণবিলাকে ভালদৰে বুজিছিল। সত্ত্বঃ ৰজঃ অৰ্থাৎ সৃষ্টি স্থিতি দুই গুণ জোখমতে সমানভাৱে একে লগে তেতিয়াৰ দিনত বামুণৰ গাত আছিল, এই কাৰণে বামুণে আৰ্য্য জাতিৰ ভিতৰত শ্ৰেষ্ঠতা লাভ কৰিছিল। বামুণে গঢ়িব আৰু পালিব দুইটি কামকেই কৰিব পৰাৰ কাৰণে তেওঁৰ জীৱনৰ মূল উদ্দেশ্য আছিল পৰৰ উপকাৰৰ নিমিত্তে জীয়াই থকা, Live for others; কিন্তু আজিকালি ভাৰতৰ সেই বামুণ শুচি ধৰ্ম্মৰ দোকানী বামুণ হল। যি বামুণ এদিন ভাৰতত যোগত মহাযোগী, তপস্যাত মহা তপস্বী, যাৰ গাত দয়া ক্ষমা প্ৰেম ভক্তি এই চতুৰ্বিধ গুণ ভূষণ আছিল। আন পিনে স্বদেশৰ কল্যাণৰ অৰ্থে স্বজাতিৰ মান গৌৰৱ ৰক্ষাৰ নিমিত্তে বামুণ মহা যোদ্ধা আৰু অমোঘ ব্ৰহ্মাস্ত্ৰৰ উদ্ভাৱনকৰ্ত্তা আছিল। কিন্তু বামুণ এনে মহা যোদ্ধা বীৰ হোৱা থলতো বামুণৰ এটি মহৎ গুণ আছিল যে বামুণ কেতিয়াও ৰাজ বিদ্ৰোহী নাছিল। বামুণ পৰম ৰাজভক্ত আছিল আৰু বামুণে ভাৰতবাসীক শিক্ষা

দিছিল যে "দশ বিপ্ৰো সমোৰাজা"। ভাৰতবাসীসকলৰ ৰাজভক্তি এটি হিন্দুধৰ্ম্মৰ অঙ্গ। আৰ্য্য বামুণ আদি জাতিবিলাকে দেশৰ বা ৰাজ্যৰ লোভৰ কাৰণে কেতিয়াও যুদ্ধ নকৰিছিল, তেওঁবিলাকে যুদ্ধ কৰিছিল কেতিয়া। যেতিয়া দস্যু বা তস্কৰবিলাকে উপদ্ৰৱ কৰিছিল, তেওঁবিলাকে যুদ্ধ কৰিছিল কেতিয়া, যেতিয়া নিজৰ কি স্বজাতি স্বদেশৰ স্বাধীনতা পৰে হৰণ কৰিব খুজিছিল। আৰু তেওঁবিলাকে যুদ্ধ কৰিছিল কেতিয়া, যেতিয়া আনে নিজক অপমান কৰিছিল। অপমান সহাতকৈ মৰি যোৱাও ভাল এইদৰেই ভাৰতীয় আৰ্য্যসকলৰ আহি আছিল। এই কথাৰ এটি উপমা দেৱীভাগৱত পুৰাণৰপৰা দিওঁ। সত্য যুগত যেতিয়া নৰনাৰায়ণ দুইজন মহাঋষিয়ে কৌশিকীনৈৰ পাৰত বহি তপস্যা কৰিছিল এনেতে দৈত্যকুলৰ তিলক প্ৰহ্লাদে দিগ্বিজয় কৰিবলৈ ফুৰোঁতে সেই ঠাইত দেখিলে যে দুজন ঋষিয়ে তপস্যা কৰি আছে। নৈৰ কাষৰত ঋষি দুজনে তপস্যা কৰিছে হয় কিন্তু ওচৰতে যুদ্ধৰ অস্ত্ৰ আৰু নানাতৰহৰ ধনুশৰ ৰাখি থৈছে। প্ৰহ্লাদে যুদ্ধ অস্ত্ৰ আদি ৰণৰ সাজ আৰু ঋষি দুজন দেখি মনে মনে ভাবিলে যে তেওঁলোক দুজন ঋষি (বামুণ) নিশ্চয় নহয়। তেওঁলোক ভণ্ডবেশী কোনো বীৰ, ভণ্ডামী কৰি তপস্যাত বহিছে। ইয়াকে দেখি প্ৰহ্লাদে তেওঁলোকক মুখ ফুটাই সুধিলে যে তেওঁলোক তপস্বী ঋষি নে ভণ্ড? বামুণ হৈ ক্ষত্ৰিয় বাহ্যাৰ তেওঁলোকৰ কিয়? প্ৰহ্লাদৰ এনে কথা শুনি ঋষি দুজনে উত্তৰ দিলে যে প্ৰহ্লাদে বামুণ কাক বোলে তাক নাজানে। তেওঁলোকে তপস্যা কৰি ঈশ্বৰ-ভাৱত যেনে মগ্ন হব পাৰে আন দিনে ক্ষত্ৰিয় সাজেৰে সাজি যুদ্ধ কৰি বীৰত্ব দেখাবও পাৰে, এই কথা কৈ প্ৰহ্লাদে যে তেওঁলোকক ভণ্ড বুলি অপমান কৰিলে তাতে খং উঠি তেতিয়াই যুদ্ধৰ সাজ পিন্ধি অস্ত্ৰশস্ত্ৰ হাতত লৈ প্ৰহ্লাদেৰে সৈতে ঘোৰতৰ ৰণ কৰি তেওঁক যুদ্ধত পৰাস্ত কৰিলে। এইদৰেই সত্যৰ দিনৰ বামুণৰ আহি, ইয়াকেই বোলে ব্ৰহ্মতেজ। বামুণ যেনে বৈষ্ণৱ তেনে শাক্তও আছিল। আৰু যোগ তপস্যাৰ বেলা দেহ-ইন্দ্ৰিয়খিনি স্থিৰভাৱে চলোৱাৰ কাৰণে সাত্ত্বিক আহাৰ (কাঠৰ এশাৰ) যোগাইছিল আৰু সংসাৰৰ কাৰ্য্যৰ বেলা তাত টান কৰ্ম্মলাৰ অৰ্থাৎ ৰাজসিক বা তান্ত্ৰিক আহাৰ যোগাইছিল।



শ্ৰীৰামচন্দ্ৰই হৰধনুভঙ্গ কৰাত যেতিয়া ৰাজৰ্ষি জনকে তেওঁৰে সৈতে জানকীৰ বিয়া পাতিছিল তেতিয়া পৰশুৰামে হৰধনু ভঙ্গ হোৱা খবৰ পাই তাতে অপমান বোধ কৰি নিজে তাক দেখাৰ কাৰণে জনক ৰজাৰ সভাত উপস্থিত হৈছিল, তেতিয়া বশিষ্ঠ ঋষিয়ে পৰশুৰামক আলহ-উদহকৈ অতিথি সোধাৰ ভাবেৰে খাবলৈ মাতি কৈছিল "আগভ্যতে বৎসতৰী সৰ্পিষ্মৎ চ পচ্যতে ক্ষত্ৰিয়ঃ ক্ষত্ৰিয়গৃহমাগতোসি যুধ স্বনঃ"। দুই তিনি বছৰীয়া গৰু পোৱালিটিক বৎসতৰী বোলে। ইয়াৰ অৰ্থ এই যে, পৰশুৰাম তুমি এতিয়া ক্ষত্ৰিয় হৈ ক্ষত্ৰিয়ৰ ঘৰলৈ আহিছা, বৎসতৰী এটি মৰা হৈছে, ঘিউৰে ভাত পাক কৰা হৈছে (অৰ্থাৎ পোলাও ৰন্ধন হৈছে) এতেকে আহাৰ কৰা। গো-হত্যা মহাপাপ, হিন্দু মুনি ঋষিবিলাকেই অনেক দিন জ্ঞানেৰে মথি মথি গো-মাংস ভক্ষণ নিষেধ কৰিছে, এতেকে পাঠক পাঠিকাসকলে গোমাংস ভক্ষণ মই ইয়াৰ দ্বাৰাই পোষকতা কৰিছোঁ বুলি নাভাবিব; কিন্তু বিলাত ফুৰা শিক্ষিত ডেকাবিলাকৰ ভিতৰৰ কোনো কোনোৱে যদি তাক তাত খাইছিল আৰু এতিয়া ইয়ালৈ আহি তাক এৰিছে তেনেহলে তাৰ দ্বাৰাই তেওঁবিলাকৰ জাত যোৱা নাই, তেওঁবিলাক হিন্দুও গুচা নাই। সূক্ষ্মকৈ দেখিবলৈ গলে পৰোক্ষভাৱে আমি গৰু নাখাওঁ মগাৰ খাই আছোঁ। আন কথা কি ভাল দৰে ভলকি দেখিলে আমি নাখাওঁনো কি? মানুহে যি মলমূত্ৰ ত্যাগ কৰে অপৰোক্ষভাৱে উলটি তাকেই খায়। গৰু মহ পৰোক্ষভাৱে নাখালেও তাৰ গাখীৰ বিউ ধোৱাত অপৰোক্ষভাৱে তাকেই খোৱা হৈছে। মনুহৰ মলমূত্ৰ মাটিত পচি সাৰ হৈ তাতে শাক পাত বা ধান মাহ জন্মি উলটি মানুহৰ পেটলৈ গৈছে। গধুৰকৈ ভাবি দেখিলে অপৰোক্ষভাৱে মানুহেই মানুহক খাই বাচিছে। পোনতে জন্মিয়েই মাতৃৰ মত খাই ডাঙৰ হৈছোঁহক। ঈশ্বৰৰ আচৰিত কৌশল যে মানুহে প্ৰতিমুহূৰ্ত্তেই নিজকে নিজে খাই জীয়াই আছে। এই মুহূৰ্ত্তই যদি মুখৰ লেপ বা থুই বাহিৰ ভিতৰ কৰি গিলি খাই থাকিবলৈ নাপাওঁ তেনেহলে তৎক্ষণাৎ মৃত্যু। এই গতিকে আধ্যাত্মিক চকুৰে মথি চালে মূঠতে ব্ৰহ্মই ব্ৰহ্মকেই আহাৰ কৰি লীলা কৰি খেলি আছে মাত্ৰ। তেনেহলে মানুহে নো খায় কি? এদিনে দেখা যায় "মৎস্যাদ সৰ্ব্বভক্ষাদ" মাছ খালে সকলোকে খোৱা হয়, কাৰণ মাছেনো না-

খায় কি? এইবিলাক কথা গমিপিটিক দেখিলে মানুহে খোৱাক লৈ যে মানুহক মানুহে ঘিণ কৰা আৰু জাতকুলৰপৰা যে অতঁৰোৱা হয়, এই কামৰ সমান অদ্ভুত কাম একো নাই। যাক, আমি নিৰামিষ আহাৰ বা খাদ্য বোলোঁ সিও একপক্ষে সামিষেই হে। যি স্থলত চেতনে চেতনক নোখোৱাকৈ থাকিব নোৱাৰে তেনেহলে জীৱই জীৱক খোৱা প্ৰকৃতিৰ বিধান। যদি যেনে খোৱাৰ প্ৰবৃত্তি থাওক তাৰবাবে আমি মানুহক ঘিণ কৰি জাত কুলৰপৰা খেদাওঁ কিয়? এজন মুচলমান বন্ধু বা ইংৰাজ বা জাপানী বন্ধু এজনৰ লগত এছৰ গলেনলে লগা, সেই মুচলমান বন্ধুজনে নিজনক তেওঁৰ নিজৰ খোৱা বাকি থাকিলে মতাত তেওঁ লৈ খালে ভাত তেওঁৰ জাত যায় কিয়? যদি মুচলমানৰ ঘৰত বা হাতে খোৱাত জাত যায় তেনে হলে মাছ মঙহ খোৱা মানুহৰ হাতে বা ঘৰত খালে নিৰামিষ খোৱা মানুহৰো জাত যাব লাগে। মুচলমানে খোৱা বস্তুক আমি যি চকুৰে দেখোঁ এজন নিৰামিষাশীয়েও সামিষ বিলাকক সেই চকুৰেই দেখে। এই পৃথিৱীত সভ্য অসভ্য দুবিধ মানুহে বাস কৰে। আদিতে সকলো মানুহেই যে অসভ্য আছিল তাক মানৱ জাতিৰ ইতিহাসেই প্ৰমাণ কৰে। কি চেতন কি জড় দুইখনি জগতেই ক্ৰমবিকাশ নিয়মৰ অধীন, এই নিমিত্তে যেতিয়া মানুহ লাহে লাহে সভ্য হৈ পৰে তেতিয়া তেওঁ অসভ্য আচৰণ লাহে লাহে এৰি পেলায়। ভাল বা পৰিষ্কাৰৰূপে নানা তৰহৰ বস্তুক ৰান্ধি সুখাদ্য কৰি খোৱা, সুন্দৰ ঘৰ কৰি থকা আৰু নানা তৰহৰ নিকা সাজ কাপোৰ পিন্ধা আৰু জ্ঞান-ৰাজ্য বিচাৰি নিজক জ্ঞানৰ আৰ্হিত বা ছুঁচত তোলা কামবিলাককেই মুঠতে সভ্য আচৰণ বোলে। সভ্য জাতিৰ লগত খোৱা পিয়া বৰ্ত্তমান ভ্ৰষ্ট হিন্দু আৰ্য্যবিলাকক এৰি পৃথিৱীৰ সকলো সভ্য জাতিয়েই কৰে, অসভ্যবিলাকে অপৰিষ্কাৰ খোৱা অপৰিষ্কাৰ থকাৰ বাবে সভ্য মানুহে সিহঁতক শিকাই বুজাই নিজ ফুটত তুলি লব নোৱাৰা পৰ্য্যন্ত সিহঁতৰ লগত ব্যৱহাৰ নকৰে। কিন্তু সিহঁত ঘৰত সোমালেই পানী ছুৱা হোৱাৰ বাবে তাক দলিয়াই পেলোৱা, সিহঁতক ছুলেই গা ধোৱা, ঘৰত সিহঁত সোমালেই ঘৰৰো প্ৰায় জাত নাশ হোৱা এনেবিলাক নিয়ম কেৱল ভাৰতৰ বৰ্ত্তমান হিন্দুবিলাকৰ দৰে জগতৰ কোনো সভ্য জাতিৰেই নাই। এই কথা খিনি লিখোঁতে লিখোঁতে মোৰ কথা এটি মনত পৰিল। আজি ভালেমান



দিন হল এদিন মই সপোন এটি দেখিছিলোঁ। মই যেন ব্ৰহ্মাৰ সভাতে বহি আছিলোঁ, এনেতে মাটিকলহ, পানী আৰু চাউল এই তিনিউটি লৈ ব্ৰহ্মাৰ সভাত উপস্থিত হলহি। তেতিয়া তিনিউটিয়ে হাত যোৰকৈ ব্ৰহ্মাক এই দৰে কবলৈ ধৰিলে "হে পিতামহ, আপুনি প্ৰাণীসকলৰ উপকাৰৰ অৰ্থে আমাক সৃজন কৰিছে; কিন্তু বৰ বেজাৰৰ কথা, ভাৰতবৰ্ষৰ হিন্দুবিলাকৰ ভিতৰৰ বামুণকে মুখ্য কৰি সকলোৱে আমাকে লৈ ইটি-সিটিৰ ভিতৰত ঘিণ বিদ্বেষ হিংসা এইবিলাক কৰি হাইউৰুমি লগাই ভাগ ভাগ হৈ থাকে। অতীতত আৰ্য্যবিলাকৰ ভিতৰত তেনে হোৱা দেখা নাছিলোঁ; এতিয়া নো ইয়াৰ কাৰণ কি? এনেতে মাটিকলহে অকলৈ গোচৰ জনালে, প্ৰভু, মোক কুমাৰে ভৰিৰে থচকি খচকি তুলাতুল কৰি চাকত পেলাই গঢ়িলে, তাৰ পিছে পাগহালীত দি জুইত পুৰি উলিয়ালে। যেতিয়া কুমাৰে মোক পাগহালীৰপৰা উলিয়াই মোক আন কলহবিলাৰৰে সৈতে একে লগে দমাই ৰাখে তেতিয়া আমাক সকলো জাতৰ মানুহে টুকুৰিয়াই টুকুৰিয়াই চাই যি যিটি ভাল পায় তাক কিনি লৈ গুচি যায়, সেই সময়ত আমাৰ কাৰো জাত নাযায়; কিন্তু যেতিয়া পানী আহি আমাৰ পেটত সোমায় তেতিয়া আমাৰ জাত যায়, ইনো কি কথা? পানীয়ে কলে যে এইটি জগৰ তেওঁৰ নহয়, কিয়নো তেওঁ যেতিয়া নৈ বা পুখুৰীত থাকে সেই বেলা সদৌ জাতীয় মানুহে তেওঁতেই গা ধোৱে, মুখ কুলকুলাই তেওঁক তাতেই পেলায়, কাপোৰ ধোৱে আৰু আন আন অপকাম কৰে, তেতিয়া তেওঁৰ জাত নাযায়; কিন্তু মাটিকলহে তেওঁক তাৰ পেটৰ ভিতৰ সুমাই তেওঁৰ জাত মাৰে। চাউলে কবলৈ ধৰিলে যে, যেতিয়া তেওঁৰ গাত বাকলি থাকি তেওঁ ধান নাম পাইছিল, আৰু তেওঁক যেই সেই জাতৰ মানুহে যেনে তেনে চক কেৰাহিত ভেট্‌ভেটীয়াকৈ সিজাই, ৰদত দি শুকুৱাই, ঢেকী বা উৰালত খুন্দি দোকান বজাৰত বেচে তেতিয়া তেওঁৰ জাত সুওচে; কিন্তু বৰ দুখৰ কথা জুইয়ে তেওঁৰ জাত মাৰে। জুইয়ে মনে মনে এই বিলাক কথা শুনি আছিল। এতিয়া মাত লগালে—"চাউলে যি কথা কৈছে সেটেইখিনি বংদিয়া কথা, তেওঁ চাউলৰ জাত কেনেকৈ মাৰিলে? চক আৰু পানী এই কথাৰ দুয়ো জগৰীয়া, কিয়নো চক পানী গৰ্ভত লৈ মোৰ ওপৰত যেতিয়া উঠে তেতিয়া তপত হয়, তপত হলেই চাউল আহি তাৰ

ভিতৰত প্ৰৱেশ কৰি ভাত হৈ পৰে। তেতিয়া চাউলে ভাত নাম পায়। সেই বেলা ভাৰতৰ হিন্দুবিলাকে মোকো, সক বা নীহ জাতৰ ভাতৰ চকৰ অন্দঠা হলে, অপবিত্ৰ কৰে। এতেকে চাউলৰ জাত মৰাৰ দোষ মোৰ গাত নহয়, পানীৰহে। এই কথা শুনি চাউলে পানীৰ দোষ কটাবৰ নিমিত্তে কলে যে তেওঁ যেতিয়া গাত বাকলিটো পিন্ধি ধান নাম পাই আছিল তেতিয়া জুইয়ে সেই পানীকেই তপত কৰি তেওঁক সিজাইছিল, সেই বেলা তেওঁৰ জাত গৈ তেওঁ ছুৱা নহৈছিল কিয়? বৰং তপত পানীত পৰি তেওঁ চাউল হোৱাৰ বেলা পৰিষ্কাৰ কৰা হৈ সিজি পৰি মানুহৰ খাবৰ যোগ্য হয়, তেতিয়া তেওঁ আৰু পবিত্ৰহে হব লাগে। এইবিলাক কথা শুনি ব্ৰহ্মাই এতিয়া মাটি কলহৰ পিনে মুখ কিৰাই কবলৈ ধৰিলে, "পৃথিৱীত যেতিয়া মানৱ জাতিৰ ভিতৰত অধৰ্ম্ম প্ৰৱেশ কৰি মোক নিচিনা হয় তেতিয়া মানুহবিলাকে মোক তোমাক আৰু পানীক ব্যৱহাৰ কৰাৰ দৰে কৰে। পানী যেনেকৈ কলহৰ ভিতৰত থাকে মইও তেনেকৈ সৰ্ব্ব ঘটতে থাকোঁ, মোক মানুহে অপবিত্ৰ কৰে। ভাৰতবৰ্ষৰ বৰ্ত্তমান যিবিলাক ভ্ৰষ্ট আৰ্য্য সন্তানে হিন্দু নাম পাইছে তেওঁবিলাকৰ ঘটত মোক চিনিব নোৱোৱাৰ কাৰণে কলি প্ৰৱেশ কৰিছে সেই বাবে তেওঁবিলাকৰ গাত বিষ, গওপ, হিংসা আৰু বিদ্বেষে থানিকা পাতিছে, এই কাৰণে মই সিহঁতক শাস্তি দিবৰ নিমিত্তে, কোনোমতে জ্ঞানৰ পোহৰ দি মোক চিনাব নোৱাৰি, আজি অতকাল কষ্ট দিছোঁ। মই কোনো জাতিৰ ভিতৰত সৰল অজ্ঞানতা থাকিলে তাক জ্ঞানৰ পোহৰেৰে লাহে লাহে গুচাবৰ চেষ্টা কৰোঁ, কিন্তু যি জাতিক এসময়ত জ্ঞানৰ পোহৰেৰে বৰকৈ পোহৰাইছিলোঁ পিছে সেই জাতিয়ে যেতিয়া তেনে জ্ঞানৰ পোহৰ পাই মোৰ ওপৰতে অহংকাৰ কৰি নিজে গওপ মৰি উঠে আৰু নিজকে শুদ্ধ, পবিত্ৰ আৰু নৈষ্ঠিক ভাবি পৃথিৱীৰ আন আন জাতিক ম্লেচ বুলি ঘিণ কৰে তেতিয়া সেই জাতিৰ অহংকাৰ চূৰ্ণ কৰাৰ কাৰণে মই তাক কষ্ট দিওঁ He who would be the last would be the first." মোৰ এইসৰ্ব্বতি কাল নিয়ম। ভাৰতবৰ্ষৰ প্ৰাচীন আৰ্য্যবিলাক মোৰ বৰ প্ৰিয় আছিল, তেওঁবিলাকক মই অতুল জ্ঞানেৰে ধনী কৰিছিলোঁ। জগতক জ্ঞান শিক্ষা দিয়াৰ কাৰণে, কিন্তু তেওঁবিলাকৰ নাম মাত্ৰ বংশ বৰ্ত্তমান বামুণবিলাকে মোৰেই মাটি, কাঠ আৰু শিলৰে একোটা একোটা মূৰ্ত্তি গঢ়ি তাকে নানা উপাধি দি



ধন ঘটাৰ কাৰণে দোকান পাতি বাখে আৰু নিজকে উচ্চ জাতৰ বুলি ভাবে। কি ভণ্ডামী! কি ভুষ্টালি। পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষ মোৰ বৰ প্ৰিয় ভূমি, ইয়াক মই জ্ঞানেৰে ধনে দনে উজ্জল কৰাৰ কাৰণে আৰু তাৰ স্বাধীনতা ৰক্ষা কৰাৰ অৰ্থে মইয়ে কতবাৰ কত মহাপুৰুষক পঠাইছিলোঁ। কিন্তু সকলো বৃথা হল। এসময়ত যেতিয়া বৈদিকধৰ্ম্ম প্ৰবল হৈ বামুণবিলাকে গওপ মাৰি ডাঙৰ হৈ উঠিল আৰু হিংসা দ্বেষ ঘৃণাদিৰে জাতিভেদৰ সৃষ্টি কৰি শূদ্ৰিৰৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰিবলৈ ধৰিলে তেতিয়া মই ভাৰতৰ জাতীয় একতা ৰক্ষা কৰাৰ কাৰণে সাম্য মৈত্ৰী স্বাধীনতা প্ৰৱৰ্ত্তনৰ দ্বাৰাই জ্ঞান প্ৰচাৰ কৰাৰ কাৰণে শাক্যসিংহক পঠাই দিলোঁ। তেওঁ ভাৰতলৈ আহি মোৰ অভিপ্ৰায় মতে বৌদ্ধধৰ্ম্ম প্ৰচাৰ কৰি বামুণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আদি সকলো জাতিকে সমান কৰি বুজালে যে সৎ কাম কৰি তাৰ আহিৰে নিজক গঢ়াইহে মানুহ, জাতি অজাতি মানুহৰ ভিতৰত একো বাছ-বিচাৰ নাই। অহিংসা পৰমো-ধৰ্ম্মই সাৰ ধৰ্ম্ম। তেওঁৰ ধৰ্ম্মৰ এই সাৰ মতটি মই এনে ভবিষ্যত ভাবি প্ৰচাৰ কৰিবলৈ বুদ্ধক পঠাইছিলোঁ। যে পৃথিৱীৰ তেতিয়া চাৰিউফালে অনেক জাতি অসভ্য বৰ্ব্বৰ হৈ আছিল সেইবিলাকৰ যদি বাৰুকৈ ধৰ্ম্মজ্ঞান নোপজে তেনেহলে ভাৰতবাসী আৰ্য্য জাতিক সৰহলোৱে সিমি চুড়মাৰ কৰি পেলাব আৰু আৰ্য্য জাতিৰ সভ্যতা, ধৰ্ম্ম, ও দাৰ্শনিক জ্ঞান পৃথিৱীৰপৰা চিৰ কাললৈ লোপ পাব, কিয়নো সদৌ বলবান অসভ্য জাতিবিলাক যদি ভাৰতৰ আৰ্য্য জাতিক নিচিনি শত্ৰু হৈ পৰে তেনেহলে কি সাধ্য আৰ্য্য জাতি ভাৰতত তিষ্ঠিব পাৰে। এই নিমিত্তে সিহঁতৰ পশুবল জ্ঞান শিক্ষা দি দমন কৰাৰ কাৰণে মই নিজ অংশ দি বুদ্ধদেৱক পাঠালোঁ। এই বৌদ্ধধৰ্ম্মক যদি ভাৰতবাসী আৰ্য্যবিলাকে সাৱটি ধৰি পৃথিৱীৰ সকলো জাতিৰ ভিতৰত বাৰুকৈ প্ৰচাৰ কৰিলেহেঁতেন তেনেলে এই ভাৰতবাসীয়ে পৃথিৱীৰ ভিতৰত সদৌ জাতিৰে সৈতে মিত্ৰতা স্থাপন কৰি আজি পৰ্য্যন্ত স্বাধীন হৈ থাকিলহেঁতেন। কিন্তু তাকে ভাৰতৰ বামুণবিলাকে নকৰি বৌদ্ধদেৱৰ ভাৰকে ওকোটা বুলি ইকোনেৰে নিজৰ পূজাপাঠ কৰা আদি দোকানিদাৰী ব্যৱসায় বন্ধ হোৱাৰ বাবে তাৰ বিৰুদ্ধাচৰণ কৰিবলৈ ধৰিলে। কেতবিলাকে বৌদ্ধধৰ্ম্ম গ্ৰহণ কৰি সংসাৰক অসাৰ ভাবি ভিক্ষু হৈ জাতীয় উন্নতিৰ ফালে পিঠি দি ৰহিল। ইন্দ্ৰিয় দমন

কৰা মানে ইন্দ্ৰিয়বিলাকক নিগ্ৰহ কৰি একেবাৰে অকামিলা কৰা বৌদ্ধধৰ্ম্মৰ প্ৰকৃত মানে নহয়, কিন্তু ভাৰতবৰ্ষৰ বৌদ্ধবিলাকে সেই বেলা ইন্দ্ৰিয়বিলাকক নিস্তেজ কৰাকেইহে ধৰ্ম্মৰ সাৰ মত বুজিলে। অহিংসা মানে যে বিনাকাৰণত কাকো হিংসা কৰা উচিত নহয় ইয়াক নুবুজি ভাৰতৰ আৰ্য্য সন্তানবিলাকে একেবাৰে হিংসা বৃত্তি পৰিহাৰ কৰি নিৰামিষ ভোজী হৈ দলে দলে ভিক্ষু বা সন্ন্যাসী সাজিলে। এনে নিৰামিষ ভোজন আৰু সন্ন্যাসী মানেই দেহ-এঞ্জিনত কয়লাৰ ভাপ (Steam) নিচেই কম হৈ পৰিল। দুৰ্ব্বল দেহত উৎসাহ আৰু তেজ (Activity) গুচি সহজে এলাহে লগ ধৰে, মানুহৰ দুৰ্বুদ্ধি আহি পৰে, An idle brain is Satan's workshop. কুবুদ্ধি হলেই জাতীয় ভাবেই হওক কি ব্যক্তিগত ভাবেই হওক একতা একেবাৰে নাশ পায়। তাৰ কাৰণ ভাৰতবৰ্ষত বৌদ্ধ যুগৰ শেহ পৰত নানা ঋষিৰ নানা মত উপস্থিত হৈ পুনৰ ধৰ্ম্মৰ দোকান পাতি বেচা কিনা কৰা বামুণবিলাকে মূৰ ভাঙ্গি বৌদ্ধধৰ্ম্মক নাস্তিক ধৰ্ম্ম নাম দি অথচ বৌদ্ধধৰ্ম্মৰ মতৰ অনেক সত্যকেই ভিতৰে ভিতৰে হিন্দুধৰ্ম্মৰ চাগিল কৰি নানা তৰহৰ ধৰ্ম্ম বাহিৰ কৰিবলৈ ধৰিলে। এই বেলা বেদান্ত দৰ্শনৰ মায়াবাদ বৌদ্ধধৰ্ম্মৰ মতৰ লগত মিহলাই বামুণে যি ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ধৰিলে সি বৌদ্ধধৰ্ম্মক অবুজ ভাবে বুজাতকৈও বেছি সাংঘাতিক হৈ উঠিল, কাৰণ জগৎ মিথ্যা ভাবে ভাৰতবৰ্ষত লাখে লাখে সন্ন্যাসীৰ সৃষ্টি কৰিলে। এই সময়ত বৌদ্ধমতৰ নিৰামিষ আহাৰ কথাটিতেই উলটি আমিষ নিৰামিষৰ ভিতৰত কাৰো হাতে নেখোৱা নোলোৱা দিশ সুমাই নানা তৰহৰ জাতি ভেদ সৃষ্টি কৰিলে। যেতিয়া কোনো এটি জাতিৰ ভিতৰুৱা অনৰ্গ বা গণ্ডগোল যদি আন পৰজাতিয়ে কেনেবাকৈ জানিব পাৰে তেতিয়া পৰ জাতিয়ে সেই জাতিক তলতীয়া কৰি দখল কৰিবলৈ চেষ্টা কৰাৰ প্ৰমাণ আজিকৈকে বুৰঞ্জীয়ে দিবই লাগিছে। এই বেলা ভাৰতবৰ্ষৰ আৰ্য্য জাতিৰ ভিতৰুৱা দুৰ্ব্বলতা চিথিয়া শক আৰু হুন প্ৰভৃতি নানা জাতিয়ে বুজপাই ভাৰতক যেতিয়া দখল কৰিবলৈ ধৰিলে, তন্মাই বোলে তেতিয়া মই ভাৰতবাসীক ক্ষত্ৰিয় শক্তি শিক্ষা দি সিহঁতৰ স্বাধীনতা ৰক্ষা কৰাৰ অৰ্থে মহাদেৱৰ দ্বাৰাই তন্ত্ৰধৰ্ম্ম প্ৰচাৰ কৰি ভাৰতৰ আৰ্য্য সন্তানবিলাকক শক্তি মন্ত্ৰত দিক্ষীত কৰি শাক্ত কৰালোঁ। এই তন্ত্ৰ শাস্ত্ৰৰ গূঢ় ৰহস্য কি তাক কোনেও নুবুজিলে। মই বিশ্ব ব্ৰহ্মাণ্ড



ধনক যেনেকৈ মোৰ শক্তিক বড়া টুটা হব নিদি নিয়মিত ভাবে ৰাখিছোঁ, তেনেকৈ মানুহৰ দেহটিৰ শক্তিকো ৰাখিছোঁ। মানুহৰ শৰীৰত সত্ত্ব ৰজ তম এই তিনিটি গুণক জোখৰ ব্যৱস্থা মতে ৰাখিবলৈ যেতিয়া যেনে প্ৰয়োজন তাক মই মানুহক জ্ঞানেৰে স্বাধীন কৰি দিছোঁ; কিন্তু মানুহক মই তেনে স্বাধীনতা দিলেও মানুহৰ দেহ যেনে সীমাবদ্ধ জ্ঞানো তেনে; এই গতিকে মানুহে ভুল কৰা দেখিলে সময়ে সময়ে মই অৱতাৰ হৈ মানুহৰ ভ্ৰম সংশোধন কৰোঁ। মই মহাপুৰুষবিলাকক যেতিয়া যি সময়ৰ যেনে ধৰ্ম্ম শিক্ষা দিয়াৰ প্ৰয়োজন, তাক প্ৰচাৰ কৰিবলৈ মানুহলৈ পাঠাওঁ তেতিয়া যদি মানুহ তেওঁবিলাকৰ কথা নুশুনে আৰু তেওঁবিলাকক অপমান কৰে, তেতিয়া হলে মানুহে নিজ কৰ্ম্মদোষ মতে নিজে নিজে শাস্তি পায় তাত মোৰ একো দোষ নাই। ভাৰতবৰ্ষৰ আৰ্য্য সন্তানবিলাকে যেতিয়া বৌদ্ধধৰ্ম্মক ভ্ৰম বুজনিৰে বুদ্ধি ইন্দ্ৰিবিলাকক নিস্তেজ কৰি ধ্বংসৰ পিনে প্ৰায় গতি কৰা দেখিলোঁ, তেতিয়া মই দেখিলোঁ যে শাক্তধৰ্ম্ম তেওঁবিলাকৰ ভিতৰত প্ৰচাৰ নকৰিলে উপায় নাই। মানুহৰ দেহ যন্ত্ৰটিত, মই দহোটি ইন্দ্ৰিয়ৰ একোটি একোটি পেঁচ লগাই গঢ়িছোঁ। মনে তাক যেতিয়া যেনে প্ৰয়োজন পেচ ঢিলাকৈ বা আঁটি ধৰি চলায়। বৰকৈ তাক আঁটি ধৰিলেও যন্ত্ৰ বেয়া হয়, ঢিলাই দিলেও তেনে হয়, এই নিমিত্তে ইন্দ্ৰিয়বিলাক চলাব জনালৈ ৰিপু বা শত্ৰু নহয়, সিবিলাক কেৱল মিত্ৰহে। অস্ত্ৰখনি চোকাকৈ ধৰাই চলাব নাজানি কোনোৱে নিজৰ হাত কাটিলে দোষ কাৰ? শাক্ত ধৰ্ম্মৰ তন্ত্ৰ শাস্ত্ৰ প্ৰবৰ্ত্তন কৰাই মই এই ভাব প্ৰচাৰ কৰিছিলোঁ। যে ভাৰতৰ আৰ্য্য সন্তানবিলাকে পুনৰ ক্ষত্ৰিয় শক্তি হেৰুৱাই নিজে পৰাধীন হৈ নিৰ্ম্মূল হব খুজিছে, এই হেতুকে তেওঁবিলাকলৈ শাক্তধৰ্ম্ম শ্ৰেয়। আৰু বিশেষকৈ ভাৰতবৰ্ষ অকল আৰ্য্য জাতিৰেই বাসভূমি নহয়, ইয়াত দ্ৰাবিড়ী আৰু মঙ্গলীয় আদি অনেক জাতিয়ে বাস কৰে, সেইবিলাক জাতি শাক্তধৰ্ম্ম অৱলম্বী, সিহঁতক এই ধৰ্ম্মৰ ভিতৰেদি নিনিলে ব্ৰহ্মজ্ঞান বুজাবৰ উপায় নাই। বিশেষকৈ আৰ্য্য সন্তানবিলাকে সিহঁতক ঘিণ কৰি সেই সময়ত মোৰ দত্ত ক্ষমতাক বৰকৈ অপব্যৱহাৰ কৰিছে, এই হেতুকে সিহঁতকো আৰ্য্য সন্তানবিলাকৰে সৈতে একে লগ কৰি শক্তি বঢ়াবৰ কাৰণে মই তন্ত্ৰধৰ্ম্ম প্ৰবৰ্ত্তন কৰোঁ। কিন্তু মই যি অভিপ্ৰায় ভাবি ভাৰতবাসীক তন্ত্ৰ

শাস্ত্ৰ প্ৰচাৰ কৰি শাক্ত কৰিবৰ ইচ্ছা কৰিছিলোঁ। সেইয়ে হৈ নুঠিল। তন্ত্ৰ শাস্ত্ৰত মই মহাদেৱৰ নাম লৈ যি ধৰ্ম্ম প্ৰচাৰ কৰিছোঁ মূলত সি ব্ৰহ্মজ্ঞান মাত্ৰ, তাৰ সাক্ষী মহানিৰ্ব্বাণ তন্ত্ৰই। শক্তি শব্দটো স্ত্ৰীলিঙ্গ বাচক। শক্তিৰ উপাসনা কৰিবলৈ মই মহানিৰ্ব্বাণ তন্ত্ৰত যিবিলাক নিয়ম পদ্ধতি দেখুৱাইছোঁ গোটেইবিলাকেই মানুহৰ বল বিক্ৰম আৰু সাহ বঢ়াবৰ নিমিত্তে। শৱ সাধনা আদি যিবিলাক তন্ত্ৰৰ সাধনা, হুপিকেই মানুহলৈ সাহ বল বঢ়োৱাৰ অৰ্থেহে। আৰু তন্ত্ৰৰ হঠযোগ আদি যিবিলাক যোগ সাধনা সকলোখিনি শৰীৰক শক্ত কৰাৰ নিমিত্তে ব্যায়াম মাথোন। ভাৰতবাসীক কেনেবাকৈ অন্য জাতিয়ে পৰাধীন কৰিব বুলি ভাবি মহানিৰ্ব্বাণ তন্ত্ৰতেই মই কেনেকৈ দুৰ্গ তৈয়াৰ কৰিব লাগে, কেনেকৈ সৈন্য শিক্ষা দিব লাগে, কি কি অস্ত্ৰ যুগুত কৰি সেই সময়ত ৰখাৰ প্ৰয়োজন আছিল, সকলোখিনিকে মই প্ৰচাৰ কৰিছিলোঁ। ভাৰতৰ অসভ্য আৰু মূৰ্খ মানুহে শক্তিৰ কোনো এটি আৰ্হি বাহিৰত নেদেখালে সোনতে ভিতৰৰ তত্ত্ব পাই মোৰ অভিপ্ৰায় বুজিব নোৱাৰিব ভাবি মই কালী দুৰ্গা প্ৰভৃতি কেতবিলাক অদ্ভুত বীৰ ৰমণীৰ আদৰ্শ কল্পনা কৰি সেইবিলাক আদৰ্শ-কেই ভাৰতৰ মানুহে গ্ৰহণ কৰি যোদ্ধা জাতি হৈ উঠাৰ কাৰণে তাৰেই পূজা পদ্ধতিৰ উত্তেজক শব্দ, কিছুমান মন্ত্ৰ নাম দি উলিয়াই তন্ত্ৰত ব্যৱস্থা কৰিলোঁ। হ্ৰীং, ক্ৰীং, ক্লীং, শ্ৰীং, হুং, ফট, স্বাহা এইবিলাক শব্দৰ প্ৰতি মন্ত্ৰটি কেনে বীৰত্ব ভাবপূৰ্ণ উত্তেজক শব্দ। হিলি, হিলি, কিলি, কিলি, পিব, পিব, বধিব এইবিলাকে বীৰত্বৰ ভাব মানুহৰ মনত কেনে জগাই তোলে। কোনো এটি জাতিক যুদ্ধাক্ত কৰিবৰ হলে সোনতে তাৰ মৃত্যুভয় গুচাবলৈ সাহ বঢ়াব লাগে, সেইকে তন্ত্ৰত মই শৱ-সাধনা আৰু শ্মশান-সাধনা আদি ব্যৱস্থা কৰাৰ মূল উদ্দেশ্য। যুদ্ধ শিক্ষা দিয়া আৰু ভাৰতীয় হিন্দু জাতিক শক্তিমন্ত কৰাৰ অৰ্থেইহে তন্ত্ৰৰ শাক্তধৰ্ম্ম প্ৰচাৰ, তাৰ প্ৰমাণ শক্তি পূজা। এই শক্তি পূজাৰ বাহিৰ ভিতৰ দুটি ভাব। এটি হৈছে পৰা আনটি হৈছে অপৰা। পৰা হৈছে শক্তিৰ মূল তত্ত্বজ্ঞান, অপৰা হৈছে শক্তিৰ গতি বা কাৰ্য্য। জ্ঞান আৰু কৰ্ম্ম এই দুটিৰ ভিতৰত সমবায় সমসূত্ৰ সম্বন্ধ বা কাকো কেওঁ এৰাএৰি কৰিব নোৱাৰা কাৰ্য্য কাৰণ সম্বন্ধ। শক্তি ( Force ) কেতিয়াও থিৰে থাকিব নোৱৰা তাৰ ধৰ্ম্ম। ই সদায় কাম কৰিয়েই আছে, এই নিমিত্তে ভাৰতৰ তীক্ষ্ণ বুদ্ধিৰ



বিখ্যাত অৱতাৰ পুৰুষ শঙ্কৰাচাৰ্য্যই প্ৰমাণ দেখায় যে ঈশ্বৰ যেনে অনাদি সৃষ্টিও তেনে অনাদি। এই কথাটিক আজিকালি অনেক ইউৰূপৰ কালৰ দাৰ্শনিক পণ্ডিতেও স্বীকাৰ কৰে। শক্তিৰ দুটি ক্ৰিয়া দেখিবলৈ পাওঁহক। এটি পিছহুঁহকি খোপনি পোতা, আনটি আগ বাঢ়ি খুন্দা মৰা। খোপনি পোতাটি হৈছে বল গোটাই ঠিক কৰি লোৱা, আগবাঢ়ি খুন্দা মৰাটি হৈছে বল এৰি দিয়া। এই দুটি শক্তিৰ ক্ৰিয়াক ভালদৰে তলকি দেখিলে এটি জ্ঞানযোগ আনটি কৰ্ম্মযোগ। জ্ঞানে ধ্যান কৰি কৰ্ম্ম কৰিবলৈ চিন্তা কৰি বুদ্ধি গোটায়, কৰ্ম্মই তাক প্ৰকাশ কৰে। তন্ত্ৰৰ শক্তিপূজাৰ ভিতৰ ফালৰ ভাব হৈছে ইন্দ্ৰিয়বিলাকক কামিলা কৰাৰ কাৰণে সংযত কৰা আৰু নিয়মিতভাৱে চলোৱা। এনে পূজা হৈছে দেশৰ নায়ক বামুণবিলাকৰ আৰু বাহিৰ ফালৰ পূজা হৈছে ধুমধামকৈ সজাই-পৰাই চিপাহীক শক্তিশালী বস্তু খুৱাই আৰু ভাল সাজ পিন্ধাই ধৰ্ম্মৰ ৰক্ষাৰ অৰ্থে আগ বাঢ়িবলৈ উদ্‌গোৱা, কিন্তু পিছত বামুণ থাকি ঘোঁৰাৰ লেকাম টনাৰ দৰে ধৰি থাকিব লাগে, কিয়নো সংযতৰ আন এ[illegible]নে, সাজু হোৱা, যেনে হিলৈৰ ভিতৰত খাৰ গুলি ভৰি থাপ্পি ৰখা, অথচ তাক এৰি অকাৰণ প্ৰাণী হত্যা নকৰিব। বিশেষকৈ নৰহত্যা কেতিয়াও কৰা উচিত নহয়, কেৱল যেতিয়া আত্মৰক্ষা কৰাৰ কাৰণ উপস্থিত হয়, যথা চোৰ ডকাইতে আহি ধনবিত লুটি নিব ধৰা বেলিকা আৰু দুৰ্ব্বৃত্তবিলাকে সতী তিৰোতাৰ সতীত্ব নাশ কৰাৰ সময়ত আৰু বৰ্ব্বৰবিলাকে আহি দেশ লুটপাট কৈ তাৰ স্বাধীনতা হৰণ কৰা অৱস্থাত হিলৈৰ গুলি ব্যৰ্থ নোহোৱাকৈ চল চেলু চাই এৰিব লাগে মাত্ৰ। সেই বেলা নিজৰ প্ৰাণলৈ ভয় কৰি যি পিছ হোহকে তাতকৈ নৰাধম আৰু পাপী নাই। যুদ্ধ দুই প্ৰকাৰ। এক প্ৰকাৰৰ হৈছে ওপৰত কোৱা কাৰণবিলাক উপস্থিত হলে নিজৰ আৰু স্বজাতি স্বদেশৰ মান ৰক্ষা কৰাৰ অৰ্থে যুদ্ধ কৰা আৰু আনটি বিশাল সংসাৰ ক্ষেত্ৰৰ ঘোৰতৰ যুদ্ধ। এই বিশাল সংসাৰ ক্ষেত্ৰৰ যুদ্ধৰ কামনা হৈছে ভগৱতী শক্তি দেৱীক বৰ মগা যথা "ৰূপং দেহি, বলং দেহি, ধনং দেহি, যশং দেহি ভগৱতিমে" ইত্যাদি। মানুহ বোলাই বা গৌৰৱান্বিত জাতি বোলাই এই পৃথিৱীত জ্ঞানে বলে বীৰ্য্যে উদাও হৈ থাকিবলৈ হলে সাইকৈ মানুহক ধন সম্পত্তি আদি অৰ্থবল অতিকৈ প্ৰয়োজন। জ্ঞান বুদ্ধি নহলেও অৰ্থ নহয় অৰ্থ নহলেও জ্ঞান বুদ্ধি উপাৰ্জ্জন কৰা টান এই

দুটি এনে সগৰীয়া যে এটাকো এৰি দিব নোৱাৰি। ধনবিত্ত আদি অৰ্থ উপাৰ্জ্জন কৰি আঢ্যৱন্ত জাতিয়েই সভ্য আৰু বলৱন্ত। সদৌ বিষয়েই বল হৈছে ধন বল। এই ধন বল বঢ়াবৰ হলে কোনো এটি জাতিয়ে বেহা-আৰু খেতি এই দুটি কামক টানকৈ মুঠি মাৰি ধৰিব লাগে। স্বদেশৰ ধন বিদেশলৈ যাবলৈ নিদি বিদেশৰ পৰধনৰ সোঁত বেহা-বেপাৰ শিল্পৰ দ্বাৰাই নিজ দেশলৈ বোৱাব পৰা কামটিয়েই হৈছে নিজ দেশৰ ধন বঢ়োৱাৰ গুৰি আৰু নিজ দেশৰ সাৰুৱা সাৰুৱা মাটিবিলাকত বিদেশীয়ে আহি অধিকাৰ কৰি খেতি কৰিবলৈ নিদি স্বজাতিয়ে তাত ওপচাই খেতি কৰা কামটোও স্বজাতি স্বদেশ বৰকৈ চহকী হোৱাৰ বাট। এই দুটি কামক ধৰি যি জাতিয়ে তাৰ উন্নতিৰ নিমিত্তে সৰ্ব্বতিকাল যুদ্ধ কৰি স্বদেশ স্বজাতিৰ মুখ জিলিকাই তুলিব পাৰে সেই জাতিয়েই পৃথিবীৰ ভিতৰত বীৰ আৰু যোদ্ধা জাতি। মানুহ অকলশৰে পৃথিবীত থাকিবলৈ অহা নাই, মানুহে যে মুঠবান্ধি গোত্ৰবৰ্গ আদি লৈ সমাজ পাতি থাকিবলৈ আহিছে ইয়াৰ কাৰণ মানুহে অকলৈ, তেওঁসুখে থাকিবলৈ যিমান লাগে, গোটাব নোৱাৰে আৰু নিজৰ অকলশৰীয়া শক্তিয়ে আৰু কেতিয়াও কৰি উঠিব নোৱাৰে। এই হেতুকে মানুহলৈ একতা বৰ লাগতীয়াল কথা। যি জাতিৰ একতা নাই তাৰ শক্তি পূজাও নাই। শক্তি পূজা মানে একতা স্থাপনা কৰা, এনেবিলাক কথা ভাবাই নিজকে নিজে কৈ এই বাৰ চাউলৰ কাণে মুখ দুৱাই কলে ধৰিলে। "দেখা চাউল, বৰ্ত্তমান ভাৰতৰ অধোগতি হোৱা আৰ্য্য সন্তান বোলোৱা মানুহবিলাকৰ বিচাৰ শক্তি একেবাৰে নাই। সিইতৰ বিচাৰ শক্তি থকাহেঁতেন এনে অধঃপতন কেলৈ হল হয়। ধানতকৈ শুদ্ধ চাউল, চাউলতকৈ শুদ্ধ ভাত। এই ভাত পূৰ্ব্বে ওখ থাপৰ কৰ্ম্মী পুৰুষ বামুণ ক্ষত্ৰিয় বৈশ্যই কেতিয়াও নাৰান্ধিছিল; এই কাম অৰ্থাৎ ভাত ৰন্ধা পানী অনা, ধৰি কটা আৰু ছুৱা নিকা কৰা বা ধোৱা আদি হজুৱালি কাম-বিলাক শূদিৰ (চাকৰ) বিলাকে কৰিছিল, এনে কাম শূদিৰক কৰিবলৈ বিধান লগাই দিছিলোঁ; কিয়নো ওখ থাপৰ শ্ৰেণী বিভাগ মতে কাম কৰা কৰ্ম্মী মানুহবিলাকক যদি একেবাৰে তলৰ থাপৰ মানুহবিলাকে আলপৈচান নধৰে তেনেহলে ওখ কৰ্ম্মীসকলে নিজে নিজকে আল-পৈচান ধৰি কেনেকৈ জ্ঞান বুদ্ধিৰ কাৰ্য্য কৰিবলৈ সময় পাব পাৰে। এই বুলি শূদিৰ হলেই যে যাউতি



যুগীয়া শূদিৰ হৈ থাকিব লাগে মোৰ তেনে বিধান নহয়। জ্ঞান বুদ্ধিত পাৰ্গত হলে শূদিৰো বামুণ হব পাৰে, সেইদৰে নহলে বামুণো শূদিৰলৈ নামিব পাৰে। হে ভাত পানী, তোমোলোক দুইকো এতিয়াৰ দিনৰ ভাৰতৰ হিন্দুবিলাকে জাত মাৰি ছুৱা কৰাৰ কাৰণেই সিবিলাকৰো জাত মৰিল। যি বামুণক আগেয়ে দেৱতাৰ তুল্যকৈ সেৱা শুশ্ৰূষা কৰিছিল আৰু আল-পৈচান ধৰিছিল আনে, এতিয়া সেই বামুণে তোমালোকৰ জাত মৰাৰ ফলত যাকে পায় তাকে আলেপৈচান ধৰিব লগাত পৰিছে। দেখা আজিকালি বামুণৰ কি দুৰ্দ্দশা! বামুণে তৌ বাটি মলি যাবে পায় তাৰে ভাত ৰান্ধনি হৈ ঠাকুৰ (চাহাবৰিয়াকৰ যেনে খানচামা) নাম পাইছে আৰু সময়ে সময়ে ইপালি সিপালিও পাইছে। হে ভাত, তুমি বেজাৰ নকৰিবা, তোমাৰ জাত নোযোৱাৰ বিধান এতিয়ালৈকে মই এঠাইত ৰাখি থৈছোঁ, সেই ঠাই হৈছে শ্ৰীক্ষেত্ৰ (জগন্নাথ) তাত এটাই জাতৰ হিন্দুৱে ছুলেও তোমাক খোৱাৰ নিয়ম আছে। এই নিয়ম মই সকলোবিলাক তীৰ্থ আৰু মহাপুৰুষৰ স্থানত ৰাখিবলৈ মোৰ আদেশ আছে দেখি শ্ৰীক্ষেত্ৰক আদৰ্শ বা আহি পাতি দেখাইছোঁ। কিন্তু অধঃপতিত ভাৰতৰ হিন্দুবিলাকে তাক নকৰে, সেইদেখি বৰ্ত্তমান মই যতেতে হোটেলৰ খানা খুৱাই তোমাৰ জাত পুনৰ জীৱন ৰক্ষৰস্ত কৰিব লাগিছোঁ। হে পানী, তুমিও বেজাৰ নকৰিবা, তোমাক নীহ জাতৰ হিন্দুৱে বা হিন্দুৰ বাহিৰে আন জাতৰ মানুহে ছুলেই বামুণ আদি নামলোৱা আৰু অহঙ্কাৰত মুধা ভুইৰা ওখ থাপৰ হিন্দুৱে দিগ কৰি তোমাৰ জাত মৰে আন কি সেইবিলাক মানুহে তেৰাসকলৰ ঘৰত আন জাতৰ মানুহ সোমালেও তোমাক হোকা আৰু কলহৰপৰা অপমান কৰি দলিয়াই পেলাই দিয়ে, এই গতিকে মই আজিকালি ডাঙৰ ডাঙৰ নগৰবিলাকত পানীৰ কল পতোৱাই মুচলমান আদি নানা জাতৰ মানুহৰ হতুৱাই তোমাক স্পৰ্শ কৰোৱাই, বামুণ আদি ওখ জাতৰ হিন্দুৰ ঘৰে ঘৰে বিলাৱাইছোঁ আৰু তাকেই তেওঁবিলাকে দিনো খাইয়েই আছে, এই গতিকে তোমাৰ জাত এতিয়া মই লাহে লাহে ওপৰলৈ তুলি নিব লাগিছোঁ। হে মাটিকলহ, পানীয়ে জাত পালে তুমিও পাবা, কিয়নো পানীয়েইহে তোমাৰ জাত মৰাৰ গুৰি। হে জুই, নীহ বুলি, বামুণ আদি ওখ থাপৰ হিন্দুৱে নাম দিয়া মানুহৰ ভাতৰ চৰুৰ তলৰপৰ মলাধপাত আদি খোৱাৰ নিমিত্তে তোমাৰ আঙঠা নিলেও ছুৱা হয় বুলি তুমি

মোত গোচৰ কৰিছা। মই অন্তৰ্যামী, জগতত প্ৰতি পলকতে কি কি কাম হৈ হৈ আছে তাক মই জানি আছোঁ; তোমাৰ আঙঠাবো জাত মৰাৰ গতিকে মই মলাধপাত খোৱাৰ টিকিবাৰ সৃষ্টি কৰাইছোঁ, সেই টিকিবাৰ এঙ্গাৰৰ গুড়ি মুচলমান আদি সকো জাতিৰ মানুহে বহা ভাতৰ মাৰ বা পোতনিৰে তিয়াই আৰু সনাই তাক তৈয়াৰ কৰোৱাই বজাৰত বেচাইছোঁ, তাকে বামুণ আদি সকলো জাতৰ মানুহে কিনি নি জুই লগাই আঙঠা কৰি চিলিমৰ ওপৰত দি মলাধপাত দিনৌ হুপি আছে; এতেকে হে আঙঠা, তোমাবো জাত ওপৰলৈ তুলি আনিছোঁ।” ব্ৰহ্মাই এইদৰে মাটিকলহ, পানী, চাউল আৰু জুইক চেছনি দি বিদায় দিলে। পিছে মোৰ ফালে মুখখনি ঘূৰাই মোক সুধিলে, “অঃ মানুহৰ দৰা, তোমাৰ কি কথা আছে কোৱা?” তেতিয়া মই সৰ্ব্বাঙ্গে দণ্ডৱত হৈ ব্ৰহ্মাক স্তুতি কৈ কৰলৈ ধৰিলোঁ “হে মোৰ আত্মাৰ আত্মা পৰমাত্মা, হে জগতৰ বাপ, হে প্ৰাণ বন্ধু! অঃ মোৰ সখি, তোমাতেই সৃষ্টি, সৃষ্টিতেই তুমি আৰু তুমিয়েই তুমি আৰু তুমিয়েই সৃষ্টি, সৰ্ব্ব ঘটতেই তুমি বিৰাজমান আছা, তুমি মোৰ লগতেই সৰ্ব্বতিকাল আছা, তথাপি তোমাক বাহিৰত বিচাৰি ফুৰোঁ। দেৱলোক, দ্যুলোক, ভূলোক, স্বৰ্লোক, ব্ৰহ্মলোক মোৰ ভিতৰতেই তথাপি মই সেইবিলাক ঠাইত বাস নকৰি সদায় নৰকত বাস কৰি থাকোঁ। এই দোষ মোৰ, সেই বুলি তোমাৰ নহয়। তুমিয়ে মোক স্বাধীনতা দিছা তাৰ বলতেই মই স্বকীয়া ভাবত মগ্ন হৈ অহঙ্কাৰী হৈ পৰিছোঁ। তুমি মোক এই পৃথিবীলৈ পঠাইছা, তোমাৰ প্ৰিয় কাৰ্য্য সাধন কৰিবলৈ আৰু তোমাক জানিবলৈ, তাকে নকৰি হে প্ৰভু, মইয়েই মোকে নিচিনি অহঙ্কাৰ গুপ হিংসা খিয়াল আদি স্বভাৱত বিভোৰ হৈ তোমাৰ আহিলে মোক সুতুলি এই পৃথিবীখন যেন মোৰ চিৰকলীয়া ঘৰ আৰু তুমি মোক ভোগ কৰিবলৈ দিয়া বস্তুবিলাক যেন সম্পত্তি এইদৰে ভাবি তাক অপব্যৱহাৰ কৰি বহি আছোঁ। পশুৱে যেনেকৈ ঘাঁহ খাই পানী পি মল মূত্ৰ ত্যাগ কৰি জীয়াই আছে মইও তেনেকৈ জন্মৰ দিনৰপৰা কিমান মোন পানী আৰু আল্লা ভাত খাই মল মূত্ৰ ত্যাগ কৰিছোঁ তাৰ মাত্ৰ হিচাপ দিব পাৰোঁ। কিন্তু তোমাৰ প্ৰিয় কাৰ্য্য সাধন কৰা, তাৰ মানে মানুহক সেৱা কৰা বা তাৰ উপকাৰ সধা স্বজাতি স্বদেশৰ উন্নতি সাধি তাৰ গৌৰৱ বৃদ্ধি কৰা আৰু তোমাৰ শুদ্ধজ্ঞান প্ৰচাৰ



কৰি তলৰ থাপৰ মানুহক ওপৰ থাপলৈ নিয়া ইত্যাদি তোমাৰ প্ৰিয় কাৰ্য্যৰ অলপ মানো হিচাপ দিব নোৱাৰোঁ! হায়! হায় এই অধমৰ জনম বৃথাতে গল! মই নিজে জানি শুনি যেতিয়া দোষ কৰিছোঁ এতেকে এই দোষৰ ক্ষমা তোমাৰ ওচৰত মগাও পাপ। হে প্ৰভু, ইমান পৰ মই তোমাৰ মুখে তন্ত্ৰ শাস্ত্ৰৰ ব্যাখ্যা শুনিছিলোঁ কিন্তু সি আদৰিনীয়া হল, এতেকে হে প্ৰভু, শাক্তধৰ্ম্মৰ উদ্দেশ্য আৰু তন্ত্ৰ শাস্ত্ৰৰ গুৰিৰ ব্যাখ্যা ভাল দৰে বুজাই কওক।” ব্ৰহ্মাই মোৰ এই দৰে স্তুতিবাক্য শুনি কবলৈ ধৰিলে। “তন্ত্ৰ শাস্ত্ৰৰ দ্বাৰাই শাক্ত ধৰ্ম্ম প্ৰবৰ্ত্তন কৰা গুৰি যে হিন্দু জাতিক শক্তিমন্ত কৰাৰ মোৰ উদ্দেশ্য তাক মই আগতে এবাৰ কৈ আহিছোঁ, এতিয়া তাকেই এবাৰ বুৰাই বহলাই কওঁ। অতি পূৰ্ব্বতে আৰ্য্য জাতিৰ সত্যযুগৰ কালত জম্বুদ্বীপৰ মাজত দুটি প্ৰবল জাতিয়ে বাস কৰিছিল, এটিয়ে নাম লৈছিল অসুৰ আনটিয়ে দেৱতা। দেৱতা বোলাটি আৰ্য্য। অসুৰ নামৰ জাতিটি তাৰে এঠালৰ। এই দেৱতা অসুৰ দুটি জাতিৰ আচাৰ ব্যৱহাৰ আৰু ভাষা পৃথক আছিল। এই দুটি জাতিয়ে পৰস্পৰ প্ৰায় সৰ্ব্বতি কাল ঘোৰ যুদ্ধ কৰি থাকিছিল। অসুৰ জাতিয়ে কেতিয়াবা কেতিয়াবা দেৱতা বিলাকক পৰাস্ত কৰি দেশত থাকিব নিদিয়া কৰে। সেই দেৱতাবিলাক মিলি মেল পাতি গোট লাগি একতা দেবীৰ উপাসনা কৰিছিল তাকেই শক্তি পূজা বোলে। ইতি।

শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য।

---

## জীৱন-মুক্তা।

কাশ্মীৰৰ জম্মু নগৰত প্ৰায় বিশ বছৰ কাল যি জনা বিখ্যাত তিৰোতাই হাড়ক মাটি তেজক পানী কৰি অত্যন্ত পৰিশ্ৰমেৰে স্ত্ৰী শিক্ষা বিস্তাৰ কৰি তিৰোতা জাতিৰ উন্নতিৰ নিমিত্তে যত্ন কৰিছিল তেওঁৰ নামেই জীৱন-মুক্তা।

বিবাহৰ দুবছৰৰ পাছতে তেওঁৰ পতি-বিয়োগ হয়। তাৰ পাছত তেওঁ গুৰু “স্বামী চিদ্‌ঘন” দেৱৰ শিষ্যত্ব গ্ৰহণ কৰি অতিশয় পৰিশ্ৰম কৰি সংস্কৃত শাস্ত্ৰ পাঠ কৰিবলৈ আৰম্ভ কৰে। শাস্ত্ৰাদিত অশেষ ব্যুৎপত্তি লাভ কৰি তেওঁ যোগাভ্যাস আৰম্ভ কৰে। এই সাধ্বী তিৰোতাজনা অনেক সদগুণেৰে

বিভূষিতা আছিল। এওঁৰ সৰল সাধু কথাত লৰা বুঢ়া সকলোৰেই ভোল গৈছিল। এওঁ সঙ্গীত বিদ্যাত বৰ পাৰ্গত আছিল, এওঁৰ পবিত্ৰ সৰল আৰু জ্ঞানময় জীৱন একমাত্ৰ সংকাৰ্য্যৰ নিমিত্তেই উৎসৰ্গ কৰিছিল। আৰু এওঁ স্ত্ৰীজাতিৰ উন্নতি আৰু দুখ বিমোচনৰ চিন্তাতেই নিমগ্ন আছিল। ভাৰত প্ৰবাসিনী পাশ্চাত্য ৰমণী "নিবেদিতাৰ" পাছত ভাৰতত স্ত্ৰী শিক্ষাৰ উন্নতিৰ নিমিত্তে এওঁৰ সমান কঠোৰ পৰিশ্ৰম আৰু কোনো তিৰোতাই কৰা নাই।

জম্মু নগৰবাসীসকল স্ত্ৰী শিক্ষাৰ ঘোৰ বিৰোধী আছিল। কিন্তু এওঁ দৃঢ় সংকল্প কৰি সেই ঠাইতে এটি বালিকা স্কুল স্থাপন কৰে। এই কথাত সেই ঠাইৰ মানুহে তেওঁক বৰ বেয়া পায়। আইন কি তেওঁক "সমাজ দ্ৰোহী" বুলি নানা ছলেৰে তিনিবাৰ বিহ খুৱাই মাৰিবলৈকো যত্ন কৰিছিল। কিন্তু তেওঁ সৌভাগ্য বশত আটাইবিলাকৰেই সেই বিপদবোৰৰ পৰা ৰক্ষা পালে।

তেওঁ ১৯১৩ চনৰ মাৰ্চ্চ মাহত মানৱলীলা সমাপন কৰে। চাৰিও ফালৰ পৰা অনেক গণ্য মান্য লোকে "টেলিগ্ৰামেৰে" আৰু চিঠিৰ দ্বাৰাই এই পূজনীয়া তিৰোতাৰ মৃত্যুত শোক প্ৰকাশ কৰিছিল। কাশ্মীৰ ৰাজে গভীৰ শোক প্ৰকাশ কৰি যথাযোগ্য সন্মানেৰে প্ৰধান মন্ত্ৰীৰ হাতত জীৱন মুক্তাৰ মৃত দেহ আৱৰণ কৰিবলৈ এখনি সুন্দৰ মূল্যবান বস্ত্ৰ পঠাই দিছিল. সেই দিনা কাশ্মীৰত এটি অপূৰ্ব্ব দৃশ্যৰ আৱিৰ্ভাৱ হৈছিল, সুখী দুখী ধনী নিধনী অকণ, স্ত্ৰী পুৰুষ ( সকলো ধৰ্ম্মৰে ) এই শৱ দেহৰ সংকাৰৰ নিমিত্তে গোট খাইছিল, লাহোৰ আৰু অমৃতসৰ নগৰৰ পৰা বহুত সাধু সন্যাসীয়ে এই কৰ্ম্মত যোগ দিছিল, এই সংকাৰ কৰ্ম্ম লাহোৰতে সমাধা কৰা হয়।

কাশ্মীৰ ৰাজে এই সাধ্বী সতীৰ সদগুণবিলাক দেখি তেওঁক বৰ ভক্তি কৰিছিল, স্ত্ৰী শিক্ষাৰ উন্নতি কল্পে তেখেতে বহুত টকা দান কৰিছিল, আৰু এই বিদুষী তিৰোতাজনাৰ সাহায্যৰ নিমিত্তে প্ৰতি বছৰে দুই সহস্ৰ মুদ্ৰা দান কৰিছিল।

নাভা ৰাজ্যৰ মহাৰাজায়ো এই কাৰ্য্যত এওঁক বহুত টকাৰে সাহায্য কৰিছিল, আৰু তেখেতে তিৰোতা জাতিৰ উন্নতি সাধনৰ নিমিত্তে এওঁক ঠায়ে ঠায়ে ফুৰি ফুৰি বক্তৃতা দিবলৈ অনুৰোধ কৰিছিল।



জীৱন-মুক্তাই নিজ চেষ্টাৰ বলতে জম্মু নগৰত বালিকা বিদ্যালয় আৰু ঠায়ে ঠায়ে শাখা বিদ্যালয় স্থাপন কৰে, ইয়াত বাজেও স্ত্ৰীশিক্ষা আৰু ইয়াৰ বহুত প্ৰচাৰৰ কাৰণে তেওঁ এক শ্ৰেণী "উপদেশক" গঠিত কৰে।

তেওঁ স্থাপন কৰা জম্মু নগৰৰ পঢ়াশালিত এতিয়াও ৫০০ মান বালিকাই সদায় শিক্ষা পাব লাগিছে। এওঁ পঞ্জাব, সিন্ধু আৰু বেলুচিস্থানত এনে বহুত বিদ্যালয় স্থাপন কৰি গৈছে। এওঁ অনেক ঠাই ভ্ৰমণ কৰিছিল। কলিকাতা, কৰাচী, এলাবাদ, বহৰাইচ, ফইজাবাদ, আগ্ৰা, বেনাৰচ আৰু অন্যান্য প্ৰদেশৰ বহুত ঠাইলৈ স্ত্ৰী শিক্ষাৰ প্ৰচাৰৰ নিমিত্তে, এওঁ গৈছিল, ভাৰতৰ সকলো ৰজাই এওঁক কাৰ্য্যত সহায় কৰিছিল। এওঁ বহু ভাষাবিৎ আছিল, এওঁ গুজৰাটত গুজৰাটীৰে, যুক্ত-প্ৰদেশত হিন্দীৰে আৰু পঞ্জাবত পঞ্জাবী ভাষাৰে বক্তৃতা দিছিল। এলাহাবাদত হোৱা ক্ষত্ৰিয় সম্মিলনী সভাত এওঁ এটি সুন্দৰ বক্তৃতা দিছিল। সেই বক্তৃতাই চিৰদিন তেওঁৰ যশগাথা ঘোষণা কৰিব। ১৯১১ চনত এলাহাবাদত হোৱা সৰ্ব্বভাৰত ধৰ্ম্মসভাৰ All India Religious Conference যি অধিবেশন হয়, তাত এওঁৱেই শিখধৰ্ম্মৰ একমাত্ৰ প্ৰতিনিধি আছিল। শিখ ধৰ্ম্ম নীতিৰ সুস্পষ্ট ব্যাখ্যা কৰা বাবে বাতৰি কাকতৰ সম্পাদক সকলে তেওঁক নৈৰে প্ৰশংসা কৰিছিল। লাহোৰ নগৰলৈ অহাৰ আগতে তেওঁ গুৰুৰ পোৱা আৰু নিজৰো চল্লিশ হেজাৰ টকাৰ সম্পত্তি স্ত্ৰী শিক্ষাৰ নিমিত্তে দান কৰিছিল। এই হিন্দু ৰমণীৰ মৃত্যুত ভাৰতৰ প্ৰকৃত স্ত্ৰী শিক্ষাৰ যে কিমান ক্ষতি হৈছে তাক সহজে অনুমান কৰিব পাৰি, আৰু এই ক্ষতি যে সহজে পূৰণ হব এনে আশা কৰিব নোৱাৰি।

এওঁ এনে পবিত্ৰ জীৱন একমাত্ৰ তিৰোতা জাতিৰ কুশলৰ অৰ্থেই কটালে। জম্মু নগৰৰ বিধৱাবিলাকৰ উপকাৰৰ নিমিত্তে এটি বিধৱাগাৰো তেওঁ স্থাপন কৰিছিল। ভাৰতত যদি সৰহ কাল এই ৰমণীয়ে জীৱন ধাৰণ কৰিব পাৰিলে-হেঁতেন তেনেহলে নিশ্চয় ভাৰতৰ স্ত্ৰী শিক্ষাৰ প্ৰভূত উপকাৰ হ'লহেঁতেন। জীৱন মুক্তা, যদিও তোমাৰ দেহ পঞ্চভূতৰ লগত লীন হল তথাপি তোমাৰ নাম ভাৰতত অমৰ হৈ থাকিব।

শ্ৰীকেশৱকান্ত বৰুৱা।

# নাম-মালিকা।

আমাৰ দেশৰ নাম-মালিকা পুথিখনি অসমীয়া সাহিত্য ভঁৰালৰ এটি অমূল্য ৰত্ন আৰু উপাদেয় গ্ৰন্থ। ই আসাম-অৰণ্যত স্বৰ্গীয় মন্দাকিনীৰ ধাৰা; ইয়াৰ পবিত্ৰ বাৰি কৈবল্য ভক্তগণে অতি ভক্তিৰে পান কৰি সদানন্দ লাভ কৰে। এই পুথিৰ পত্ৰে পত্ৰে ছত্ৰে ছত্ৰে কৃষ্ণ আদি নামৰ মাহাত্ম্য উপচি পৰা। সেইবিলাক নামৰ মাহাত্ম্য আমাৰ নিচিনা অভাজনে সমালোচনা কৰিবৰ পাত্ৰ নহওঁ আৰু মোলো নুবুজোঁ। সুতৰাং ইয়াৰ আমি পৰমাৰ্থতত্ত্বৰ কোনো বিচাৰ নকৰি কেৱল তাৰ ভিতৰত সৰ্ব্বসাধাৰণে জানিব লগীয়া যি কেইটি কথা আছে তাকেহে মাথোঁ স্থূলভাৱে দেখাই যাম। পুথিখনি প্ৰসিদ্ধ মহাপুৰুষ মাধৱ দেৱৰ অমৃত-নিস্যন্দিনী লেখনীৰপৰা নিঃসৃত আৰু ভক্তি-ৰত্নাৱলীৰ সাঁচৰ। ৰত্নাৱলী যেনে ভাগৱতৰ শ্লোকৰত্নবিলাকৰ মুকলি ভাঙনি ইও তেনে নানা পুৰাণ, ভাৰত, তন্ত্ৰ আদিৰপৰা সংগৃহীত শ্লোক সমূহৰ অনুবাদ। এই শ্লোক বিলাক প্ৰথমতে কাৰ দ্বাৰাই সংগৃহীত হৈছিল তাক পাঠকসকলে পাছত সমালোচিত পদবিলাকৰপৰা জানিব পাৰিব। সম্প্ৰতি প্ৰথমতে পুথিৰ প্ৰাৰম্ভৰ পদ কিনি তলত দিলোঁ—

"জয় জয় কৃষ্ণ প্ৰভু প্ৰণত তাৰণ।
মঙ্গলৰো সুমঙ্গল যাৰ গুণগণ॥
যাৰ নামে কৰে মহা পাপীক নিস্তাৰ।
হেন কৃষ্ণ পদে কোটি কোটি নমস্কাৰ॥১
নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা আদি সেৱা কৰে যাহাৰ চৰণ॥
মুকুত সকলো ফুৰে যাৰ নাম গাই।
হেন কৃষ্ণ চৰণত প্ৰণামো সদাই॥ ২
হে কৃষ্ণ কৃষ্ণ প্ৰভু তুমি কৃপাময়।
যাৰ কৃপা লেশে মনোৰথ সিদ্ধি হয়॥
তুমিসি পৰম মোৰ গুৰু হৃষিকেশ।
কৃপাদৃষ্টে চোৱা মোক দিও উপদেশ॥৩।



বাহিৰে ভিতৰে গুৰু তুমিসি কেৱল।
দূৰ কৰা তুহুঁৰ যতেক অমঙ্গল॥
জানি কৃপাময় উপদেশ দিয়া মোক।
তোমাৰ প্ৰসাদে আৰম্ভৰ সিদ্ধি হোক॥৪
কৃষ্ণৰ চৰণে নমস্কাৰ কৰি মনে।
কৰোঁ নমস্কাৰ নিজ গুৰুৰ চৰণে॥
সুপ্তপ্ৰায় আছিলেক মোৰ বুদ্ধি মন।
যাহাৰ কৃপাত ইতো ভৈলা সচেতন॥৫।
হেন গুৰু চৰণত কৰি নমস্কাৰ।
মাধৱে ৰচিলা পদ নামমালিকাৰ॥"

ওপৰৰ পদ কেফাকিত মাধৱদেৱে তেওঁৰ নিজ গুৰু শ্ৰীশঙ্কৰদেৱৰ চৰণ পদ্মত নমস্কাৰ জনাইছে আৰু এইটোও প্ৰকাশ কৰিছে যে পূৰ্ব্বে তেওঁৰ বুদ্ধি মন সকলো 'সুপ্তপ্ৰায়' অৰ্থাৎ নিদ্ৰিত আছিল, পাছতে হে শঙ্কৰ গুৰুৰ কৃপামৃত লাভ কৰি সেইবিলাক 'সচেতন' অৰ্থাৎ স্ফুৰ্ত্তি পায়। পুত্ৰ যেনেকৈ পিতৃৰ ওচৰত নত, অনুগত শিষ্যও তেনেকৈ তেওঁৰ পৰম-পথদৰ্শী উপদেষ্টা গুৰুৰ ওচৰত সতত প্ৰণত থাকে ই ধ্ৰুৱ সত্য।' যি জন মহাপুৰুষ গুৰুৰ যুক্তি-যুক্ত উপদেশত মাধৱদেৱে ঘোৰ তান্ত্ৰিক মত বিসৰ্জ্জন দি পৰম উজ্জ্বল, বিমলানন্দদায়ী পবিত্ৰ বৈষ্ণৱধৰ্ম্ম গ্ৰহণ পূৰ্ব্বক শিষ্যত্ব স্বীকাৰ কৰিছিল আৰু যিজন গুৰুৰ গুণত জ্ঞানবৃদ্ধ হৈ ভৱিষ্যতে পৰমভক্তৰ আখ্যা লাভ কৰি 'ৰজাৰপৰে প্ৰজাধৰে' সকলোৰে শ্ৰদ্ধা ভক্তি আকৰ্ষণ কৰিব পাৰিছিল, তেনেজন প্ৰধান পুৰুষ পিতৃ অপেক্ষা স্নেহবান গুৰুৰ ওচৰত যে মাধৱদেৱৰ নিচিনা পণ্ডিত বিজ্ঞ ভগৱৎভক্ত পুৰুষ এজন কৃতজ্ঞ নহব এইটো কেতিয়াও হব নোৱাৰে। নামমালিকা লিখাৰ সময়ত মাধৱদেৱ যে অপণ্ডিত বা কম বয়সীয়া আছিল এনেও নহয় আৰু তেনে ভাব ইয়াত প্ৰকাশ কৰাও নাই। তেওঁ কেৱল শঙ্কৰৰ ওচৰত দীক্ষিত হৈ কেনে সৎ পথ চিনিব পাৰিছিল আৰু সেইবাবে তেওঁ তেওঁৰ গুৰুৰ ওচৰত কিমান দূৰ ঋণী আছিল তাৰেহে প্ৰকৃষ্ট পৰিচয় ওপৰৰ পদখিনিত সুন্দৰ ৰকমে প্ৰকাশ কৰি দেখুৱাইছে।

এতিয়া নাম-মালিকাৰ মূল কি পুথি আছিল তাক বিচাৰ কৰি চোৱা যাওক। আমাৰ দেশৰ প্ৰসিদ্ধ দীপিকাছন্দৰ ৰচয়িতা পুৰুষোত্তম ৰজাই পূৰ্ব্বে তেওঁৰ সভাৰ ব্ৰাহ্মণ পণ্ডিতসকলক কৃষ্ণনাম মহিমা বিষয়ক কথাবিলাক সংগ্ৰহ কৰিবলৈ দিয়ে। পণ্ডিতসকলেও সেই আদেশমতে নানা পুৰাণ ভাৰত আগমাদি তন্ত্ৰ চাই সমস্ত কৃষ্ণনাম মহিমা বিষয়ক শ্লোক গোট কৰি এখনি পুথি লিখে। সেই পুথিৰ নামেই নাম-মালিকা। পুৰুষোত্তম ৰজাৰ দ্বাৰাই সংগৃহীত বুলি ইয়াক অপৰ নামত পুৰুষোত্তম সংহিতাও বোলে। মাধৱ দেৱে সেইপুথি খনিকে মূল ধৰি শ্লোকে শ্লোকে পদ কৰি ভাষালৈ ভাঙ্গে। সেয়ে আমাৰ আলোচ্য পুথি নাম-মালিকা। পদবিলাক যেনে :—

পুৰুষোত্তম নামে নৰেশ্বৰ গজপতি।
তান আজ্ঞা পালি দ্বিজগণ মহামতি ॥৬
পুৰাণ ভাৰত গ্ৰন্থ আগমক চাই।
নানা গ্ৰন্থ সংগ্ৰহ কৰিলা একঠাই ॥
কৃষ্ণনাম মহিমা পাইলন্ত যতমান।
লেখি আনি সকলো কৰিলা একখান ॥৭
ভৈল মগ্ন লোক কলি পাপ সাগৰত।
তাসম্বাৰ হিত মহা চিন্তিয়া মনত ॥
কৰিলন্ত কৃষ্ণনাম মহিমা প্ৰচাৰ।
যাকে শুনি ভণি লোক তৰোক সংসাৰ ॥"

আকৌ এঠাইত,— "পৰম মহন্ত গজপতি পুৰুষোত্তমে।
লেখাই আছে শ্লোকচয় যেন অনুক্ৰমে ॥
সেহি অনুক্ৰমে আমি ৰচিলো পয়াৰ।
কৃষ্ণৰ প্ৰসাদে হৌক লোকত প্ৰচাৰ ॥"

পুথিৰ অন্তত— "শ্ৰীমন্ত পুৰুষোত্তম দেৱ গজপতি।
পৰম মহন্ত সন্ত অতি শুদ্ধমতি ॥
তাহান সংহিতা ইতো অতি অনুগত।
হৰি নাম নাম মালিকা সম্পূৰ্ণ সমাপত ॥৫৮৪।"



ওপৰৰ পদকেফাকিকে আশ্ৰয় কৰি পুৰুষোত্তম গজপতি আৰু তেওঁৰ ৰচিত দীপিকাছন্দ সম্বন্ধে আমি (এই ঠাইত অপ্ৰাসঙ্গিক হলেও) দুআষাৰ মান কথা কব খোজোঁ। এই পদকেফাকিয়েই দেখায় যে পুৰুষোত্তম গজপতি কোনোবা কালৰে ৰজা আৰু তেওঁৰ দীপিকাছন্দও শঙ্কৰী যুগৰ আগৰ পুথি। আজি বছৰচেৰেক হল স্বৰ্গীয় ৰায় মাধৱচন্দ্ৰ বৰদলৈ বাহাদুৰে এই পুথিখনি ছপা কৰোৱাই থৈ গৈছে। সেই ছপা পুথিৰ ভিতৰত 'তেৰেজ' এই মছলমানী শব্দটো পাই গুৱাহাটীৰ কটনকলেজৰ অধ্যাপক শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত পদ্মনাথ বিদ্যাবিনোদ মহাশয়ে কলিকতাৰপৰা ওলোৱা বঙ্গলা সাহিত্য পৰিষৎ পত্ৰিকাৰ ২৯ভাগ ১ম সংখ্যাত আমাৰ এই দীপিকা ছন্দ পুথিখন 'নিতান্ত আধুনিক গ্ৰন্থ" বুলি তেওঁৰ স্বমত প্ৰকাশ কৰিছে। তেওঁ যি পদ ফাকিত এই 'তেৰেজ' শব্দটি পাইছে সেই পদ দুশাৰী তলত দিলোঁ।

"চিত্ৰগুপ্ত নামে আছে লিখক নিৰ্ভয়।
পাপ পুণ্য যত তাৰ তেৰেজ কৰয় ॥"

আমি অনুসন্ধান কৰি ২।৩ খন হাতে লিখা দীপিকাছন্দ পুথি পাইছোঁ; তাৰ ভিতৰত এখন ১৬শ শকাব্দৰে, কিন্তু কোনোখনতে এই 'তেৰেজ' শব্দটো হলে পোৱা নাই। কামৰূপ বজালীৰ বামাখাত নিবাসী শ্ৰীপদ্মনাথ অধিকাৰীৰ 'ৰুদ্ৰযামল' নামে যি প্ৰকাশিত দীপিকাছন্দতো ঐই 'তেৰেজ' শব্দটো নাই। আমি পোৱা পুথি কেখনত আৰু অধিকাৰী দেৱৰ ৰুদ্ৰযামলত ওপৰোক্ত পদ দুশাৰী কেনে দৰে আছে চাওক।—

"চিত্ৰগুপ্ত নামে আছে লিখক দুজয়।
যত মানে পাপ পুণ্য লেখক কৰয় ॥"

শ্ৰীযুক্ত বিদ্যাবিনোদ মহাশয়ে আন কোনো পুথি নিবিচাৰি ৰায় বাহাদুৰৰ প্ৰকাশিত পুথিকে ধৰি তেওঁৰ দীঘল দীপিকা ছন্দ প্ৰবন্ধ লিখিছে আৰু তাৰ ভিতৰত হঠাতে তেওঁৰ স্বৰ্তকীয়া বাদুলীয়া মতটো প্ৰকাশ কৰি বহিছে। ৰায় বাহাদুৰেও যে কোনো দ্বিতীয় পুথি বিচাৰি পুথিৰ পদবিলাক পৰস্পৰৰ সহিত মিলাইছিল এনে মনে নধৰে। তেৰেঁ যিহকে পালে তাকে ছপাই থৈ গৈছে, অথবা পুথিৰ প্ৰকৃত পাঠ উদ্ধাৰ কৰিব নোৱাৰি নিজে এই 'তেৰেজ' শব্দটো গঢ়ি যুমুৱাও অসম্ভৱ নহয়। আমি যেতিয়া ৩ খন পুথিত এই

শব্দটো পোৱা নাই তেতিয়া আমি গণপতিৰ মূল পুথিত এই শব্দটো আছিল বুলি কেতিয়াও কব নোৱাৰোঁ। আৰু থাকিলেও এই পুথিখনক ওপৰোক্ত পদকেইয়াৰে আধুনিক বুলি নকয়। ৰৰদলৈ ডাঙ্গৰিয়াই বোধ কৰোঁ কোনো সাত-নকলীয়া জীৰ্ণ শীৰ্ণ পুথিহে পাইছিল; তেওঁ ভাল পুথি পোৱা নাছিল। নচেৎ আজি দীপিকাছন্দৰ ওপৰত আন এজনে আহি হঠাতে এনে এটা অযথা মত প্ৰকাশ কৰিবলৈ কেতিয়াও সমৰ্থ নহলহেঁতেন।

দীপিকাছন্দ সম্বন্ধে বিদ্যাবিনোদ মহাশয়ে অন্যান্য যি যি মত প্ৰকাশ কৰিছে সেইবিলাক বহলাই ইয়াত আলচ কৰিবৰ ঠাই নহয়। পুৰুষোত্তম কোন্ ঠাইৰ ৰজা আছিল তাৰ এতিয়াও নিৰ্দ্ধাৰণ হৈ উঠা নাই। আমাৰ অনুসন্ধানৰ ফলত যদি তেওঁৰ সম্বন্ধে আৰু কিবা কথা পোৱা যায়, তাক প্ৰকাশ কৰিবলৈ কেতিয়াও ত্ৰুটি কৰা নেযায়। সম্প্ৰতি আমি ইয়াকে কৈ এৰোঁ যে আমি পোৱা দীপিকাছন্দ কেখনতো বহুত অশুদ্ধি আছে আৰু ঠায়ে ঠায়ে পাঠৰ কম বেছি দেখা যায়। ইয়াৰপৰা আমাৰ এইটো ধাৰণা হৈছে যে আজিকালি আমাৰ দেশত বিশুদ্ধ দীপিকাছন্দ পাবলৈ নাই। কোচবেহাৰৰ মহাৰাজাৰ লাইব্ৰেৰীত থাকিলে থাকিব পাৰে। বিশুদ্ধ দীপিকাছন্দ পুথি পালে বোধ হয় গণপতি ৰজা কোন ঠাইৰ, তাৰ এটা ভাল মীমাংসা কৰিব পৰা যাব।

মাধৱদেৱে কোচবেহাৰৰ মহাৰজা নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰায়ণ ৰজাৰ দিনত বিৰূপাক্ষ কাজীৰ ( মহাপাত্ৰৰ ) আদেশ মতে নাম-মালিকা পুথিখন সংস্কৃতৰপৰা পদলৈ ভাঙ্গে। বিৰূপাক্ষ কাজী প্ৰবল পৰাক্ৰমী পৰম বৈষ্ণৱ সদয়হৃদয় পুৰুষ আছিল। আমি সেই মহামনা পুৰুষজনৰ প্ৰতি কৃতজ্ঞ হোৱা উচিত। তেওঁৰ অনুগ্ৰহ নহলে আজি মাধৱদেৱৰ হাতৰ এনে এখনি বৈষ্ণৱ গ্ৰন্থৰ পৰা অসম আৰু অসমীয়া ভাষা বঞ্চিত থাকিলহেঁতেন। পুথিত থকা পদখিনি যেনে :—

"জয় জয় লক্ষ্মী নাৰায়ণ মহা—
নৃপতিৰ অগ্ৰগণী।
তাহান নিৰ্ম্মল, যশস্যা সকলে
ঢাকিলে ইতো ধৰণী ॥



বুদ্ধিত সুধিৰ, নিৰ্ম্মল শৰীৰ
সাগৰ যেন গম্ভীৰ।
ধৰ্ম্মময় চিত্ত জগত বিদিত
সমস্তে গুণ মন্দিৰ ॥ ৫৮৫
আনি শাস্ত্ৰতত্ত্ব, ঈশ্বৰ কৃষ্ণত
যাহাৰ একান্ত মন।
কৈবো গুণ কত, যাহাৰ মুখত
সুগুচে হৰি কীৰ্ত্তন ॥
যিতো দয়াময়, উপধৰ্ম্মচয়,
কৰিলা দূৰ সম্প্ৰতি।
দণ্ডি পাষণ্ডক, সমস্তে লোকক
কৰন্তে হৰি ভকতি ॥ ৫৮৬
যাৰ প্ৰসাদত, ইতো লোক জত,
ঈশ্বৰ কৃষ্ণৰ পাৰে।
কৰি একমন, কৃষ্ণৰ কীৰ্ত্তন
কৰয় শুদ্ধ স্বভাৱে ॥
ৰাজনীতি ধৰ্ম্মে, থাকিয়া সদায়
প্ৰজা কৰি প্ৰতিপাল।
কৃষ্ণৰ ভকতি, প্ৰচাৰি সবংশে,
জীয়ন্তোক চিৰকাল ॥ ৫৮৭
তান মহাপাত্ৰ, নামে বিৰূপাক্ষ,
সমস্তে গুণ সাগৰ।
যাহাৰ সভাত, সুগুচে সাক্ষাত,
বিচাৰ সত-শাস্ত্ৰৰ ॥
আতি শুদ্ধ বুদ্ধ, নাহি কাম ক্ৰোধ,
পৰম নিৰ্ম্মল মতি।
বুজি শাস্ত্ৰতত্ত্ব, ঈশ্বৰ কৃষ্ণত,
কৰন্ত মাত্ৰ ভকতি ॥ ৫৮৮

ধৰ্ম্ম অনুপাম, মাধৱৰ নাম
জানিয়া আৰ মহত্ব।
আপনিও শান্ত, আনকো নৱান্ত,
হৰিনাম নিত্যাগত॥
কৰুণা সদন, পাষণ্ড মৰ্দ্দন,
নাহিকে যাৰ সমান।
যাহাৰ ভয়ত, পাষণ্ড সমস্ত
কাম্পে তৰ্‌তৰি মান॥ ১৮৯।
যাৰ প্ৰসাদত, কৃষ্ণত ভকতি
কৰে আনো যত লোক।
নানা গুৰু প্ৰসাদে, হৰিৰ প্ৰসাদে,
চিৰকাল জীয়ন্তোক॥
সদয় হৃদয়, তেন্তে মহাশয়,
দিলা মোক অনুমতি।
সৰ্ব্ব শাস্ত্ৰ সাৰ, নাম মালিকাৰ,
পদ কৰিবাক প্ৰতি॥ ১৯০
তান-আজ্ঞা বাণী, মনে অনুমানি
কৰিয়া গ্ৰন্থ বিচাৰ।
যেন লৈল মনে, পৰম যতনে,
ৰচিলোঁ আমি পয়াৰ॥

দৈত্যাৰি ঠাকুৰ ৰচিত মহাপুৰুষ চৰিতত্তো উল্লিখিত বীৰকাজীৰ আদেশত মাধৱদেৱে নামমালিকা পুথি লিখে বুলি উক্তি আছে। সেই পুথিত আৰু এটি কথা আছে যে, বীৰ কাজীয়ে এই নাম মালিকাৰ মূল শ্লোকৰ পুথিখন পাই এজন ব্ৰাহ্মণ আৰু এজন কায়স্থক ইয়াৰ পদ কৰিবলৈ আদেশ কৰে আৰু তাৰ পাছত মাধৱদেৱকো ইয়াৰ পদ কৰিবলৈ কয়। ব্ৰাহ্মণে ছমাহত, কায়স্থজনে তিনি মাহত ইয়াৰ পদ কৰি শেষ কৰিলে, কিন্তু মাধৱদেৱে হলে এক পখৰ ভিতৰতে পদ কৰি আঁতালে। পাছে বীৰ কাজীয়ে তিনিওখন পুথিকে বিচাৰি চাই মাধৱদেৱৰখন দোষশূন্য আৰু শুদ্ধ দেখি সেইখনি অনুমোদন



কৰিলে আন দুজনৰ দুখন গ্ৰহণ নকৰিলে আৰু তেওঁ মাধৱৰ পাণ্ডিত্য দেখি তেতিয়াৰে পৰা মাধৱক বেছি আদৰ কৰিবলৈ ধৰিলে। পদ যেনে :—

"বীৰ কাৰ্য্যী একদিন, পাই পুথি একখনি
তাৰ নাম নামমালিকা।
এক ব্ৰাহ্মণক আৰ এক কায়স্থক বোলে,
আৰ পদ কৰি দুয়ো লেখা॥
মাধৱদেৱক বোলে, তুমিও কৰিও পদ,
হেন শুনি তিনিও গৈলন্ত।
পৰম যতন মনে, পাছে তাৰা তিনিজনে
পদ কৰিবাক লাগিলন্ত॥ ১৫১০।
কৰিলা মাধৱদেৱে, এক পথে পদ সাঙ্গ,
তিনি মাসে কায়স্থে কৰিল।
ব্ৰাহ্মণে কৰিলা পদ, ছয়মাসে সাঙ্গ ভৈল,
বীৰ পাক্ষ কাৰ্য্যীয়ে দেখিল॥
চাহিলা তিনিওখান, পূৰ্ব্বাপৰ কৰি মন,
সিতো দুইখানক এৰিল।
নিৰ্দ্দোষ শুদ্ধ শুদ্ধ, সুন্দৰ দেখিয়া দেৱ—
মাধৱৰ খানক ৰাখিল॥ ১৫১১।
মনত সন্তোষ আতি, বুলিলেক পাছে মাতি,
পোৱাটোঁ সে জানিবা নিশ্চয়।
ছৰা কোলে লৈৰে জানে, নজানয় জানা আনে,
আতে এহি দৃষ্টান্ত হোৱয়॥
এহি মতে মাধৱক, প্ৰশংসিয়া বহুতৰ,
বীৰকাৰ্য্যী মহা তুষ্ট মনে।
নাম মালিকাৰ পদ, কৰিলা মাধৱদেৱে
জানা বীৰ কাৰ্য্যীৰ বচনে॥ ১৫১২।
তাৰে পৰা জানা আৰু অধিকে আদৰ কৰে,
বীৰকাৰ্য্যী মাধৱদেৱক॥" দৈত্যাৰি।

মহাপুৰুষ চৰিতত লক্ষ্মীনাৰায়ণ ৰজাৰ নামো দেখা যায়। এই লক্ষ্মীনাৰায়ণৰ দিনতে মহাপুৰুষ মাধৱদেৱ কোচবেহাৰত বৈকুণ্ঠগামী হয়। ৰজাই মাধৱদেৱৰ কাল হোৱা শুনি বৰ দুখ কৰিলে আৰু অন্ত্যেষ্টি সংস্কাৰৰ নিমিত্তে মৰ্দ্দনা নামে কাজী এজনৰ হতুৱাই অগুৰু কাঠ আদি যোগাৰ কৰি দিওৱায় আৰু মহাপুৰুষৰ ভাগিন ৰামচৰণৰ হতুৱাই পিণ্ড জলাঞ্জলি দিয়ায় আৰু দশকৰ্ম্মাদিৰ অন্তত ৰামচৰণৰ লগত লোক জন দি মহাপুৰুষৰ অস্থি গঙ্গাত নিক্ষেপ কৰায়।

"কতোক্ষণে লক্ষ্মীনাৰায়ণে বাৰ্ত্তা পাইলা।
মনদুখে মৰদলা কাৰ্যীক পঠাইলা।
সংস্কাৰ কৰিবে আগৰ কাঠ দিলা।"

লক্ষ্মীনাৰায়ণ ৰজাৰ ৰাজত্বকাল ১৫৮৭ ইং শকৰ পৰা ১৬২২ লৈকে মুদ্ৰাঙ্কিত দেখা যায়। আৰু মাধৱদেৱৰ তিৰোভাৱ ১৫১৮ দেৱশক বা ১৫৯৬ ইং শক।

"পঞ্চদশ শত অঠৰ শকত
বৈকুণ্ঠে গৈলা মাধৱ।" —দৈত্যাৰি।

তাতেই ওপৰৰ শকৰপৰা দেখা যায় যে, মাধৱদেৱে তেওঁৰ নাম মালিকা পুথিখন কুচবিহাৰত ৰচিছিল আৰু সেই— সময় ১৫৮৭ আৰু ১৫৯৬ ইং শকৰ ভিতৰতে কোনো শকত হব।

এতিয়া নাম মালিকাৰ ভিতৰত যিবিলাক পুথিৰ উল্লেখ আছে সেইবিলাকৰ নাম তলত দিলোঁ। সেইবিলাক মূলৰ পৰাই পুৰুষোত্তম ৰজাই মূল নাম মালিকা পুথিখন গোটাইছিল। নামবোৰ যেনে :—

১। ব্ৰহ্মপুৰাণ
২। পদ্মপুৰাণ
৩। বিষ্ণুপুৰাণ
৪। গীতা
৫। ভাগৱত
৬। নন্দিপুৰাণ
৭। লঘুভাগৱত
৮। ভৱিষ্যপুৰাণ
৯। প্ৰভাসপুৰাণ
১০। অশ্ৰুত সংহিতা
১১। বৈশ্বানৰ সংহিতা
১২। বৃহৎ বাশিষ্ঠ সংহিতা
১৩। ব্ৰহ্ম ৰহস্য
১৪। শিৱধৰ্ম্ম
১৫। বৈবিধি সৰ্ব্বস্ব
১৬। শিৱ সৰ্ব্বস্ব



১৭। চতুৰ্ব্বৰ্গ শিৰোমণি
১৮। বৈষ্ণৱ চিন্তামণি
১৯। উমা-মহেশ্বৰ সংবাদ
২০। আগম ( বৃহৎ গৌতমী )
২১। বিষ্ণু যামল
২২। গৌতমী তন্ত্ৰ
২৩। অশ্বলায়ন তন্ত্ৰ
২৪। নাৰায়ণ তন্ত্ৰ (প্ৰায়শ্চিত্ত পটল)
২৫। ৰামায়ণ (ৰামভৰত সংবাদ)
২৬। পদ্ম পুৰাণ ( স্বৰ্গখণ্ড )
২৭। শিৱ ৰহস্য
২৮। মাণ্ডব্য শ্ৰুতি
২৯। পঞ্চৰাত্ৰ
৩০। বশিষ্ঠ তন্ত্ৰ

ওপৰত নামকৰা সকলো পুথিৰ সাৰাংশ ইয়াত দিবলৈ গলে ঠাইয়ে নোজোৰে; এই কাৰণে সকলোৰে ঔৎসুক্য পৰিতুষ্টিৰ নিমিত্তে কেৱল কেইখন মানৰ সাৰাংশৰ নমুনাহে তলত দেখুৱা গল।

ব্ৰহ্মপুৰাণ—"ভক্তি ভাৱে যিতো জনে মাধৱক স্মৰে।
তাহাৰ মহিমা কহিবেক কোন নৰে॥" ৪৪

পদ্মপুৰাণ—"মহা দুষ্ট সৰ্প ইতো দুৰ্ব্বাৰ সংসাৰ।
এহি দংশি চেতন কৰিলে নষ্ট যাৱ॥ ৫৮
তাৰ এক ঔষধ জানিবা কৃষ্ণ নাম।
কৃষ্ণ নাম এক মহা মন্ত্ৰ অনুপাম॥
যিতো সুনে কৃষ্ণ নাম বৈষ্ণৱ মন্ত্ৰক।
কৰি পান কৃষ্ণ নাম মহা ঔষধক॥ ৫৯
সংসাৰ সৰ্পৰ বিষ কৰিয়া নিৰ্ব্বান।
মুক্ত হুয়া পৰম পদক পাৱে স্থান॥"

বিষ্ণুপুৰাণ—"পৰম অনল ইতো মহা মোহচয়।
অতুল্য স্বৰূপে সৰ্ব্ব লোকত জলয়॥ ৬৭
ইহাৰ জ্বালায় সদা শৰীৰ দহয়।
হৰিয়া চেতন শ্ৰুতি জ্ঞান নপাৰয়॥
মহা মেঘ প্ৰায় মাধৱৰ নামচয়।
তাহাৰ ছায়াত যিতো প্ৰৱেশ হোৱয়॥ ৬৮
মহা মোহ বহ্নি আৰ তাহাক নদহে।
তাপ দুখ এৰাই মহা সুখী হুয়া ৰহে॥

জিতো শুনে আলাসক কৰি পৰিহাৰ।
নাৰায়ণ নামক উচ্চৰে একবাৰ॥ ৬৯।"
নন্দিপুৰাণ—"তথাপি ততেক পাপ কৰিতে নোৱাৰে।
বিষ্ণু নামে যত পাপ হৰিবাক পাৰে।"
বৃহৎ বশিষ্ঠ—"নাৰদত কহি ব্ৰহ্মা ঈশ্বৰ বচন।
জিহ্বাক সম্বুধি পাছে কৰন্ত প্ৰাৰ্থন॥
হে জিহ্বা তই সাৰ ৰসক জানস।
মোৰ প্ৰিয় সদাই মধুৰ মহাৰস॥ ৪৩৯
পৰম অমৃত আতি নাৰায়ণ নাম।
কৰিওক জিহ্বা তাক পান অবিশ্ৰাম॥
হেন জিহ্বা আমাত নিস্নেহ ভৈল কিক।
কেনে তই সৰ্ব্বদাই নাভাস হৰিক॥ ৪৪০
শুনিও কল্যানি হৰি বোল নিৰন্তৰে।
হৰি সি পৰম নৌকা সংসাৰ সাগৰে॥"

(এই থিনি পদৰ নিচিনা পদ নাম ঘোষাৰ ভিতৰতো দেখা যায়)।

ভক্ত আৰু ভগৱানৰ ভিতৰত কোনো ভিন্নভাব কৰিব নেপায়। শিৱ বিষ্ণুৰ প্ৰধান ভক্ত। এই কাৰণে শিৱও যে শ্ৰদ্ধেয় তাক দেখাবৰ নিমিত্তে শিৱ সৰ্ব্বস্ব, শিৱধৰ্ম্ম, শিৱ ৰহস্যৰপৰা শিৱ মাহাত্ম্যৰ ভনিতা নাম মালিকাৰ ভিতৰত ঠাই দিছে।

নাম মালিকাত কৃষ্ণ নামৰ মহিমা বিষয়ক কথা ইমান আছে যে কোনটো দেখাম? পাঠকসকলে বিচাৰ কৰি পুথিখনি পঢ়ি চালে সবিশেষ জানিব পাৰিব। পুথিখনিৰ ভিতৰত নিৰ্ব্বান বা সালোক্য প্ৰাপ্তি ব্ৰহ্মপ্ৰাপ্তি ইত্যাদিৰ উদাহৰণৰো অভাৱ নাই।

নাম মালিকাৰ পদ ৫৩২ সংখ্যক। তাৰ পাছত মাধৱদেৱে পদ্মপুৰাণৰ স্বৰ্গ খণ্ডৰ শ্লোকৰ পদেৰে 'নামাপৰাধ' যোগ দিছে। সেই নামপাদৰ পদ শঙ্কৰদেৱৰ কীৰ্ত্তনৰ নামাপৰাধৰ পদতকৈ অলপ হে লৰ। মাধৱদেৱে নামমালিকাৰ শেহত নামাপৰাধৰ পদ যোজনা কৰা সম্বন্ধে কি লিখিছে চাওক—



"নাম মালিকাৰ বহিৰ্ভূত শ্লোকচয়।
গোবিন্দৰ নাম অপৰাধৰ নিৰ্ণয়॥
তাৰো পদ কৰো বাক্য পালি সহস্তৰ।
ইয়াত আমাৰ দোষ নেদিবা বিস্তৰ॥
পদ্মপুৰাণৰ স্বৰ্গ খণ্ডত নিশ্চয়।
নামৰ মহিমা কহি আছে যেন নয়॥
আৰু এক চিত্তে সবে শুনিও সাম্প্ৰত।"
আৰো, "নাম অপৰাধ গ্ৰন্থ ভৈল সমাপত॥
ইতো শ্লোকচয় নাই নাম মালিকত।
তথাপি কৰিলো পদ সুহৃদিৰা আত॥
পদ কৰিবাক মোক বুলিলা সহস্ত।
আতে যেন দোষ ক্ষেমন্তোক ভগৱন্ত॥"

নামাপৰাধৰ পদভাগো বৌদ্ধকাজীৰ অনুৰোধ মতেই যে নামমালিকাৰ শেষত যোজিত হৈছিল তাক ওপৰৰ পদ কেইফাকিৰপৰাই বুজা যায়। ভাগৱতৰ দ্বাদশ স্কন্দত এটি শ্লোক আছে :—

"হৰের্নাম হৰের্নাম হৰের্নামৈৱ কেৱলম্।
কলৌ নাস্ত্যেৱ নাস্ত্যেৱ নাস্ত্যেৱ গতিৰন্যথা॥"

এই মহা বাক্যটিয়েই শঙ্কৰ আৰু মাধৱৰ ধৰ্ম্মৰ মূল মন্ত্ৰ। সেই কাৰণে তেওঁলোকে শিক্ষা দি গৈছে :—

"নামে ৰতি নামে গতি নামে সে ভকতি।"
"কলিত নামেসে নামেসে গতি॥"
"হৰিনাম হৰিনাম এ মূল মন্ত্ৰ।
কলিত নাহি তপ যজ্ঞ মন্ত্ৰ॥"

এই নাম কীৰ্ত্তন শঙ্কৰে কীৰ্ত্তনত মাধৱদেৱে নাম-ঘোষাত আৰু নাম মালিকাত বিস্তাৰকৈ বৰ্ণাইছে। এই কাৰণে নামঘোষা আৰু নামমালিকা পুথি দুখনি ভকতসকলৰ মহা আদৰৰ সামগ্ৰী আৰু আলাসৰ লাক। এই নাম কীৰ্ত্তনত কি আনন্দ আছে তাক প্ৰকৃত ভকতেহে হৃদয়ঙ্গম কৰিব পাৰে, সৰ্ব্বসাধাৰণে সহজ জ্ঞানেৰে বুজা টান। এই নামত যাৰ মন প্ৰাণ নিমগ্ন গি তাৰ সোৱাদ এৰিব নোৱাৰে। এই কাৰণে মাধৱদেৱে—

"গাস্থিলা নামৰ মালা অতি সুবিচিত্ৰ।
সমস্তৰে মোক্ষদাতা পৰম পবিত্ৰ॥"

এতিয়া আমি মাধৱদেৱৰ ৰচিত নামঘোষা, ৰত্নাৱলী আৰু নামমালিকা তিনিউখনি পুথিৰ আৰু দুআষাৰমান কথা কৈ প্ৰবন্ধৰ উপসংহাৰ কৰোঁ। এই তিনিখনি পুথি মাধৱদেৱৰ জীৱনেৰে সৈতে জড়িত। তেওঁ তেওঁৰ জীৱনৰ তিনি অৱস্থাত অৰ্থাৎ ডেকা বয়সত নামঘোষা, আধহীয়াত ৰত্নাৱলী আৰু বুঢ়াবয়সত নামমালিকা এই তিনিখনি পুথি লিখে।* এই তিনি সময়ত তেওঁ তিনি ৰকমে অভিনয় কৰে। প্ৰথমতে 'নামঘোষা' লিখি আনন্দত বিভোৰ হৈ যেন 'তুমি মোৰ, তুমি মোৰ' বুলি হৰিক আবেগভৰা হৃদয়েৰে নাচি নাচি মাতিছে; ৰত্নাৱলীত যেন হৃদয়নাথক লগ পাই তেওঁৰ চৰণত ভক্তি-পুষ্পাঞ্জলি উপহাৰ দিছে, আৰু সৰ্ব্বশেষত নাম-মালিকাত নামৰ সুন্দৰ মালাধাৰি সেই পৰমপুৰুষক পিন্ধাই জীৱনৰ চৰিতাৰ্থতা লাভ কৰিছে। যি জন্মভূমিত এনে পবিত্ৰ ধৰ্ম্মপ্ৰাণ মহাপুৰুষে জন্মগ্ৰহণ কৰিছিল সেই ঠাই ধন্য আৰু সেই ঠাই ঘোৰ অৰণ্যেৰে আবৃত থাকিলেও পুণ্য ভূমি বুলি গণ্য। কেতিয়া আমি এনে ধৰ্ম্মজীৱন পুৰুষৰত্নবিলাকৰ আদৰ্শ লৈ জীৱন গঢ়িম? কেতিয়া আমি তেওঁসকলৰ পদাঙ্কানুসৰণ কৰি মানুহ হ'বলৈ শিকিম? যদিও তেওঁলোক আজি নাই তেওঁলোকৰ যত্নত আমাৰ দেশ গৰিয়সী আৰু ভাষা সমৃদ্ধিশালিনী। অসমীয়া জাতি আৰু অসমীয়া ভাষা থাকে মানে তেওঁলোকৰ নাম নুলুপায়। আহাঁ সকলোৱে তেওঁলোকৰ নাম মাহাত্ম্য গাওঁ, আৰু তাৰ লগে লগে হৰিনামৰ বিনন্দিয়া মালাধাৰি কণ্ঠভূষণ কৰি জীৱন ধন্য কৰোঁ। ওঁ তৎ সৎ।

শ্ৰীসোণাৰাম চৌধুৰি।

---

# পগলা।

From the great deep to the great deep he goes.
—Tennyson.

বিষয় বাসনা অলীক কামনা
সকলো ডুবিল আজি;

* ৰত্নাৱলীৰ শিতানত নামঘোষা ৰচিত হয়, আৰু সিও আধহীয়া বয়সত হে।—সম্পাদক।



আজি জীৱনৰ নতুন ৰাগিণী
উঠিছে আপুনি বাজি।
বাজিছে প্ৰাণত আকাশী সুৰটি
ভেদিছে নিজম হিয়া;
হিয়াৰ মাজত আজি তোলপাৰ
মনে প্ৰাণে আজি দিয়া।
দিয়াৰ বুকুত নতুন জগত,
নতুন ভাবেৰে ভৰা;
ভৰা জগতত নীলিমা বুকুত
নতুন সকলো তৰা।
তৰাৰ মাজত নতুন মুখৰ
পথটি চকুত পৰে;
পৰে দূৰণিৰ ছবিটি চকুত
পাৰলই মন লৰে।

পদুলি-মুখতে গীতটি জুৰি আধহীয়া মানুহ এজন ওলালহি। মানুহজন ফকিৰেই নে গৃহস্থী মানুহেই চিনা টান। চোতালৰ মুখৰ পৰ এডোখৰতে ৰহি মানুহজনে গীতটো গাবলৈ ধৰিলে। ঘৰৰ ল'ৰা ছোৱালী এটাইবিলাক ওলাই আহি মানুহজনক বেৰি ধৰিলে! গীত শেষ হোৱাৰ পাছত কোনোৱে "আকৌ গোৱা," কোনোৱে "তোমাক কি লাগে?" আদি প্ৰশ্ন কৰিলে।

বঙ্গলাৰ কুঠৰি এটাত বহি যদুৱে বাতৰি কাকত পঢ়ি আছে। তেওঁ গীত শুনি কাকত তেওঁৰ হাততে ৰ'ল, কাণ মনে আন ফালে ঢাল ললে; চকু মাথোঁন কাকতৰ ওপৰত ৰ'ল। গীতৰ ধ্বনি মাৰ গ'লত যদুৰ মনত পৰিল—মানুহজনৰ লগত অলপ কথা পাতিব লাগিল। ভাৰেক বিধক মানুহজনক বঙ্গলাৰ ভিতৰলৈ মাতি আনিবলৈ তেওঁ ক'লে।

যদু—তোমাৰ গীতটো মোৰ বৰ ভাল লাগিল। আৰু এটা গাব নোৱাৰা নে?

"পাৰোঁ, আপোনাৰ যদি শুনি ভাল লাগে, মোৰো গাই ভাল লাগিব।"

গীত জুৰিলে—

বিশ্ব জুৰি তোমাৰে মুৰতি,—
তোমাৰে ৰাগিনী বাজে।
গছ, লতা, বন, নই, সাগৰত,
তোমাৰে শকতি ৰাজে।
ঘূৰে চন্দ্ৰ, সূৰ্য্য, তৰা, গ্ৰহ,
তোমাৰে নামটি গাই।
বিশ্ব মানৱ সকলোৰে তুমি
তুমি বিনে আন নাই।
সেৱা সেৱক সকলো তুমি,
তুমি বিশ্ব, বিশ্ব তুমি,
ধ্যান ধাৰণা সকলো তুমি,
আমি তুমি, তুমি আমি।*

আকৌ গীতৰ ধ্বনি মাৰ গ'ল। মানুহটি চকুমুদি হাত যোৰ কৰি ৰ'ল। যদু নিমাত। ল'ৰা ছোৱালীবিলাকো নিমাত,—ভাবিলে মানুহটোৱে আকৌ গাব; পাহৰিছে।

যদু—তুমি ফকিৰ নে, নাই এইদৰে গীত গাই ফুৰাই তোমাৰ কাম?

'মই ফকিৰো নহওঁ, এইদৰে গীতো গায়ো নুফুৰোঁ। আজি পেটৰ পোনে টান পৰিছে গুণে মাগিবলৈ আহিছোঁ।"

যদু—আগেয়ে নক'লা কিয়? এহ, তোমাৰ ভোকতে তোমাৰ হতুৱাই গীত গোৱালোঁ! তুমি কি কুলীয়া মানুহ?

"এবা ভোক হ'বলৈ লাগিছে, মোৰ কুল-চুল নাই।"

যদু—তেও বুলি হিন্দু নে মুচলমান?

"মই হিন্দুও নহওঁ মুচলমানো নহওঁ।"

যদু—তোমাৰ নাম কি?

"মোৰ নাম নাই, মানুহে মোক পগলা বোলে।"

যদু—বাঃ, তোমাৰ নিচিনা দাৰ্শনিক পগলা সংসাৰত আৰু দুজনিমান থাকিলে সংসাৰ সংসাৰ শুচি কিবা হ'ব।

*এই গীতটি শ্ৰীযুত মহাদেৱ শৰ্ম্মাই লিখা।



পগলা—আনো আপুনি কি কয়! মোৰ ভোক লাগিছে, এটা দিহা কৰিব পাৰিলে বৰ ভাল হয়।

যদুৱে নিজে গৈ ভিতৰৰপৰা এটা চকত জলপান আনি দি পগলাক লৈ আনৰ কাষলৈ গ'ল। পগলাই আনৰ কাষতে বহি জলপান খাবলৈ ধৰিলে, যদু কাষতে থিয়দি ৰ'ল।

পগলা—এতিয়া হলে এটাহে নালাগে এপৰ গীত গাই থাকিব পাৰিম।

যদু—নালাগে, তোমাৰ গীততকৈ মোৰ তোমাৰ লগত কথা পাতি হে ভাল লাগে।

পগলা—বেচ, লোকে মোক পগলা বুলি চাউল এমুঠিও দিব নোখোজে। বোলে এই পগলাটোৱে পেলাই দিব। আপুনি আকৌ মোৰ লগত কথা পাতিও ভাল পায়। এইখন গাৱঁলৈ আহিবৰ আজি এপথ; এনেটো জল-পান আজি বহুতেকমান খাবলৈ পোৱা নাই।

যদু—বাক লোকৰ কথা এৰি দিয়া। তোমাৰ নিচিনা পগলাৰ লগ মোৰ হলে বৰ ভাল লাগে। তোমাৰ নিচিনা পগলাই গোটাদিয়েক থাকিলে সমাজৰ বিস্তৰ উপকাৰ হয়। তোমাৰ এটা কথাৰ মানেটো বুজিব পৰা নাই;—ক'লা তুমি হিন্দুও নোহোৱা, মুচলমানো নোহোৱা। সঁচাকৈয়ে কোৱা চোন তুমি কোন ধৰ্ম্মৰ মানুহ?

পগলা—মোৰ সঁচা মিছা নাই। একেটা কথা। মোৰ ধৰ্ম্ম নাই। ধৰ্ম্ম কি? কাক বোলে, মই নাজানো।

যদু—নহয় আমি যেনেকৈ লোকৰ আগত হিন্দু বুলি কওঁ, সৌ ওচৰ্মান বেপাৰীয়ে মুচলমান বুলি কয়, আৰু আন আন মানুহে কোনোৱে খৃষ্টান, ব্ৰাহ্ম আদি ধৰ্ম্মৰ মানুহ বুলি কয়, সেইদৰে তুমি কোন ধৰ্ম্মৰ ভিতৰত থকা মানুহ?

পগলা—মোৰ তেনেকৈ কোনো ধৰ্ম্ম নাই। মই কোনো নিৰ্দ্ধাৰিত ধৰ্ম্মৰে ভিতৰত নাথাকোঁ। মোৰ ইচ্ছাই মোৰ ধৰ্ম্ম। আপুনি যদি শুনিব খোজে কওঁ। মই পূজাৰ দিনা মাৰ প্ৰসাদ খাওঁ মাক মনৰ হেঁপাহ পুৰাই প্ৰণাম কৰোঁ, সকলো আমোদ প্ৰমোদতে যোগ দিওঁ। নামঘৰত গুৰুজনৰ তিথি হ'লে, বাহিৰতে বহি নামত যোগ দিওঁ। প্ৰসাদ খাওঁ। কীৰ্ত্তন পুথি ভোগৰ

মুৰৰ শিতানতে থওঁ। ইদৰ দিনাও মোৰ মনত আনন্দ ওপজে। বৰদিনৰ দিনাও মোৰ পৰ্ব্বদিন যেন লাগে। মাঘোৎসৱৰ দিনা ব্ৰাহ্ম মন্দিৰতো মোৰ ঠাই আছে। মুঠতে মোৰ ধৰ্ম্মৰ ঠিক নাই। লোকে মোক পগলা বোলে। ময়ো বোলোঁ মই পগলা, মোৰ আকৌ ধৰ্ম্মৰ বাছ-বিচাৰ কিহৰ? সকলো ধৰ্ম্মই মোৰ ধৰ্ম্ম। সকলোৱে মোক পগলা বোলে, সকলোৱে মৰম কৰে, মোৰো সকলোকে ভাল লাগে।

যদু—ঠিক তোমাৰটোৱেই আচল ধৰ্ম্ম। তুমি আকৌ কোৱা যে তুমি ধৰ্ম্মকে নাজানা! কিন্তু তোমাৰ কথা ঠিক যে তুমি আমাৰ দৰে কোনো পন্থা-বলম্বী নোহোৱা। তোমাৰটো মূল ধৰ্ম্ম আমাৰবিলাক পন্থ। তুমি প্ৰকৃত বীৰ।

পগলা—বেচ কথাবোৰ কৈছে। মই কিহৰ বীৰ? আজি ইমান দিনে যত্ন কৰি নিজৰ প্ৰবৃত্তিবিলাকৰ ওপৰত নিজৰ আধিপত্য স্থাপনা কৰিব পৰা নাই, মন মোৰ ওপৰত, মই আকৌ বীৰ!

যদু—তোমাক কথাৰে বলে নোৱাৰোঁ। তোমাৰ ঘৰ ক'ত?

পগলা—সেই, আপুনি যিবোৰ কথা শোধে মই তাৰ উত্তৰকে বিচাৰি নাপাওঁ। মোৰ ঘৰ যেনেকৈ ক'তো নাই।

যদু—কিয় ৰাতি হ'লে কাতি হ'বলৈ এডোখৰ ঠাইটো আছে?

পগলা—নাই; য'তে ৰাতি, ত'তে কাতি—কেতিয়াবা লোকৰ চ'ৰা ঘৰত, কেতিয়াবা ভ'ৰালৰ আগত, কেতিয়াবা গছৰ তলত।

যদু—তুমি ক'ৰপৰা আহিছা আৰু কলৈ যাবা?

পগলা—মই ক'ৰপৰা আহিছোঁ সঠিককৈ ক'ব নোৱাৰোঁ। কলৈ বা যাওঁ তাকো ক'ব নোৱাৰোঁ। সংসাৰত দুদিন আছোঁ, পাইছোঁ খাইছোঁ; নাই পোৱা, নাই খোৱা; চিন্তা নাই, চৰ্চ্চা নাই; ঘৰ নাই, দুৱাৰ নাই; মৰিলে কান্দিবলৈ, জীলে হাঁহিবলৈ নাই; আগ নাই, পাছ নাই; অভাৱো নাই, নাটনিও নাই; সমাজৰ বান্ধনিৰ বাহিৰত; মই আকৌ ক'ব মানুহ বুলিম?

যদু—তোমাক লোকে পগলা বুলিবতো; যেয়ে সেয়ে তোমাৰ কথা বুজিব কেনেকৈ? তোমাৰ নিচিনা পগলা পাবিলে ময়ো হওঁ। তোমাৰ নিচিনা



পগলা হৈয়ো সুখ আছে। বিদ্যা, বুদ্ধি, সুখ, সম্পদ এটাইবোৰবে সলনি তোমাৰ নিচিনা এটা মন পালে মোক আন একো নালাগে।

পগলা—ঠিক, পগলাৰ মন বাৰু পুৰুক লাগে!

যদু—তুমি ৰজাই বোলা বা ভিক্ষাৰীয়েই বোলা, মই হ'লে তোমাকেহে প্ৰকৃত ৰজা যেন দেখিছোঁ।

পগলা—ৰাজ্য নোহোৱাকৈ মাগি খাই ৰজা হ'ব পাৰিলে দুনিয়া গোটেই খন ৰজাৰে পূৰ।

যদু—সেয়েইটো প্ৰকৃত কথা। যি ৰাজ্য নোহোৱাকৈ ৰজা হ'ব পাৰে তেৱেই আচল ৰজা, মানুহ মনেৰেহে ৰজা, ৰাজ্যলৈ কেইজন ৰজা ৰজা?

পগলা—আপুনি কিতাপ পঢ়া মানুহ, মই ভালকৈ পঢ়িবকে নাজানোঁ।

যদু—তোমাৰ কিতাপ পঢ়াৰ দৰ্কাৰ নাই। যদি বিদ্যা মানে মনৰ উৎকৰ্ষ সাধন, তেন্তে কিতাপ পঢ়ি হোৱা জ্ঞান তোমাৰ অগাধ। আমি যে কিতাপ পঢ়িও তোমাৰ নিচিনা বিদ্বান হ'ব পৰা নাই তাতহে আচৰিত। তুমি ইমান বোৰ কথা ক'লা, কিন্তু কেতিয়াবা দীঘল হুমুনিয়াহ কাঢ়া কিয়?

পগলা—মোৰ মনত কেতিয়াবা এটা কথা খেলায়। লোকক শুনাই কি হ'ব? তথাপি কওঁ। নাও ডুবি এবেলি কথমপিহে মৰাৰপৰা ৰক্ষা পালোঁ। মোৰ সৰু নাও এডুখৰি আছিল। কাৰ্য্যৰ নিমিত্তে নাওডুখৰি জানটিত সদাই উজাই নিওঁ আৰু গধূলি হ'লে ভটীয়াই আনো। গুৰিত মই, আগত —আনো কোনোবা আছিল। কিন্তু নাওখন বাওঁতে আগৰ জনে শুৱলা সুৰেৰে গীত গাই যায়, মই নাও বোৱাৰ বাবে সমূলি দুখ নাপাওঁ। জানটিত বৰ সাপৰ নেগুৰ-ছিগা সোঁত। এদিন হঠাৎ নাওখন বুৰিল। আগৰ জনৰ চুলি মাথোঁ ন পানীৰ মাজত দেখিলোঁ। সেই দেখাই শেষ। দিন যিমানে পুৰণি হৈছে আগৰ জনলৈ মোৰ টানো বেছি হৈছে। তেওঁক কেতিয়াবা পাওঁ, কিন্তু ধৰিব নোৱাৰোঁ। দেখোঁ ছুবলৈ গ'লে লৰ মাৰে। পাই পাই নাপাওঁ। সেইটোৱেই মোৰ ভাব।

যদু—তুমি অকল দাৰ্শনিকেই নোহোৱা, কবিও; কিয় আকৌ এডুখৰি নাও লৈ আগত গীত গোৱা এটী লৈ পূৰ্ব্ব বৃত্তি অৱলম্বন কৰিলেই দেখোন হয়।

পগলা—এনেকি যদি দিঠকৰে সপোনৰে সীমা হেৰাই তেন্তে দিঠক কেলেই সপোন হৈয়ে থাকিম। আৰু এমন সপোনীয়া পাব পাৰোঁ, কিন্তু আগৰজনটো নাপাওঁ; আগৰ নাওখনো নাপাওঁ। তেন্তে সকলো নতুন হব। আগৰ গীতো শুনিবলৈ নাপাওঁ; নতুন গীতে পুৰণিটো আৰু বেছিকৈহে মনত পেলাই দিব; সেই কাৰণে পূৰ্ব্ব স্মৃতি নালাগে; এতিয়া আন ৰকম স্মৃতি ধৰি পুৰণি পাহৰিব খুজিছো—এইদৰে উদাসীন নোহোৱাকৈ ঘৰ-দুৱাৰ, আপোন-পৰ ইত্যাদি বিচাৰ ত্যাগ কৰা লোকে মোক পগলা বোলে কিয়। নাই আপোনাৰ লগত আৰু সৰহ কথা কোৱাৰ ইচ্ছা নাই। জলপানটোৰ ধাৰ শুজিব লাগিব। শুনে যদি গীতকে এটা গাওঁ—

প্ৰীতি সাগৰ অ'হে সুন্দৰ, তুমি হৃদি ৰঞ্জন।
তুমি মহঃ, তুমি জনঃ, তুমি মোহ ভঞ্জন।
তুমি তপ, তুমি জপ, তুমি যজ্ঞ শোভন।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ সকলোৰে কাৰণ।
জন্ম মৃত্যু অৱস্থিতি তুমি তাৰ ধাৰণ।
শূন্য আগে, শূন্য পাছে, তুমি মাত্ৰ জীৱন।

মানুহটি যেনেকৈ ক'ৰবাৰপৰা হঠাৎ আহিছিল সেইদৰেই তেওঁ উঠি পাছলৈ নোচোৱাকৈ বাটে বাটে খোজ ল'লে।

দেশ।

---

## মৃত্যুৰ অৰ্থ।

সংসাৰ লই ব্যস্ত যিজন,
বদ্ধ যিজন মায়াৰ পাশে;
নাই গতি যাৰ ঈশ্বৰ ফালে
মৃত সিজন জ্ঞানীয়ে বোলে।
চোৱাঁ হে মানৱ, সমুদ্ৰ মুখে
বই যায় মাথোঁ জীৱিত নদী;
লক্ষ হেৰুৱা কাৰণ বিশেষে
বদ্ধ যি নদী—সি মৰা নদী।

শ্ৰীমহী।